# অন্বেষণ

দ্বাদশ বছৰ ■ পঞ্চম সংখ্যা ■ জুন, ২০২৫



জয়ন্ত বিষ্ণু নাৰ্লিকাৰ




## ভাৰত-পাকিস্তান সংঘাত: অপাৰেছন সিন্দূৰ

## ইউনিক'ড



অৰুনোদই সম্বাদ পত্ৰ।

## বাতৰি কাকতৰ ইতিহাস



চিৰাছ মেঘ



চিৰ'ষ্ট্ৰেটাছ মেঘ



চিৰ'কিউমুলাছ মেঘ



অল্ট'ষ্ট্ৰেটাছ মেঘ



বাস্প ৰেখা মেঘ



প্ৰাচীৰ মেঘ



অল্ট'কিউমুলাছ মেঘ

# অন্বেষণ

**দ্বাদশ বছৰ, পঞ্চম সংখ্যা, জুন, ২০২৫ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com

## সূচীপত্ৰ

২ **ভাৰত-পাকিস্তান সংঘাত : অপাৰেছন সিন্দূৰ**
■ প্ৰণীতা দেৱী

৪ **দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা**
■ মানসজ্যোতি শৰ্মা

৬ **ইউনিক'ড—কি, কিয়, কেনেকৈ ?**
■ অভিজিত শৰ্মা বৰুৱা

৮ **কণিকাৰ ৰামধেনু**
■ জিতেন গোস্বামী

১০ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী

১২ **খবৰৰ লেছেৰি বোটলা**
■ কুশল গোস্বামী

১৩ **গোলকীয় উষ্ণতা বৃদ্ধি, পৰিৱেশ পৰিৱৰ্তন আৰু ভাৰত**
■ মানসজ্যোতি শইকীয়া

১৫ **বিজ্ঞান জগতৰ ভোটাতৰা : জয়ন্ত বিষ্ণু নাৰ্লিকাৰ**
■ ৰুণিমা শৰ্মা

১৬ **ডাৱৰৰ বিচিত্ৰ কথা**
■ কল্যাণী পাটগিৰি

১৮ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

২৪ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন

২৬ **কুইজ**
■ দীপাংকৰ কৌশিক

২৭ **আন্তৰ্জাতিক যোগ দিৱস**
■ অপৰ্ণা দেৱী

২৮ **শেষ যাত্ৰা**
■ ৰাগিনী শিৰম

২৯ **আলহাম্‌ব্ৰা দুৰ্গ**
■ লিয়ন দাস

৩০ **পেহেলগাম**
■ ৰশ্মিনন্দা কলিতা

৩১ **ফল আৰু স্বাস্থ্য**
■ বাণীস্নিগ্ধা হালৈ

৩২ **অৰ্কিডৰ সান্নিধ্যৰ কিছু ৰোমাঞ্চকৰ পল**
■ অনিত্য দত্ত

৩৩ **পখিলা**
■ বৈষ্ণৱী কাশ্যপ

৩৩ **কাজিয়া**
■ হৃষীকেশ ৰাভা

৩৩ **সৰুতেই ভাল**
■ দেৱাংগনা বৰঠাকুৰ

৩৪ **বাতৰি কাকতৰ ইতিহাস**
■ নিভা ৰাণী ৰায়

৩৭ **কাছ'ৰাৰী চৰাই**
■ চেহনাজ আখতাৰ আহমেদ

৩৮ **চুড'কু**

৩৯ **Did You Know**
■ Swadesh Gogoi

৪০ **Stories from World Classics**
■ Neha Bora


**সম্পাদক** : ডাঃ নাৰায়ণ শৰ্মা (অবৈতনিক)
**সহযোগী সম্পাদক** : পংকজ দত্ত
**উপ-সম্পাদক** : কুশল গোস্বামী, ডঃ লিপিমণি দত্ত, ডিম্পল তালুকদাৰ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)

**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**আৰ্হি পাঠ** : কুলধৰ কলিতা
**মূল্য** : ত্ৰিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰ দ্বাৰা মুদ্ৰিত।*

# ভাৰত-পাকিস্তান সংঘাত : অপাৰেছন সিন্দূৰ

■ প্ৰণীতা দেৱী




'বন্ধু সলনি কৰিব পাৰি কিন্তু চুবুৰীয়া সলনি কৰিব নোৱাৰি'—দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী প্ৰয়াত অটল বিহাৰী বাজপেয়ীৰ এই কথাষাৰৰ প্ৰাসংগিকতা অনুধাৱন কৰিয়েই চুবুৰীয়া দেশবোৰৰ সৈতে ভাৰতে সুসম্পৰ্ক ৰক্ষাৰ চেষ্টা চলাই আহিছে। কিন্তু পাকিস্তানৰ সৈতে ভাৰতৰ সুসম্পৰ্ক গঢ়াৰ প্ৰয়াসক দেশখনে প্ৰতিবাৰেই আওকাণ কৰি সন্ত্ৰাসবাদী কাৰ্য্যকলাপক উদগনি যোগাই আহিছে। কাশ্মীৰ সমস্যা, সন্ত্ৰাসবাদ, পানীৰ ভাগ-বটোৱাৰা, ভূ-ৰাজনৈতিক প্ৰতিদ্বন্দ্বিতা আদিৰ লগতে উভয় দেশৰ পাৰস্পৰিক অনাস্থাই দেশ দুখনৰ মাজৰ সম্পৰ্কক সদায় তিক্ততাপূৰ্ণ কৰি ৰাখিছে। পেহেলগামৰ নৈসৰ্গিক সৌন্দৰ্য্য উপভোগৰ বাবে যোৱা পৰ্য্যটকৰ ওপৰত হোৱা সন্ত্ৰাসবাদীৰ বৰ্বৰ আক্ৰমণে এই সম্পৰ্কক অধিক জটিল কৰি তুলিলে।

জম্মু-কাশ্মীৰৰ অনন্তনাগ জিলাৰ পেহেলগামৰ সমীপৰ বৈসাৰণত যোৱা ২২ এপ্ৰিলত সন্ত্ৰাসবাদীৰ আক্ৰমণত ২৬জন পৰ্য্যটকৰ মৃত্যু হোৱাৰ লগতে ২০ জনতকৈও অধিক লোক আহত হৈছিল। ইছলামিক সন্ত্ৰাসবাদী সংগঠন লস্কৰ- ই-তৈবাৰ শাখা টি আৰ এফ (TRF) নামৰ এটা সন্ত্ৰাসবাদী সংগঠনে প্ৰথম অৱস্থাত এই ঘটনাৰ দায়িত্ব স্বীকাৰ কৰিছিল যদিও পৰৱৰ্তী সময়ত সংগঠনটোৱে এই ঘটনাত জড়িত নহয় বুলি প্ৰকাশ কৰে। অৱশ্যে ভাৰতৰ চোৰাংচোৱা সংস্থাই এই ঘটনাৰ মূল পৰিকল্পনাকাৰীৰূপে সন্ত্ৰাসবাদী সংগঠন লস্কৰ-ই-তৈবাৰ শীৰ্ষ নেতা চাইফুল্লাহ কচুৰী বুলি চিনাক্ত কৰে। ২০০৮ চনৰ মুম্বাই আক্ৰমণৰ পাছত অসামৰিক লোকৰ ওপৰত সন্ত্ৰাসবাদীৰ এয়া বৃহৎ আক্ৰমণৰূপে পৰিগণিত হৈছে। আনহাতে সন্ত্ৰাসবাদীয়ে পৰ্য্যটকক ধৰ্ম সুধি হত্যা কৰাৰ ঘটনাই সকলোকে স্তম্ভিত কৰি তোলে।

দ্বি-জাতি তত্ত্বৰ ভিত্তিত পাকিস্তান গঠন হোৱাৰে পৰা কাশ্মীৰক কেন্দ্ৰ কৰি দুয়োখন দেশৰ মাজত ৰক্তক্ষয়ী সংঘাত অব্যাহত আছে। উভয় দেশৰ মাজত হোৱা চাৰিখন যুদ্ধৰ তিনিখনেই কাশ্মীৰক কেন্দ্ৰ কৰি হৈছিল। ১৯৮০ দশকৰ শেষৰফালে কাশ্মীৰত ইছলামিক সন্ত্ৰাসবাদীৰ কাৰ্য্যকলাপে কাশ্মীৰী পণ্ডিতসকলক পলায়ন কৰিবলৈ বাধ্য কৰিছিল। ২০১৯ চনত সংবিধানৰ ৩৭০ নং অনুচ্ছেদ বাতিলৰ পাছত বাহিৰৰ লোকসকলেও কাশ্মীৰত মাটি-সম্পত্তি ক্ৰয় কৰি বসতি স্থাপনৰ সুবিধা লাভ কৰে। ইয়াৰ ফলত কাশ্মীৰত জনগাঁথনিৰ পৰিৱৰ্তন হ'ব বুলি আশংকা কৰি টিআৰএফ (The Resistance Front) নামৰ সন্ত্ৰাসবাদী সংগঠনটোৰ জন্ম হৈছিল। লস্কৰ-ই-তৈবা আৰু হিজবুল মুজাহিদিন নামৰ সন্ত্ৰাসবাদী সংগঠন দুটাৰ সদস্যৰে গঠিত এই সংগঠনটো জম্মু-কাশ্মীৰৰ বিভিন্ন ঠাইত হিংসাত্মক কাৰ্য্যকলাপ সংঘটিত কৰাৰ সৈতে জড়িত হৈছিল। ভাৰত চৰকাৰ আৰু দেশৰ সংবাদ মাধ্যমে এই সংগঠনটোৱে পাকিস্তানৰ পৃষ্ঠপোষকতা লাভ কৰা বুলি দাবী কৰি আহিছে। পাকিস্তানে এই দাবী অগ্ৰাহ্য কৰিলেও সন্ত্ৰাসবাদীৰ ঘাটিসমূহক দেশখনৰ সেনাবাহিনীয়ে সুৰক্ষা দিয়াটোৱে ভাৰতৰ দাবীৰ ন্যায্যতাকে সূচায়।

পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছতেই ভাৰতে পাকিস্তানৰ সৈতে থকা সীমান্ত বন্ধ কৰাৰ লগতে ভাৰতত থকা দেশখনৰ নাগৰিকসকলক ঘূৰি যাবলৈ আহ্বান জনায়। দেশখনৰ লগত থকা বাণিজ্যিক সম্পৰ্ক ৰদ কৰাৰ লগতে ভিছা, বিভিন্ন চুক্তি আদি বাতিল কৰাৰ

কথা ভাৰতে ঘোষণা কৰে। ইয়াৰ লগতে সিন্ধু জলচুক্তি বাতিল কৰাৰ কথাও ভাৰতে ঘোষণা কৰে। পাকিস্তানৰ ৰাষ্ট্ৰীয় নিৰাপত্তা সমিতিয়েও (National Security Committee) একে ধৰণৰ ঘোষণা কৰাৰ লগতে ১৯৭২ চনত স্বাক্ষৰিত ছিমলা চুক্তি মানি নচলাৰ ভাবুকি দিয়ে। ১৯৭১ চনত ভাৰত-পাকিস্তান যুদ্ধৰ পাছত স্বাক্ষৰিত ছিমলা চুক্তিত উভয় দেশৰ মাজৰ মতানৈক্যসমূহ দ্বিপাক্ষিক আলোচনাৰ মাধ্যমেৰে দূৰ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। ইয়াৰ লগতে কোনো কথাত দুয়োখন দেশৰ মাজত মতানৈক্যৰ সৃষ্টি হ'লেও একপক্ষীয়ভাৱে নিয়ন্ত্ৰণ ৰেখা (Line of Control) সলনি নকৰাৰ সিদ্ধান্ত লোৱা হৈছিল। দুয়োখন দেশৰ মাজৰ সম্পৰ্কৰ গুৰুত্বপূৰ্ণ পৰিকাঠামো হিচাপে বিবেচিত এই চুক্তিৰ উলংঘনে কাশ্মীৰকে ধৰি বিভিন্ন সমস্যা সমাধানৰ ক্ষেত্ৰত পাকিস্তানৰ দৃষ্টিভংগী সলনি কৰাৰ ইংগিত বহন কৰিছে।

উভয় দেশৰ মাজত কূটনৈতিক আৰু বাণিজ্যিক সম্পৰ্কত যতি পৰাৰ সময়তে ভাৰতে যোৱা ৭ মে'ত দেশৰ বিভিন্ন স্থানত সেনাবাহিনীৰ সতৰ্কতামূলক অনুশীলন চলিব বুলি ঘোষণা কৰে। কিন্তু তাৰ পূৰ্ব নিশা অৰ্থাৎ ৬ মে'ৰ নিশা ভাৰতে পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰত থকা ৯টা সন্ত্ৰাসবাদীৰ ঘাটিত অভিযান চলায়। অপাৰেছন সিন্দূৰ নামেৰে চলোৱা এই অভিযানৰ জৰিয়তে নিয়ন্ত্ৰণ ৰেখাৰ সিপাৰে সন্ত্ৰাসবাদীৰ আন্তঃগাঁথনি ভাঙি পেলোৱাৰ পৰিকল্পনা কৰা হৈছিল। চোৰাংচোৱাৰ তথ্যৰ ভিত্তিত পৰিকল্পিতভাৱে চলোৱা এই অভিযানত অসামৰিক ক্ষতিৰ পৰিমাণ আছিল তেনেই সামান্য। ইয়াৰ প্ৰত্যুত্তৰত পাকিস্তানে ভাৰতৰ গুৰুত্বপূৰ্ণ বিমানঘাটিৰ লগতে ইয়াৰ আনুষংগিক আন্তঃগাঁথনি ধ্বংস কৰাৰ উদ্দেশ্যে ড্ৰোন, ক্ষেপণাস্ত্ৰ আদি নিক্ষেপ কৰিছিল যদিও ভাৰতৰ বায়ু প্ৰতিৰক্ষা ব্যৱস্থাই ইয়াক ফলপ্ৰসূভাৱে নিষ্ক্ৰিয় কৰে। ইপিনে ৮ৰ পৰা ৯ মে'ৰ ভিতৰত ভাৰতে পাকিস্তানৰ প্ৰায় ১১টা সামৰিক ঘাটিত আক্ৰমণ চলায়। ভাৰতৰ সৈতে যুদ্ধসদৃশ পৰিস্থিতিৰ সৃষ্টি হোৱাৰ সমান্তৰালকৈ তালিবানে (তেহৰিক-ই-তালিবান পাকিস্তান) পাকিস্তানৰ ওপৰত চলাই থকা আক্ৰমণ আৰু বেলুচিস্তানৰ বিদ্ৰোহৰ ফলত পাকিস্তান গভীৰ অৰ্থনৈতিক সংকটৰ গৰাহত পৰে।

ভাৰত আৰু পাকিস্তানৰ মাজত সৃষ্টি হোৱা এই জটিল পৰিস্থিতিত ৰাষ্ট্ৰসংঘ আৰু বিশ্বৰ বিভিন্ন দেশে উভয় দেশকে সংযম ৰক্ষা কৰিবলৈ আহ্বান জনায়। বিশ্বৰ বহু দেশে ভাৰতৰ সন্ত্ৰাসবাদ বিৰোধী অভিযানক প্ৰত্যক্ষ বা পৰোক্ষভাৱে সমৰ্থন জনাই আহিছে। তুৰস্ক, আজাৰবাইজানৰ দৰে দুই-এখন দেশেহে পাকিস্তানক মুকলিকৈ সমৰ্থন জনোৱা দেখা গৈছিল।

অপাৰেছন সিন্দূৰে ক্ৰমে তীব্ৰ ৰূপ ধাৰণ কৰাৰ সময়তে ১০ মে'ৰ দিনা ভাৰত চৰকাৰে ঘোষণা কৰাৰ পূৰ্বেই হঠাতে দুয়োখন দেশকে যুদ্ধ বিৰতিৰ বাবে মান্তি কৰোৱা বুলি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ঘোষণা কৰে। কিন্তু পাকিস্তানৰ সামৰিক অভিযানৰ সঞ্চালক প্ৰধানে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই যুদ্ধ বিৰতি ঘোষণা কৰা বুলি ভাৰত চৰকাৰে স্পষ্ট কৰি দিয়ে। এই ঘোষণাৰ কেইঘণ্টামান পাছতে পাকিস্তানে সীমান্তত পুনৰ যুদ্ধ বিৰতি উলংঘা কৰে। ইয়াৰ পাছতে ভাৰতীয় সেনাই ব্ৰহ্মোছ ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰা বুলি সংবাদ মাধ্যমত চৰ্চা হয়।

যি কি নহওক, পৰবৰ্তী সময়ত পৰিস্থিতি স্বাভাৱিক হ'বলৈ ধৰে। ইয়াৰ মাজতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিয়ে কাশ্মীৰ বিষয়ত মধ্যস্থতাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছিল যদিও ভাৰতে এই প্ৰস্তাৱ নাকচ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে স্পষ্ট কৰি দিয়ে যে সন্ত্ৰাসবাদ আৰু আলোচনা একেলগে চলিব নোৱাৰে। সন্ত্ৰাসবাদ আৰু বাণিজ্য একেলগে চলিব নোৱাৰে বুলি স্পষ্ট কৰি দিয়াৰ লগতে পানী আৰু তেজ একেলগে ব'ব নোৱাৰে বুলিও তেওঁ কয়। যুদ্ধ বিৰতি ঘোষণা কৰিলেও পাকিস্তানৰ বিৰুদ্ধে লোৱা অন্যান্য ব্যৱস্থাসমূহ বাহাল থাকিব বুলিও ভাৰতে ঘোষণা কৰে। ইয়াৰ লগতে পৰবৰ্তী সময়ত পাকিস্তানৰ পৰা হোৱা যিকোনো সন্ত্ৰাসবাদী কাৰ্য্যকলাপক যুদ্ধ হিচাপে গণ্য কৰা হ'ব বুলিও ভাৰতে স্পষ্ট কৰি দিয়ে।

আনহাতে হঠাতে যুদ্ধ বিৰতি ঘোষণা কৰাৰ বিষয়ে

বিভিন্ন মতামত সংবাদ মাধ্যমত প্ৰকাশ পাইছে। একাংশৰ মতে পাকিস্তানে পাৰমাণৱিক যুদ্ধৰ ভাবুকি দিয়াৰ পৰিপ্ৰেক্ষিতত আমেৰিকাই যুদ্ধ বিৰতিৰ বাবে হেঁচা দিছিল। আন একাংশৰ মতে ভাৰতৰ ক্ষেপণাস্ত্ৰ আক্ৰমণত পাকিস্তানৰ পাৰমাণৱিক ঘাটিত ক্ষতি হোৱাৰ ফলত তেজস্ক্ৰিয় বিকিৰণৰ আশংকা বৃদ্ধি পোৱাৰ বাবে পাকিস্তানে হঠাতে যুদ্ধ বিৰতিৰ প্ৰস্তাৱ দিছিল।

শেহতীয়াকৈ বেলুচ বিদ্ৰোহীসকলে পাকিস্তানৰ পৰা বেলুচিস্তানৰ স্বাধীনতা ঘোষণা কৰি ৰাষ্ট্ৰসংঘ আৰু বিশ্ববাসীৰ পৰা স্বীকৃতি বিচাৰিছে। বিশেষকৈ ভাৰতৰ পৰা এই ক্ষেত্ৰত বিশেষ সমৰ্থন আশা কৰি ভাৰত চৰকাৰক নতুন দিল্লীত বেলুচ দূতাবাসৰ অনুমতি দিবলৈ আহ্বান জনাইছে। ইয়াৰ লগতে ৰাষ্ট্ৰসংঘক বেলুচিস্তানলৈ শান্তিৰক্ষী বাহিনী প্ৰেৰণ কৰাৰ লগতে পাকিস্তানৰ সেনা বাহিনীক সেই অঞ্চলৰ পৰা আঁতৰি যাবলৈ কয়। ভাৰত-পাকিস্তান সম্পৰ্কৰ জটিল সন্ধিক্ষণত এই ঘোষণাই নিশ্চয়কৈ তাৎপৰ্য্য বহন কৰিছে।

'অপাৰেছন সিন্দূৰ' অভিযানত ভাৰতীয় সেনাৰ ৰণ নৈপুণ্য, সাহসিকতা আৰু থলুৱাভাৱে বিকশাই তোলা আকাশ প্ৰতিৰক্ষা ব্যৱস্থাই সমগ্ৰ বিশ্বৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে। বিশেষকৈ থলুৱাভাৱে নিৰ্মিত অস্ত্ৰ-শস্ত্ৰ আৰু প্ৰযুক্তি সফলতাৰে ব্যৱহাৰ কৰি নিৰ্দিষ্ট আৰু সঠিক লক্ষ্যভেদ সম্ভৱ কৰি তোলাটো এই অভিযানৰ আটাইতকৈ উল্লেখযোগ্য দিশ।

আনহাতে ভাৰত-পাকিস্তানৰ মাজৰ যুদ্ধ বিৰতিক ভাৰত চৰকাৰে সাময়িক বিৰতি বুলিহে অভিহিত কৰিছে। শান্তি ৰক্ষাৰ অৰ্থে সন্ত্ৰাসবাদৰ বিৰুদ্ধে অপাৰেছন সিন্দূৰ অব্যাহত থাকিব বুলি ভাৰতে স্পষ্ট কৰি দিছে। ❖

## পুথি পৰিচয়

# দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা

■ মানসজ্যোতি শৰ্মা




গল্প লিখনেৰে সাহিত্যিক জীৱন আৰম্ভ কৰা মামণি ৰয়ছম গোস্বামী অসমৰ এগৰাকী প্ৰখ্যাত ঔপন্যাসিক। সমসাময়িক বাস্তৱতা অতি উজ্জ্বল ৰূপত ফুটি উঠা তেওঁৰ উপন্যাসৰাজি ভাৰতীয় সাহিত্যৰ অমূল্য সম্পদ। 'মামৰে ধৰা তৰোৱাল', 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা', 'অহিৰণ', 'চেনাবৰ স্ৰোত', 'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা', 'নীলকণ্ঠী ব্ৰজ' আদি তেওঁৰ উল্লেখযোগ্য উপন্যাস। জ্ঞানপীঠ বঁটাৰে সন্মানিত মামণি ৰয়ছম গোস্বামীৰ আটাইকেইখন উপন্যাসৰ ভিতৰত 'মামৰে ধৰা তৰোৱাল', 'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা' আৰু 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' এই তিনিখন উপন্যাস সাহিত্য সমালোচকৰ দৃষ্টিত সৰ্বশ্ৰেষ্ঠ।

সাহিত্য অকাডেমিয়ে 'ক্লাছিক' (classic) মৰ্য্যাদা প্ৰদান কৰা 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখন বিংশ শতিকাৰ এছোৱা সময়ৰ সামাজিক তথা ৰাজনৈতিক অৱস্থাক কেন্দ্ৰ কৰি ৰচিত হৈছে। উপন্যাসৰ কাহিনীভাগ ১৯৪৭ চনত আৰম্ভ হৈ ১৯৮১ চনত সামৰণি পৰা বুলি উল্লেখ আছে। মামণি ৰয়ছম গোস্বামীৰ শৈশৱ তথা যৌৱনৰ এছোৱা কাল অতিবাহিত হৈছিল দক্ষিণ কামৰূপৰ বৈষ্ণৱ সত্ৰত। সেই কালছোৱাৰ অভিজ্ঞতাৰ আধাৰত সত্ৰৰ ৰক্ষণশীল ব্যৱস্থা, ক্ষয়িষ্ণু

সমাজ তথা পৰিবৰ্তিত ৰাজনৈতিক অৱস্থাৰ চিত্ৰণেৰে লেখিকাই এই উপন্যাসখন ৰচনা কৰিছে।

উপন্যাসখনৰ প্ৰকাশ কাল ১৯৮৮ চন। প্ৰকাশ কৰি উলিয়াইছিল গুৱাহাটীৰ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেডে। দক্ষিণ কামৰূপৰ আমৰঙা সত্ৰৰ অধিকাৰ গোসাঁইৰ ঘৰখনক কেন্দ্ৰ কৰিয়েই উপন্যাসখনৰ কাহিনী অংশ আৱৰ্তিত হৈছে। দ্বিতীয় মহাযুদ্ধৰ পাছত আধুনিকতাৰ প্ৰভাৱত ক্ৰমশঃ ভাঙোনমুখী হোৱা সামন্ত প্ৰথা তথা এক ক্ষয়িষ্ণু সমাজৰ গোড়ামিৰ চিত্ৰ অংকিত হৈছে দামোদৰীয়া সত্ৰক কেন্দ্ৰ কৰি এক কাল্পনিক কাহিনীৰ জৰিয়তে।

উপন্যাসখনৰ মুখ্য চৰিত্ৰ হৈছে ইন্দ্ৰনাথ (অধিকাৰ গোসাঁইৰ পুত্ৰ), ডাঙৰ গোসাঁনী (ইন্দ্ৰনাথৰ মাক), গিৰিবালা (ইন্দ্ৰনাথৰ ভনীয়েক), দুৰ্গা (ইন্দ্ৰনাথৰ পেহীয়েক) আৰু সৰু গোসাঁনী (ইন্দ্ৰনাথৰ খুৰীয়েক)। মূলতঃ এই চৰিত্ৰকেইটাক কেন্দ্ৰ কৰিয়েই উপন্যাসৰ কাহিনী আগ বাঢ়িছে। মুখ্য নাৰী চৰিত্ৰকেইটিৰ ভিতৰত একমাত্ৰ ডাঙৰ গোসাঁনীৰ বাহিৰে বাকীকেইগৰাকী কম বয়সতে বিধবা হোৱা মহিলা। সত্ৰৰ ৰক্ষণশীলতাত বিধবা নাৰীৰ নিয়মৰ বান্ধোনে কোঙা কৰি পেলোৱা মৰ্মন্তুদ চিত্ৰ বৰ কৰুণ ৰূপত কাহিনীৰ মাজেৰে বৰ্ণিত হৈছে। এই নাৰী চৰিত্ৰসমূহক চৰিত্ৰসমূহৰ মনস্তত্ত্ব অনুসৰি তিনিটা শ্ৰেণীত বিভক্ত কৰিব পৰা যায়। এটা শ্ৰেণীয়ে সামাজিক পৰম্পৰা তথা নীতি-নিয়ম, সংস্কাৰৰ প্ৰতি অনুগত হৈ যন্ত্ৰণা আৰু শোষণ-নিষ্পেষণ মানি লৈ যন্ত্ৰণাক আমন্ত্ৰণ কৰিছে। ডাঙৰ গোসাঁনী আৰু দুৰ্গা এইবিধ চৰিত্ৰৰ প্ৰতিনিধি। আন এক শ্ৰেণীৰ নাৰী চৰিত্ৰ হৈছে সৰু গোসাঁনীৰ দৰে চৰিত্ৰ। এইবিধ চৰিত্ৰই সমাজৰ শোষণক মনেৰে মানি ল'ব পৰা নাই, অথচ তাৰ প্ৰতিবাদ কৰি ওলাই অহাৰ সাহসকণো গোটাব পৰা নাই। তৃতীয় শ্ৰেণীৰ চৰিত্ৰই বান্ধোনৰ শিকলি ছিঙি আহি দুৰ্বাৰ সাহসৰ পৰিচয় দিছে অথবা সাহসিকতাৰে আত্মহত্যাৰ জৰিয়তে মৃত্যুকো আমন্ত্ৰণ কৰিছে। গিৰিবালা ইয়াৰ প্ৰকৃত উদাহৰণ। বঙৰাৰ লাতু গোসাঁইৰ লগত বিয়া হোৱা গিৰিবালাই কম বয়সতে বিধবা হৈ মাকৰ ঘৰলৈ আহি সমাজে বিধবাৰ বাবে নিৰ্দিষ্ট কৰি থোৱা নীতি-নিয়মৰ মাজত আবদ্ধ হ'লহি। তথাপি তাই সেই নিয়মৰ সীমা ভেদ কৰি মাংস খালে, মাৰ্ক নামৰ চাহাব এজনৰ প্ৰেমত পৰিল। কিন্তু সমাজে তাক সহ্য নকৰি পৰাচিতৰ ব্যৱস্থা কৰিলে। কিন্তু গিৰিবালাই সমাজৰ বিধান নামানি আত্মহত্যাৰে প্ৰতিবাদ কৰিলে। শ শ বছৰীয়া সমাজৰ কুটিল পৰম্পৰাক অবিশ্বাস্যভাৱে ভ্ৰূকুটি কৰি থৈ গ'ল।

ইন্দ্ৰনাথ মুখ্য পুৰুষ চৰিত্ৰ। সামন্ত প্ৰভু অধিকাৰ গোসাঁইৰ পুত্ৰ হৈও তেওঁ প্ৰাচীন সেই পন্থাক সমৰ্থন কৰা নাছিল। বৰং তেওঁ মাটিসমূহ ৰায়তৰ মাজত বিলাই দিয়াৰ কথাহে ভাবিছিল। কিন্তু সমগ্ৰ দেশৰ লগতে দক্ষিণ কামৰূপতো সামন্তীয় ব্যৱস্থাৰ প্ৰতিবাদত গঢ়ি উঠা কমিউনিষ্ট আন্দোলনৰ নেতা-কৰ্মীৰ হাতত ভুল বুজাবুজিৰ ফলত ইন্দ্ৰনাথৰ মৃত্যু হয়। এই মৃত্যুৰে উপন্যাসৰো সামৰণি পৰিছে আৰু ইন্দ্ৰনাথৰ ত্যাগেৰে যেন পুৰণি ক্ষয়িষ্ণু ব্যৱস্থা এটাৰো মৃত্যু ঘটিছে।

'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখনত চৰিত্ৰবোৰৰ কথোপকথনত লেখিকাই দক্ষিণ কামৰূপত প্ৰচলিত স্থানীয় ভাষাৰ ব্যৱহাৰ কৰিছে। উপন্যাসৰ ৰচনাৰ সময়ত স্থানীয় উপভাষাৰ প্ৰয়োগ জনপ্ৰিয় নাছিল যদিও, চৰিত্ৰৰ বাস্তৱিক ৰূপ আৰু সঠিক মানসিক অৱস্থাৰ চিত্ৰণৰ ক্ষেত্ৰত ই সহায়ক হৈছে। বৰ্তমান সময়ত অৱশ্যে সাহিত্যত ঔপভাষিক ৰূপৰ ব্যৱহাৰ বহুলভাৱে হোৱা দেখা যায়।

উপন্যাসখনৰ নামটোৱেই বৰ অৰ্থবহ। পুৰুষতান্ত্ৰিকতাৰ অৱদমনৰ আৰু সামন্তীয় প্ৰথাৰ পতনোন্মুখ অৱস্থা এটা যেন 'উঁয়ে খোৱা হাওদা'ই আমাৰ আগত উদঙাই দিয়ে। সামন্তীয় গৌৰৱৰ প্ৰতীক হাওদাখন উঁয়ে খোৱা, ক্ৰমশঃ ক্ষয় হৈ অহা। এই উপন্যাসখনৰ আধাৰতেই ১৯৯৬ চনত সান্ত্বনা বৰদলৈয়ে 'অদাহ্য' নামৰ এখন চলচ্চিত্ৰ নিৰ্মাণ কৰি উলিয়ায়, যিখনে দেশ-বিদেশৰ নানা বঁটা লাভ কৰিবলৈ সক্ষম হয়। ড° হীৰেন গোহাঁইৰ ভাষাৰেই ক'ব পাৰি—"নিষ্ঠুৰতা আৰু অন্যায় সবল ৰূপত ফুটি উঠা এই উপন্যাসখন মানুহৰ জীৱনত প্ৰেমৰো যে প্ৰয়োজন তাৰ এক প্ৰামাণ্য দলিল।" ❖

*(হাওদা : বহিবৰ বাবে হাতীৰ গাদীৰ ওপৰত বান্ধি লোৱা কাঠৰ আসন)*

# ইউনিক'ড—কি, কিয়, কেনেকৈ ?

■ অভিজিত শৰ্মা বৰুৱা

ইউনিক'ড (unicode) হ'ল মূলতঃ বিভিন্ন ভাষাৰ আখৰ আৰু প্ৰতীকসমূহক এক নিৰ্দিষ্ট সংখ্যাসূচক মানৰ দ্বাৰা প্ৰকাশ কৰা এক আন্তৰ্জাতিক ষ্টেণ্ডাৰ্ড এনক'ডিং (encoding—কম্পিউটাৰসমূহে বুজিব পৰা বিশেষ ৰূপ বা ক'ডলৈ পৰিবৰ্তন) ব্যৱস্থা। ইউনিক'ডৰ সম্পূৰ্ণ নাম হ'ল 'দ্য ইউনিক'ড ষ্টেণ্ডাৰ্ড' (The unicode standard)। ইউনিক'ডে প্ৰতিটো ভাষাৰ (যেনে—ইংৰাজী, হিন্দী, চীনা, আৰবী, অসমীয়া আদি) আখৰ আৰু প্ৰতীকৰ বাবে এটা অনন্য 'ক'ড পইণ্ট' (code point) বা সংখ্যা নিৰ্ধাৰণ কৰে। এই ক'ড পইণ্ট ব্যৱহাৰ কৰি কম্পিউটাৰসমূহে (এতিয়া আধুনিক ম'বাইল ফোনসমূহেও) ৱেব পেজ (web page), ছফটৱেৰ এপ্লিকেছন আৰু অন্যান্য ডিজিটেল ব্যৱস্থাত বিভিন্ন ভাষাৰ পাঠ্য (text) সঠিকভাৱে ক'ডিং কৰিব পাৰে আৰু পাছত ডিক'ডিং (decoding) কৰি পুনৰ আগৰ ৰূপলৈ লৈ যাবও পাৰে। ই এক বিশ্বজনীন ব্যৱস্থা, কাৰণ ইউনিক'ডে বিশ্বৰ প্ৰায় সকলো ভাষাৰ আখৰ আৰু প্ৰতীকক বুজাব পাৰে। এই ব্যৱস্থা প্ৰায়বোৰ আধুনিক কম্পিউটাৰ প্ৰ'গ্ৰেম, অপাৰেটিং ছিষ্টেম আৰু ৱেব ব্ৰাউজাৰে (web browser) সমৰ্থন কৰে আৰু গ্ৰহণ কৰে। উদাহৰণস্বৰূপে, ইউনিক'ডে অসমীয়া ভাষাৰ প্ৰতিটো আখৰ (যেনে—ক, খ, গ), সংখ্যা (যেনে—১, ২, ৩) আৰু অন্যান্য প্ৰতীকক (যেনে—প্ৰশ্নবোধক চিন, ভাববোধক চিন, বিশেষ আখৰ আদি) এক নিৰ্দিষ্ট ক'ড পইণ্টৰ মাধ্যমেৰে প্ৰকাশ কৰে। ফলত অসমীয়া ভাষাৰ পাঠ্য কম্পিউটাৰ বা আন ডিজিটেল সঁজুলিলৈ প্ৰেৰণ কৰি তাত সঠিকভাৱে প্ৰদৰ্শন কৰিব পৰা যায়।

**ইউনিক'ডৰ আগতে**

ইউনিক'ডৰ আগতেও বিভিন্ন ভাষাৰ আখৰ আৰু চিনসমূহ এনক'ডিঙৰ বাবে বেলেগ পদ্ধতি বা ছফটৱেৰ ব্যৱহৃত হৈ আহিছিল। কিন্তু সেইবোৰে সকলো ধৰণৰ কম্পিউটাৰ আৰু ৱেব পেজত কাম কৰা নাছিল। এই এনক'ডিং পদ্ধতিবোৰৰ ক্ষেত্ৰত বহুতো সমস্যা আছিল। এটা কম্পিউটাৰত এক পদ্ধতিয়ে হয়তো সুন্দৰভাৱে এক পাঠ্য তৈয়াৰ কৰি দিলে, কিন্তু আন এটা কম্পিউটাৰত সেইটো 'জাবৰ (garbage) প্ৰতীক' হিচাপেহে চিহ্নিত হ'ল। সেইবাবে প্ৰায়বোৰ কম্পিউটাৰ আৰু ৱেব পেজে গ্ৰহণ কৰিব পৰা এক ক'ডিং পদ্ধতিৰ বিকাশ ঘটোৱাটো বৰ প্ৰয়োজনীয় হৈ পৰিছিল। তাৰ পাছত যেতিয়া ইউনিক'ড এনক'ডিং পদ্ধতি ব্যৱহাৰ হ'বলৈ আৰম্ভ কৰিলে, তেতিয়া দেখা গ'ল যে প্ৰায় সকলো প্ৰকাৰৰ কম্পিউটাৰ আৰু ৱেব পেজত এই পদ্ধতিয়ে সুন্দৰভাৱে কাম কৰে। ছফটৱেৰৰ বিকাশৰ ক্ষেত্ৰত সাম্প্ৰতিকভাৱে যিবোৰ কাম-কাজ চলি আছে, তাতো ইউনিক'ডে প্ৰয়োজনীয় সহায়-সমৰ্থন আগ বঢ়ায়, যাতে দুয়ো পক্ষ লাভান্বিত হ'ব পাৰে।

**ইউনিক'ডৰ আৰম্ভণি**

ইউনিক'ডৰ প্ৰথম অৱস্থাৰ বিষয়ে জানিবলৈ ১৯৮০ৰ দশকলৈ ঘূৰি যাব লাগিব। ১৯৮৭ চনত জেৰক্স (Xerox) কোম্পানীত চাকৰি কৰি থকা জো বেকাৰ (Joe Becker) নামৰ এজন প্ৰতিভাশালী লোকে এপল (Apple) কোম্পানীত কৰ্মৰত লী কলিন্স (Lee Collins) আৰু মাৰ্ক ডেভিছৰ (Mark Davis) লগত লগ লাগি এক 'বিশ্বজনীন প্ৰতীক সংহতি' (universal

character set) সৃষ্টি কৰিবলৈ আৰম্ভ কৰিলে। তাৰ পাছত পিটাৰ ফেনউইক (Peter Fenwick) আৰু ডেভ অপষ্টাদ (Dev Opstad) নামৰ আন দুজন লোকৰ সহায় লৈ বেকাৰে ১৯৮৮ চনৰ আগষ্ট মাহত 'আন্তৰ্জাতিক/বহুভাষীয় পাঠ্য প্ৰতীক' (international / multilingual text character) এনক'ডিং পদ্ধতিৰ বাবে এক খচৰা প্ৰস্তাৱ প্ৰস্তুত কৰিলে। এই প্ৰস্তাৱটোৱে এক 'ইউনিক' (unique), 'ইউনিফাইড' (unified) আৰু 'ইউনিভাৰ্ছেল' (universal) এনক'ডিং ব্যৱস্থাক বুজাইছিল বাবে তেতিয়াই এই ব্যৱস্থাক 'ইউনিক'ড' নামেৰে নামকৰণ কৰা হ'ল। 'ইউনিক'ড ৮৮' নামৰ এই প্ৰস্তাৱত বেকাৰে ১৬ বিটৰ প্ৰতীকসমূহ লৈ প্ৰস্তুত কৰা এক আঁচনিৰ কথাও ক'লে।

বেকাৰে তেতিয়া অৱশ্যে কৈছিল যে কেৱল আধুনিক ভাষাসমূহৰ লিপি আৰু প্ৰতীকৰ ক্ষেত্ৰতহে এই এনক'ডিং ব্যৱস্থা প্ৰয়োগ কৰিব পৰা যাব। তেওঁলোকৰ সৰু দলটোক কোৱা হৈছিল 'ইউনিক'ড ৱৰ্কিং গ্ৰুপ' (unicode working group)। ১৯৮৯ চনত আৰু দুজনমানে এই গ্ৰুপত যোগদান দিলে। তেওঁলোক আছিল মেটাফ'ৰ (Metaphor) প্ৰতিষ্ঠানৰ কেন হুইষ্টলাৰ (Ken Whistler) আৰু মাইক কেৰনাঘান (Mike Kernaghan) আৰু 'ৰিছাৰ্চ লাইব্ৰেৰীজ গ্ৰুপ'ৰ কাৰেন স্মিথ ইয়ছিমুৰা (Karen Smith Yoshimura) আৰু জোৱান আলিপ্ৰাণ্ড (Joan Aliprand)। ১৯৯০ চনত 'মাইক্ৰ'ছফট'ৰ মাইকেল ছুইগনাৰ্ড (Michel Suignard), আৰু আছমুছ ফ্ৰেইটাগ (Asmus Freytag), আৰু 'নেক্সট'ৰ ৰিক মেকগোৱানে (Rick McGowan) এই গ্ৰুপত যোগ দিলে। ১৯৯০ চনৰ শেষৰ ফালে ইউনিক'ডৰ 'ফাইনেল ৰিভিউ ড্ৰাফট' সম্পূৰ্ণ হৈ উঠিল।

**ইউনিক'ড কনছৰ্টিয়াম**

১৯৯১ চনৰ ৩ জানুৱাৰীত কেলিফ'ৰ্ণিয়াত ইউনিক'ড কনছৰ্টিয়াম (consortium) গঠন হ'ল। ইউনিক'ড ষ্টেণ্ডাৰ্ডৰ প্ৰথম সংস্কৰণ ১৯৯১ চনৰ অক্টোবৰত প্ৰকাশ হ'ল। ১৯৯২ চনৰ জুনত দ্বিতীয় সংস্কৰণ প্ৰকাশ হ'ল। ১৯৯৬ চনত 'ছাৰ'গেট কেৰেক্টাৰ মেকানিজম' (surrogate character mechanism) নামৰ এক নতুন পদ্ধতিৰ বিকাশ হ'ল আৰু ফলত ইউনিক'ড ১৬ বিটতে আবদ্ধ হৈ নাথাকিল। এই পদ্ধতিয়ে ইউনিক'ডৰ ক'ড পৰিসৰ এক নিযুততকৈও বেছি ক'ড পইণ্টলৈ বৃদ্ধি কৰিলে। ইয়াৰ ফলত পুৰণি ঐতিহাসিক স্ক্ৰিপ্ট কিছুমানো ইয়াত অন্তৰ্ভুক্ত কৰিব পৰা গ'ল। আনকি বিৰল ব্যৱহাৰ থকা এনে কিছুমান প্ৰতীকৰো ক'ডিং কৰিব পৰা গ'ল, যি কথা কিছু বছৰ আগলৈকে মানুহে কল্পনাও কৰিব পৰা নাছিল।

ইউনিক'ড কনছৰ্টিয়াম হ'ল এক 'অলাভজনক' (non-profit) সংস্থা। এতিয়া 'পাঠ্য প্ৰচেছিং' (text processing) ষ্টেণ্ডাৰ্ডৰ প্ৰতি আগ্ৰহ থকা কোম্পানীসমূহেও ইয়াত অংশগ্ৰহণ কৰিছে। তাৰ ভিতৰত আছে—এপল, এড'ব, গুগল, আইবিএম, মেটা (আগতে ফেচবুক বুলি জনাজাত) মাইক্ৰ'ছফট, নেটফ্লিক্স আৰু ছেপ। আনকি কিছুমান দেশৰ চৰকাৰী সংস্থাও ইয়াৰ সদস্য।

ইউনিক'ড কনছৰ্টিয়ামে বিশ্বৰ সকলো লেখন পদ্ধতিক ডিজিটাইজ (digitize) কৰাত সহায় কৰিবলৈ এনক'ডিং পদ্ধতিৰ সৃষ্টি কৰিছে। এই ষ্টেণ্ডাৰ্ডৰ নতুন সংস্কৰণে ১৬৮টা ভাষাৰ লিপিৰ ১,৫৪,৯৯৮টা আখৰ আৰু প্ৰতীকক সঠিকভাৱে বুজাব বা বৰ্ণনা কৰিব পাৰে।

**ইউনিক'ডৰ বিশেষত্ব**

ইউনিক'ডে ইম'জিও (emoji) সৃষ্টি কৰিব পাৰে। ইউনিক'ডত বৰ্তমান প্ৰায় ৩৭৯০ সংখ্যক ইম'জি উপলব্ধ, পাছে এই সংখ্যা ইউনিক'ড কনছৰ্টিয়ামে বৃদ্ধি কৰি আহিছে। এই ইম'জিসমূহেও ইউনিক'ডৰ জনপ্ৰিয়তা ক্ৰমে বঢ়াই তুলিছে। সকলোকে ধৰি ইউনিক'ডে এতিয়ালৈকে ১.১ নিযুত চিহ্নক এনক'ডিং কৰিব পাৰে। কিছুমান লেখন পদ্ধতিত সংখ্যা, যতি চিহ্ন আৰু আন চিহ্নসমূহ একে ধৰণৰ। ইউনিক'ডে সেইবোৰ লেখন পদ্ধতিৰ ক্ষেত্ৰত একেই প্ৰতীক ব্যৱহাৰ কৰে।

বিকাশক আৰু ডিজাইনাৰসকলৰ সুবিধাৰ বাবে ইউনিক'ডে বিভিন্ন তালিকা আৰু প্ৰাসংগিক তথ্যৰ যোগান ধৰে। ইউনিক'ডৰ এনে ধৰণৰ কামে আনসকলক সহায়তো কৰেই, লগতে ইউনিক'ডৰ প্ৰচাৰ

আৰু প্ৰসাৰৰ ক্ষেত্ৰতো এইবোৰ পদক্ষেপে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

ইউনিক'ড ব্যৱস্থাত বিভিন্ন এনক'ডিং পদ্ধতিৰ ভিতৰত এটা উপযুক্ত পদ্ধতি ব্যৱহাৰ কৰি ইউনিক'ডৰ পাঠ্যবোৰ দ্বৈত সংখ্যা পদ্ধতিলৈ (binary system) প্ৰচেছ বা সংসাধন কৰা হয় আৰু সেই হিচাপতে সেইবোৰ সংৰক্ষিত হৈ থাকে। তাৰ পাছত প্ৰয়োজনমতে সেইবোৰৰ পাঠোদ্ধাৰ কৰিব পাৰি। ইউনিক'ড ষ্টেণ্ডাৰ্ডৰ নিজৰে UTF-8, UTF-16 আৰু UTF-32 নামেৰে তিনিটা এনক'ডিং পদ্ধতি আছে। তাৰো ভিতৰত UTF-8 পদ্ধতিটো বেছিকৈ ব্যৱহৃত হয়।

**ইউনিক'ডে সৃষ্টি কৰা যুগান্তৰ**

২০২৪ৰ হিচাপমতে বিশ্বৰ ১৬৮টা ভাষাৰ কথাসমূহ ইউনিক'ডে এনক'ডিং কৰিব পাৰে আৰু সেইবোৰ আন কম্পিউটাৰলৈ প্ৰেৰণ কৰি তাৰ পাঠোদ্ধাৰ কৰিবও পাৰি। আধুনিক ম'বাইল ফোনসমূহতো এই ব্যৱস্থা উপলব্ধ। সেইবাবেই আমি এতিয়া আমাৰ লেপটপ বা ম'বাইল ফোনত অসমীয়া ভাষাত কিবা লিখি সুদূৰৰ কোনো কম্পিউটাৰ বা ম'বাইল ফোনলৈ পঠিয়াব পৰা হৈছোঁ। সেইবোৰ কম্পিউটাৰ বা ম'বাইল ফোনেও আগৰ দৰে 'হা ! কি বস্তু এইটো !' বুলি চাই নাথাকি পটকৈ তাৰ পাঠোদ্ধাৰ কৰিব পাৰে। অৱশ্যে এতিয়াও ইউনিক'ডত অন্তৰ্ভুক্ত নোহোৱা ভাষাও আছে। সেইবোৰ ইউনিক'ড কনছৰ্টিয়ামে তেওঁলোকৰ 'অপেক্ষা তালিকা'ত ৰাখিছে আৰু সেইবোৰৰ এনক'ডিঙৰ কাম চলি আছে। কিছুদিনৰ ভিতৰত সেইবোৰো ইউনিক'ড ব্যৱস্থাৰ ভিতৰত সোমাব।

অসমীয়া ভাষা যে এতিয়া ইউনিক'ডৰ অন্তৰ্ভুক্ত, সেয়া বোধকৰোঁ নক'লেও চলে। ইউনিক'ড কনছৰ্টিয়ামে প্ৰথমতে অসমীয়া লিপিকো বাংলা ভাষাৰ লিপিৰ ভিতৰুৱা বুলি ভাবিছিল আৰু এই লিপিক 'বাংলা-অসমীয়া' লিপিৰ ভিতৰত ৰাখিছিল। এই কথাই আমাক এসময়ত এচাম লোকে অসমীয়া ভাষাক বাংলা ভাষাৰ অপভ্ৰংশ বুলি অসমৰ বৃটিছ শাসকক বুজাই অসমত বাংলা ভাষাৰ প্ৰচলন কৰাৰ কথা মনত পেলাই দিয়ে। এতিয়া অৱশ্যে সেই দিন নাই আৰু সেই বাবে অসমীয়া ভাষাই ইউনিক'ডত স্বকীয় পৰিচয় লাভ কৰিছে।

**শেষত কিছু কথা**

ইউনিক'ড কনছৰ্টিয়ামে প্ৰতি বছৰে ইউনিক'ডৰ নতুন সংস্কৰণ উলিয়াই এই পদ্ধতিক দিনকদিনে উন্নত কৰি আছে। বৰ্তমান ইউনিক'ডৰ ১৬.০ সংস্কৰণ চলি আছে। ই আগৰ ১৫.১ সংস্কৰণতকৈ সাতটা অধিক ভাষাৰ লিপি সামৰি লৈছে। ইউনিক'ডৰ প্ৰথম সংস্কৰণ মুকলি কৰা হৈছিল ১৯৯১ চনৰ অক্টোবৰত।

২০২৫ চনৰ ছেপ্টেম্বৰত ইউনিক'ডৰ আন এটা সংস্কৰণ প্ৰকাশ পাব। ❖




# কণিকাৰ ৰামধেনু

■ জিতেন গোস্বামী

অসমীয়া চলচ্চিত্ৰৰ সোণালী যুগ সৃষ্টিত অৰিহণা আগ বঢ়োৱা চলচ্চিত্ৰ নিৰ্মাতাসকলৰ ভিতৰত বিশেষকৈ শিশুৰ মনস্তত্ত্বক বিষয়বস্তু হিচাপে লৈ অভিনৱত্ব অনাৰ ক্ষেত্ৰত জাহ্নু বৰুৱাৰ নাম উল্লেখনীয়। তৰা, পখী, সাগৰলৈ বহুদূৰ, হালধীয়া চৰায়ে বাওধান খায়, কণিকাৰ ৰামধেনু আদি চলচ্চিত্ৰ এই ক্ষেত্ৰত প্ৰণিধানযোগ্য।

কণিকাৰ ৰামধেনু অসমীয়া চলচ্চিত্ৰ জগতত এক সাৰ্থক সংযোজন। অনাহূত পৰিস্থিতিত পৰি কুকৈ নামৰ এঘাৰ বছৰীয়া শিশু এটাই হত্যাকাণ্ড সংঘটিত কৰি শিশুগৃহত থাকিব লগা হোৱাৰ সময়ত সন্মুখীন হোৱা ভিন্ন পৰিস্থিতিৰ বৰ্ণনা আৰু অৱশেষত বিশ্ব বড়ো নামৰ বয়সীয়া কৰ্মচাৰী এজনৰ আশ্ৰয় লাভ কৰাৰ কাহিনীটো চলচ্চিত্ৰখনত জীৱন্ত ৰূপত উপস্থাপন কৰা হৈছে।

মদাহী দেউতাক আৰু মাহীমাকৰ অত্যাচাৰে কুকৈ



হত্যাকাণ্ডটোৰ কথা বিশ্ব বড়োক অৱগত কৰিছে।

শিশুৰ মন কল্পনাপ্ৰৱণ, অনুভূতিপ্ৰৱণ। কল্পনাপিয়াসী মনেৰে সেয়ে কুকৈয়ে বিশ্ব বড়োৰ আগত কৈ যায় তাৰ চহকী মাক-দেউতাকৰ কথা, পৰ্বতৰ দাঁতিয়েদি বৈ যোৱা সিহঁতৰ গাঁৱৰ নৈখনৰ কথা, তাতকৈ এবছৰ সৰু মেঘালী নামৰ ভাল লগা ছোৱালীজনীৰ কথা, মৰমেৰে ওপচাই দিয়া হেডমাষ্টৰৰ কথা, জোনাকী বাইদেউৰ শ্ৰেণীত বেঞ্চত থিয় হোৱা জীৱন নামৰ বন্ধুটোৰ কথা, সিহঁতৰ তিনি মহলীয়া স্কুলখনৰ কথা। কিন্তু ভুলতো সি ঠাইখনৰ নাম নকয়। কুকৈয়ে কাম কৰা গেৰেজটোৰ পৰা সংগ্ৰহ কৰা কিতাপ দুখনৰ পৰা বিদ্যালয়খনৰ নামটো বিশ্ব বড়োৱে বিচাৰি উলিয়ায়। তাতে তেওঁ দেখে কুকৈয়ে কোৱা তিনি মহলীয়া স্কুলখনৰ সলনি উৰলি যোৱা অপ্ৰাদেশীকৃত স্কুলঘৰটো, মাচুল দিব নোৱৰা বাবে কুকৈক হেডমাষ্টৰে গালি দিয়াৰ কাহিনী, জোনাকী বাইদেউৰ শ্ৰেণীত সাগৰৰ কথা ভাবি বেঞ্চত থিয় দিয়া জীৱনৰ পৰিবৰ্তে কুকৈৰ কথা। দেখেগৈ কুকৈৰ ভাল লগা তাতকৈ এবছৰ সৰু মেঘালীৰ সলনি কলেজীয়া বায়েক মেঘালী, আৰু চহকী, মৰমিয়াল মাক-বাপেকৰ সলনি মদাহী, নিৰ্দয় সতীয়া এহাল মাক-দেউতাক।

ছবিখনৰ শেষত শিশুগৃহৰ অনিয়ম আৰু অনৈতিক কাৰ্য্যকলাপত অতিষ্ঠ হৈ ৱাৰ্ডেন বিশ্ব বড়োৱে চাকৰি বাদ দি কুকৈক  লগত লৈ নিজৰ ঘৰলৈ ঘূৰি গৈছে।

২০০২ চনত মুক্তি পোৱা এই ছবিখনে আঞ্চলিক ভাষাৰ শ্ৰেষ্ঠ বঁটা পোৱাৰ লগতে দিল্লীৰ আইএফএফআইৰ পেনোৰমা আৰু মুম্বাই আন্তঃৰাষ্ট্ৰীয় উৎসৱতো প্ৰদৰ্শিত হৈছে। বিশ্ব বড়োৰ চৰিত্ৰত বিষ্ণু খাৰঘৰীয়া আৰু কুকৈৰ চৰিত্ৰত ৰণিকৰ অভিনয়ে দৰ্শকক মুগ্ধ কৰিছে। ❖


নামৰ এঘাৰ বছৰীয়া শিশুটোৰ জীৱনলৈ নমাই অনা বিশৃংখল পৰিস্থিতিৰ বাবে ল'ৰাটোৱে স্কুলীয়া শিক্ষা আধৰুৱা কৰি ৰেলত উঠি গুৱাহাটী পাইছেহি আৰু এটা গাড়ীৰ গেৰেজত কাম কৰিবলৈ লৈছে। গেৰেজৰ মালিকৰ অমানৱীয় শাৰীৰিক নিৰ্য্যাতনত অতিষ্ঠ হৈ কুকৈয়ে তেওঁক লোহাৰ ৰড এডালেৰে মৰিয়াই হত্যা কৰাৰ ফলত সি শিশুগৃহত দিন কটাবলগীয়া হয়।

চলচ্চিত্ৰখন নিৰ্মাণ কৰাৰ পূৰ্বে জাহ্নু বৰুৱাই নিজে বাৰটাকৈ শিশুগৃহ পৰিদৰ্শন কৰিছিল। এই চাক্ষুষ অভিজ্ঞতাৰ প্ৰতিফলন কণিকাৰ ৰামধেনু ছবিখনত দেখা যায়। শিশুগৃহবোৰত সাধাৰণতে ঘটা অনিয়ম, দুৰ্নীতি, শাৰীৰিক শোষণ, নিৰ্য্যাতনকে ধৰি বিভিন্ন দিশ চিনেমাখনত পোহৰলৈ অনা হৈছে।

ছবিখনৰ মুখ্য চৰিত্ৰ কুকৈ অন্তৰ্মুখী। সি হত্যাকাণ্ডটো সংঘটিত কৰাৰ কাৰণ কোনেও তাৰ মুখৰ পৰা উলিয়াব পৰা নাছিল। তেনে সময়তে সি শিশুগৃহৰ ৱাৰ্ডেন বিশ্ব বড়োৰ সান্নিধ্যলৈ আহে।

জাহ্নু বৰুৱাই তেওঁৰ চিনেমাত ককা আৰু নাতিৰ এক আত্মিক বান্ধোন দেখুৱাবলৈ প্ৰয়াস কৰে। পখী, সাগৰলৈ বহুদূৰ আৰু কণিকাৰ ৰামধেনু—এই তিনিখন ছবি ককা ত্ৰিলজিৰ অন্তৰ্গত। কণিকাৰ ৰামধেনুত তেজৰ সম্পৰ্ক নথকা ৱাৰ্ডেন বিশ্ব বড়ো আৰু কুকৈৰ মাজত জাহ্নু বৰুৱাই ককাক আৰু নাতিয়েকৰ মাজত আত্মিক সম্পৰ্ক স্থাপন কৰি দেখুৱাইছে। সেইবাবে কুকৈয়ে

## কাৰ্ডিনেল ৰবাৰ্ট প্ৰেভষ্ট নতুন পোপ নিৰ্বাচিত



যোৱা ৮ মে' তাৰিখে আমেৰিকা যুক্তৰাষ্ট্ৰৰ কাৰ্ডিনেল ৰবাৰ্ট প্ৰেভষ্টক (Cardinal Robert Prevost) নতুন পোপ (Pope) হিচাপে আনুষ্ঠানিকভাৱে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হয়। ৬৯ বছৰীয়া ৰবাৰ্ট প্ৰেভষ্ট হৈছে পোপ পদত অধিষ্ঠিত প্ৰথমগৰাকী মাৰ্কিন যুক্তৰাষ্ট্ৰৰ নাগৰিক। ১৩৩ জন কাৰ্ডিনেলে ভোটৰ জৰিয়তে বাছনি কৰা ৰবাৰ্ট প্ৰেভষ্ট 'পোপ লিও চতুৰ্দশ' হিচাপে পৰিচিত হ'ব। পোপ ফ্ৰান্সিছৰ (Pope Francis) দেহাৱসানৰ পাছত পৰম্পৰা অনুসৰি ৰোমৰ এক অন্যতম গীৰ্জা চিষ্টিন চেপেলৰ (Sistine Chapel) চিমনিয়েদি বগা ধোঁৱা নিগৰিত হোৱাৰ লগে লগে ৰবাৰ্ট প্ৰেভষ্ট পোপ হিচাপে নিৰ্বাচিত হোৱাৰ কথা ঘোষণা কৰা হয়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ চিকাগো চহৰত জন্মলাভ কৰা তথা মিছনেৰী হিচাপে জীৱনৰ সৰ্বাধিক সময় পেৰুত কটোৱা প্ৰেভষ্ট হৈছে খৃষ্টান ধৰ্মৰ ২৬৭ সংখ্যক ধৰ্মগুৰু। ২০২৩ চনত কাৰ্ডিনেল হিচাপে নিৰ্বাচিত হোৱা নতুন পোপ লিও চতুৰ্দশে বিশ্বৰ প্ৰায় ২৫০ কোটি লোকক ধৰ্মীয় নেতৃত্ব প্ৰদান কৰিব।

## বিশিষ্ট কবি মোছাব আবু তোহালৈ পুলিৎঝাৰ বঁটা



পেলেষ্টাইনী জনপ্ৰিয় কবি মোছাব আবু তোহাই (Mosab Abu Toha) ২০২৫ বৰ্ষৰ পুলিৎঝাৰ (Pulitzar) বঁটা লাভ কৰিবলৈ সক্ষম হয়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ 'দা নিউ য়াৰ্কাৰ' (The New Yorker) নামৰ বহুল প্ৰচাৰিত আলোচনীখনত গাজা ষ্ট্ৰীপৰ যুদ্ধক লৈ লিখা হৃদয়স্পৰ্শী লেখাৰ বাবে 'ভাষ্য শিতান'ত কবি মোছাব আবু তোহালে এই বঁটা লাভ কৰিবলৈ সমৰ্থ হয়। ২০২৩ বৰ্ষত ইজৰাইলী সেনাৰ হাতত আটক হোৱা কবি তথা বিশিষ্ট নিবন্ধকাৰ আবু তোহাক ইজিপ্তৰ ওচৰত অৰ্পণ কৰাৰ পাছত তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰত আশ্ৰয় লয়। ১৯৯২ চনৰ নৱেম্বৰ মাহত জন্মলাভ কৰা বিশিষ্ট নিবন্ধকাৰ আবু তোহাই এই বৰ্ষতে নৰৱেৰ 'ফ্ৰিডম অৱ এক্সপ্ৰেছন বঁটা' (Freedom of Expression Prize) লাভ কৰিবলৈ সক্ষম হৈছিল। যুদ্ধ, ড্ৰাগছ আদি বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সমস্যা তথা তথ্য সাহসেৰে সংগ্ৰহ তথা প্ৰকাশ কৰা বাবে ৰয়টাৰ (Reuter) সংবাদ প্ৰতিষ্ঠানটোৱে এই বঁটা লাভ কৰাৰ বিপৰীতে নিউ য়ৰ্ক টাইমছে (New York Times) শ্ৰেষ্ঠ বাতৰি কাকতৰ বঁটা লাভ কৰে। ১৯১৭ চনত আৰম্ভ কৰা এই আন্তঃৰাষ্ট্ৰীয় পুলিৎঝাৰ বঁটা নিউয়ৰ্ক টাইমছ কাকতখনে সৰ্বাধিকবাৰ লাভ কৰিছে।

## বানু মুস্তাকৰ 'হাৰ্ট লেম্প'লৈ বুকাৰ পুৰস্কাৰ




যোৱা ২১ মে' তাৰিখে বানু মুস্তাকৰ (Banu Mushtaq) কানাড়া ভাষাৰ গল্পপুথি 'হাৰ্ট লেম্পে' (Heart Lamp) ২০২৫ বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় বুকাৰ (Booker) পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। পুৰস্কাৰপ্ৰাপ্ত বানুৰ এই গল্প সংকলনখন ইংৰাজীলৈ অনুবাদ কৰিছিল দীপা ভাস্তিয়ে। নাৰীৰ দুখ-বেদনা, অন্তৰ্দ্বন্দ্ব, জীৱন সংগ্ৰাম আদিৰ কাহিনী হৈছে গল্প সংকলনখনৰ মূল উপজীব্য। ১৯৪৮ চনৰ ৩ এপ্ৰিলত হাচানত জন্মগ্ৰহণ কৰা লেখিকা বানু মুস্তাক পেছাত এগৰাকী আইনজীৱী। লেখিকা বানু হৈছে এই আন্তঃৰাষ্ট্ৰীয় বঁটা লাভ কৰা কানাড়া ভাষাৰ প্ৰথমগৰাকী সাহিত্যিক। ১৯৯০ চনৰ পৰা ২০২৪ চনলৈ ৰচিত বানুৰ অসংখ্য জনপ্ৰিয় গল্পত দক্ষিণ ভাৰতৰ মুছলমান মহিলাৰ দাৰিদ্ৰ্য আৰু জীৱন সংগ্ৰামৰ জীৱন্ত কাহিনী প্ৰতিফলিত হৈ আহিছে।

## ড° উপাসনা মহন্ত কেম্ব্ৰিজ এডভাইছৰী কাউন্সিলৰ সদস্য মনোনীত



যোৱা ১৪ মে’ তাৰিখে কেম্ব্ৰিজ ইণ্টাৰনেছনেল ষ্ট্ৰেটেজিক হায়াৰ এডুকেছন এডভাইছৰী কাউন্সিলৰ (Cambridge International Strategic Higher Education Advisory Council) সদস্যৰূপে মনোনীত হৈ শিৱসাগৰৰ জীয়াৰী ড° উপাসনা মহন্তই ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সমৰ্থ হৈছে। মাতৃভাষা মাধ্যমৰ বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি দিল্লী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা ড° মহন্ত হৈছে এই সন্মান লাভ কৰা দেশৰ প্ৰথমগৰাকী শিক্ষাসেৱী। বৃটিছ কলম্বিয়া (British Colombia) বিশ্ববিদ্যালয়ৰ ৰিছাৰ্চ ফেল’ হিচাপেও কৰ্মৰত ড° মহন্তই বিশ্বৰ আগশাৰীৰ শিক্ষানুষ্ঠানত নামভৰ্তি তথা শৈক্ষিক দিশ সন্দৰ্ভত সেৱা আগ বঢ়াই আহিছে। দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ পৰা পিএইচডি ডিগ্ৰী লাভ কৰা ড° মহন্ত শিৱসাগৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰয়াত শৰৎ মহন্ত আৰু মীনা মহন্তৰ কন্যা। ড° মহন্ত সম্প্ৰতি দিল্লীত অ’পি জিন্দাল গ্ল’বেল বিশ্ববিদ্যালয়ৰ (O P Jindal Global University) ডীন তথা প্ৰাধ্যাপক হিচাপে কৰ্মৰত।

## ড° বিভূতি লহকৰলৈ মাৰ্ক ছ্যাণ্ড কনজাৰভেছন বঁটা

অসমৰ আন্তৰ্জাতিক খ্যাতিসম্পন্ন পৰিবেশ সুৰক্ষা কৰ্মী ড° বিভূতি লহকৰে ইংলণ্ডৰ মাৰ্ক ছ্যাণ্ড কনজাৰভেছন



বঁটা (Mark Shand Conservation Award) লাভ কৰি ৰাজ্যখনলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। যোৱা ১৩ মে’ তাৰিখে ইংলণ্ডৰ ৰয়েল ব’টানিকেল গাৰ্ডেনত (royal botanical garden) অনুষ্ঠিত সভাত ইংলণ্ডৰ ৰজা চাৰ্লছ-৩য়ৰ (Charles-III) উপস্থিতিত ৰাণী কেমিলাই ড° লহকৰক এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰে। স্বেচ্ছাসেৱী সংগঠন ‘আৰণ্যক’ৰ জ্যেষ্ঠ বিজ্ঞানী ড° লহকৰ হৈছে এই বঁটা লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় পৰিবেশ কৰ্মী। হাতী-মানুহৰ সংঘাত, জীৱ-বৈচিত্ৰ্য সংৰক্ষণ তথা মানস ৰাষ্ট্ৰীয় উদ্যান সুৰক্ষাৰ বাবে অহৰ্নিশে কৰি অহা সেৱাৰ স্বীকৃতি স্বৰূপে তেওঁক এই বঁটা আগ বঢ়োৱা হৈছে বুলি বঁটা প্ৰদানকাৰী ‘এলিফেণ্ট ফেমিলী’ (Elephant Family) নামৰ ইংৰাজ সংগঠনটোৱে প্ৰকাশ কৰে। এই বঁটা প্ৰাপ্তিৰ পূৰ্বে ড° লহকৰে ২০১৬ চনত ৰাষ্ট্ৰসংঘৰ ‘ৱৰ্ল্ড হেৰিটেজ হিৰো বঁটা’ (World Heritage Hero), ২০২১ চনত গ্ৰীন অস্কাৰ (Green Oscar) ৰূপে খ্যাত হোৱাইটেলী এৱাৰ্ড (Whitely Award) তথা ২০২৪ চনত ইউৰোপৰ পৰা নেভেলী ছুলমান এৱাৰ্ড (Neville Shulman Award) লাভ কৰিছিল।

## জাপানক অতিক্ৰমি ভাৰত বিশ্বৰ চতুৰ্থ বৃহৎ অৰ্থনীতি

জাপানক অতিক্ৰম কৰি ভাৰতবৰ্ষ বিশ্বৰ চতুৰ্থ বৃহৎ অৰ্থনীতিৰূপে পৰিগণিত হয়। যোৱা ২৫ মে’ তাৰিখে নিটি আয়োগৰ (NITI Aayog) মুখ্য কাৰ্য্যবাহী সদস্য বিভিআৰ সুব্ৰমণিয়মে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ (International Monetary Fund) তথ্য দাঙি ধৰি এই কথা প্ৰকাশ কৰে। আইএমএফৰ তথ্যমতে ভাৰতৰ বৰ্তমান জিডিপি (মুঠ ঘৰুৱা উৎপাদন) হৈছে ৪.১৮৭ ট্ৰিলিয়ন মাৰ্কিন ডলাৰ। ইয়াৰ বিপৰীতে জাপানৰ জিডিপিৰ পৰিমাণ হৈছে ৪.১৮৬ ট্ৰিলিয়ন মাৰ্কিন ডলাৰ। আইএমএফৰ এপ্ৰিল মাহৰ বিশ্ব অৰ্থনৈতিক প্ৰতিবেদনত ভাৰতৰ অৰ্থনীতি ২০২৫ চনত ৬.২ শতাংশ আৰু ২০২৬ চনত ৬.৩ শতাংশ হাৰত বৃদ্ধি পাব বুলি প্ৰকাশ কৰা হৈছে। ভাৰতৰ বিকাশৰ হাৰ ৬ শতাংশ হাৰত অগ্ৰগতি হৈ থাকিলে ২০২৮ চনত ভাৰত বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতিত পৰিণত হ’ব বুলি মুখ্য কাৰ্য্যবাহী সদস্য ড° সুব্ৰমণিয়মে দোহাৰে। উল্লেখ্য যে এই ক্ষেত্ৰত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানত আছে ক্ৰমে-আমেৰিকা যুক্তৰাষ্ট্ৰ, চীন আৰু জাৰ্মানী। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

## খবৰৰ লেছেৰি বোটলা

(২১ এপ্ৰিল, ২০২৫ ৰ পৰা ২০ মে’, ২০২৫লৈ)

২১ **এপ্ৰিল** : পোপ ফ্ৰান্সিছৰ (Pope Francis) ৮৮ বছৰ বয়সত দেহাৱসান ঘটে।

২২ **এপ্ৰিল** : ভাৰতত ১০ গ্ৰাম সোণৰ দামে ১ লাখ টকা স্পৰ্শ কৰি অভিলেখ সৃষ্টি কৰে।

২৫ **এপ্ৰিল** : ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ (ইছৰ’ৰ) প্ৰাক্তন অধ্যক্ষ কে কস্তুৰিৰংগনৰ ৮৪ বছৰ বয়সত মৃত্যু হয়।

২৭ **এপ্ৰিল** : বিশিষ্ট ক্ৰীড়া সংগঠক তথা বাণী প্ৰকাশৰ স্বত্বাধিকাৰী শ্ৰীপদ চৌধুৰীৰ ৮৪ বছৰ বয়সত মৃত্যু হয়।

২৮ **এপ্ৰিল** : ভাৰতে ফ্ৰান্সৰ পৰা ৬৪,০০০ কোটি টকা ব্যয়সাপেক্ষে ২৬খন ৰাফেল যুদ্ধ বিমান (Rafale fighter plane) ক্ৰয়ৰ চুক্তিত স্বাক্ষৰ কৰে।

- ৰাজস্থান ৰয়েলছ দলৰ ১৪ বছৰীয়া বৈভৱ সূৰ্য্যবংশীয়ে আইপিএলৰ এখন খেলত মাত্ৰ ৩৫টা বলত শতক অৰ্জন কৰি ইতিহাস ৰচনা কৰে।

২৯ **এপ্ৰিল** : কানাডাৰ সাধাৰণ নিৰ্বাচনত প্ৰধানমন্ত্ৰী মাৰ্ক কাৰনী (Mark Carney) আৰু তেওঁৰ দল লিবাৰেল পাৰ্টিয়ে (Liberal Party) একক সংখ্যাগৰিষ্ঠতা অৰ্জন কৰে।

৩০ **এপ্ৰিল** : স্বাধীনতাৰ পাছত দেশত প্ৰথমবাৰলৈ জাতিগত গণনা (পিয়লৰ লগত) হ’ব বুলি কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰে।

১ **মে’** : নতুন দিল্লীত বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মাৰ প্ৰতিমূৰ্তি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উন্মোচন কৰে।

২ **মে’** : ঐতিহ্যমণ্ডিত হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়লৈ (Harvard University) আগ বঢ়াই অহা কৰ ৰেহাই প্ৰথা ড’নাল্ড ট্ৰাম্প প্ৰশাসনে প্ৰত্যাহাৰ কৰে।

- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে থিৰুৱনন্তপুৰমত ৮৮০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মিত আন্তঃৰাষ্ট্ৰীয় সামুদ্ৰিক বিমান বন্দৰটো উদ্বোধন কৰে।

৬ **মে’** : ভাৰত আৰু ইংলণ্ডৰ মাজত মুক্ত বাণিজ্যিক চুক্তি স্বাক্ষৰিত হয়।

৭ **মে’** : প্ৰবীণ সুদে চিবিআইৰ সঞ্চালক প্ৰধান হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে।

৮ **মে’** : নতুন দিল্লীত বিভিন্ন দেশৰ মহাকাশ গৱেষণা সংস্থাসমূহৰ শীৰ্ষ সন্মিলন অনুষ্ঠিত হয়।

৯ **মে’** : পাকিস্তানৰ বেলুচিস্তান প্ৰদেশে স্বাধীনতা ঘোষণা কৰে।

১০ **মে’** : চাংহাইত অনুষ্ঠিত আৰ্চাৰী বিশ্বকাপ প্ৰতিযোগিতাত মধুৰা ধামনগাঁওকৰে স্বৰ্ণ পদক লাভ কৰে।

- সংসদৰ পৰিবৰ্তে দেশৰ সংবিধানখনেই সৰ্বোচ্চ বুলি উচ্চতম ন্যায়ালয়ে ৰায় প্ৰদান কৰে।

১১ **মে’** : ২০২৪ বৰ্ষত দেশৰ সৰ্বাধিক লাভ অৰ্জনকাৰী প্ৰতিষ্ঠান হিচাপে ভাৰতীয় ষ্টেট বেংকে স্বীকৃতি লাভ কৰে।

১২ **মে’** : ক্ৰিকেটাৰ বিৰাট কোহলিয়ে ১২৩খন টেষ্টত ৩০টা শতক কৰি ১৪ বছৰীয়া টেষ্ট কেৰিয়াৰৰ সামৰণি মাৰি অৱসৰৰ কথা ঘোষণা কৰে।

১৪ **মে’** : জ্যেষ্ঠ ন্যায়াধীশ ভূষণ ৰামকৃষ্ণ গাভাই (Bhushan Ramkrishna Gavai) উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে।

১৫ **মে’** : প্ৰতিৰক্ষা বিভাগৰ প্ৰাক্তন সচিব ড° অজয় কুমাৰে কেন্দ্ৰীয় লোকসেৱা আয়োগৰ (ইউপিএছচি) অধ্যক্ষ হিচাপে শপত গ্ৰহণ কৰে।

১৬ **মে’** : ব্ৰুণো ফাৰ্নাণ্ডেজে (Bruno Fernades) ২০২৪ বৰ্ষৰ বাবে ফিফাৰ শ্ৰেষ্ঠ ফুটবলাৰৰ সন্মান লাভ কৰে।

১৭ **মে’** : বিছা মুংদাং গাম ছিংফৌৱে ছিংফৌসকলৰ অষ্টমগৰাকী ৰজা হিচাপে শপত গ্ৰহণ কৰে।

- প্ৰাক্তন অলিম্পিক চেম্পিয়ন নীৰজ চোপ্ৰাক ভাৰত চৰকাৰ ‘লেফটেনেণ্ট কৰ্নেল’ (Lieutenant Colonel) পদমৰ্য্যাদা প্ৰদান কৰে।

১৯ **মে’** : ভাৰতে ১৯ অনূৰ্ধ বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত চেম্পিয়নৰ খিতাপ দখল কৰে।

২০ **মে’** : বিশ্ব স্বাস্থ্য সংস্থাৰ সাধাৰণ সভাত সৰ্বসন্মতিক্ৰমে বিশ্বৰ প্ৰথমখন ‘মহামাৰী চুক্তি’ স্বাক্ষৰিত হয়। ❖

■ **সংগ্ৰহ : কুশল গোস্বামী**

# গোলকীয় উষ্ণতা বৃদ্ধি, পৰিৱেশ পৰিৱৰ্তন আৰু ভাৰত

■ মানসজ্যোতি শইকীয়া



ঐতিহাসিকভাৱে আমেৰিকা, বৃটেইন, জাৰ্মানী আদি উন্নত ৰাষ্ট্ৰসমূহেই ১৯ শতিকাৰ ঔদ্যোগিক পুনঃজাগৰণৰ সময়ত অধিক পৰিমাণৰ সেউজ গৃহ গেছ (greenhouse gas) নিৰ্গমনৰ বাবে দায়ী। গোলকীয় উষ্ণতা বৃদ্ধি সমগ্ৰ বিশ্বৰ বাবে এক জ্বলন্ত সমস্যা যদিও দায়িত্ব, সামৰ্থ্য আৰু সমতাক কেন্দ্ৰ কৰি উন্নত ৰাষ্ট্ৰ আৰু ভাৰত, চীন, নাইজেৰিয়া, ঘানা আদিৰ দৰে উন্নয়নশীল আৰু অনুন্নত কিন্তু প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ ৰাষ্ট্ৰসমূহৰ মাজত বিতৰ্কৰ সূচনা হৈছে। অৰ্থনৈতিক বিকাশৰ সূত্ৰ অনুসৰি এখন ৰাষ্ট্ৰত কৃষিখণ্ডই প্ৰভূত আৰু অতিৰিক্ত বৰঙণি আগ বঢ়োৱাৰ পাছতে ৰাষ্ট্ৰখনে ঔদ্যোগীকৰণৰ যুগত প্ৰৱেশ কৰে। দৰিদ্ৰতা নিৰ্মূলকৰণ, জনসাধাৰণৰ কল্যাণ আৰু জীৱন ধাৰণৰ মান উন্নত কৰিবলৈ ৰাষ্ট্ৰখনে ভূগৰ্ভত নিহিত থকা কয়লা, পেট্ৰ'লিয়ামৰ দৰে প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰ কৰি উদ্যোগ আৰু উৎপাদন ক্ষমতা বঢ়োৱাটো অত্যন্ত আৱশ্যক। দশক দশক জুৰি প্ৰদূষণকাৰী উদ্যোগৰ পৰা উন্নত ৰাষ্ট্ৰসমূহ অৰ্থনৈতিকভাৱে লাভবান হোৱাৰ পাছত যুক্তি আগ বঢ়াইছে যে উন্নয়নশীল ৰাষ্ট্ৰসমূহেও কাৰ্বন নিৰ্গমন বন্ধ কৰিবলৈ দায়িত্ব বহন কৰা উচিত। উন্নয়নশীল ৰাষ্ট্ৰসমূহে অৰ্থনৈতিক বিকাশৰ প্ৰয়োজনীয়তাৰ লগতে বৰ্তমানৰ জলবায়ুৰ পৰিৱৰ্তনৰ বেয়া প্ৰভাৱ, যেনে—সাগৰীয় জলপৃষ্ঠ বৃদ্ধি, বানপানী, খৰাং আদিৰ সৈতেও মোকাবিলা কৰিবলৈ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। এই দেশসমূহত প্ৰায়ে স্বচ্ছ শক্তি (green energy) গ্ৰহণ কৰিবলৈ বা জলবায়ুৰ ভাবুকিৰ সৈতে খাপ খুৱাবলৈ প্ৰয়োজনীয় সম্পদ আৰু প্ৰযুক্তিৰ অভাৱ হয়। এই কাৰণেই ১৯৯২ চনত ৰিঅ'ডি-জেনেৰিঅ'ত অনুষ্ঠিত 'ধৰিত্ৰী সন্মিলন'ত 'সাধাৰণ কিন্তু পৃথকী দায়িত্বসূচী' (common but differentiated responsiblities) শীৰ্ষক এখন আইনী দলিল সকলো ৰাষ্ট্ৰৰে সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হয়। দলিলৰ ধাৰা অনুসৰি অৰ্থনৈতিক বৈষম্য দূৰ কৰিবলৈ ঔদ্যোগিকীকৰণ আৰু জলবায়ু পৰিৱৰ্তনৰ মাজত যোগসূত্ৰ স্থাপন কৰি বহনক্ষম উন্নয়নৰ দিশত গুৰুত্ব আৰোপ কৰা হৈছিল। পৃথিৱীপৃষ্ঠৰ গড় উষ্ণতা বৃদ্ধি প্ৰাক-ঔদ্যোগিক স্তৰৰ পৰা ১.৫° ছেলছিয়াছৰ তলত ৰখাৰ বাবে পেৰিছ চুক্তিৰ অধীনত বিশ্বৰ প্ৰায়বিলাক দেশে সেউজ গৃহ গেছৰ নিৰ্গমন হ্ৰাস কৰিবলৈ সন্মত হৈছিল।

২০২৪ বৰ্ষটো বিশ্বৰ জলবায়ু সংকটৰ এক ভয়ংকৰ মাইলৰ খুঁটি হিচাপে চিহ্নিত কৰা হৈছে। কাৰণ, পোনপ্ৰথমবাৰৰ বাবে এটা বৰ্ষৰ বিশ্বৰ গড় উষ্ণতা বৃদ্ধি প্ৰাক-ঔদ্যোগিক স্তৰৰ পৰা ১.৫ ডিগ্ৰী ছেলছিয়াছতকৈ অধিক বৃদ্ধি পাইছিল। এই সীমা অতিক্ৰম কৰা ঘটনাই সাময়িকভাৱে হ'লেও চৰম বতৰৰ পৰিঘটনা, জীৱ-বৈচিত্ৰ্যৰ ক্ষতি, সাগৰীয় জলপৃষ্ঠ বৃদ্ধি, পৰিৱেশতন্ত্ৰৰ অপ্ৰত্যাবৰ্তনীয় ক্ষতিৰ আশংকা বৃদ্ধি হোৱা কথাকে সূচায়। অৱশ্যে এবছৰৰ বাবে এই গড় সীমা অতিক্ৰম

কৰাৰ অৰ্থ এইটো নহয় নে পেৰিছ চুক্তিখন বিফল হৈছে।

২০২৪ চনৰ অভূতপূৰ্ব উষ্ণতা বৃদ্ধিত মানুহৰ কাৰ্য্যকলাপৰ দ্বাৰা কাৰ্বন নিৰ্গমন বৃদ্ধিৰ বিপৰীতে কিছুমান অন্যান্য প্ৰাকৃতিক কাৰকে বেছি অৰিহণা যোগাইছিল। তাৰ ভিতৰত এটা আছিল মৃদু এল নিনোৰ (El Nino) পৰিঘটনা। এই প্ৰাকৃতিক জলবায়ুৰ পৰিঘটনাই বিশ্বব্যাপী উষ্ণতা বৃদ্ধি কৰাৰ প্ৰৱণতা বৃদ্ধি কৰে। তদুপৰি কঠোৰ নিয়মৰ বাবে সাগৰত চলা মালবাহী জাহাজৰ পৰা ছালফাৰ ডাই-অক্সাইড গেছৰ নিৰ্গৰ্মন অধিক হ্ৰাস পোৱাৰ বাবে বায়ুমণ্ডলত বায়ু শীতল কৰা এৰ'ছলৰ (aerosol) পৰিমাণ হ্ৰাস পায়। ২০২২ চনত প্ৰশান্ত মহাসাগৰত থকা টংগা দ্বীপৰ ওচৰত পানীৰ তলত হোৱা আগ্নেয়গিৰিৰ উদ্‌গীৰণে বায়ুমণ্ডললৈ বিপুল পৰিমাণৰ জলীয় বাষ্প নিৰ্গত কৰি সেউজগৃহ প্ৰভাৱ অধিক তীব্ৰতৰ কৰি তুলিছিল।

এই ক্ষেত্ৰত ভাৰতবৰ্ষ লেহেমীয়াকৈ গৰম হৈছে। ভাৰতৰ বাৰ্ষিক গড় উষ্ণতা ১৯০০ চনৰ পৰা প্ৰায় ০.৭ ডিগ্ৰী ছেলছিয়াছ বৃদ্ধি পাইছে। আনহাতে এই সময়ছোৱাত গোলকীয় উষ্ণতা (global temperature) প্ৰায় ১.৫৯ ডিগ্ৰী ছেলছিয়াছ বৃদ্ধি পাইছে। এইটো সাধাৰণভাৱে এক ইতিবাচক দিশ যেন লাগিলেও ইয়াৰ অৰ্থ এনে নহয় যে ভাৰতবৰ্ষত জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ দেখা নাযাব। জলবায়ু সম্পৰ্কীয় বিভিন্ন পৰিঘটনা, যেনে—অতিপাত গৰম, বানপানী, খৰাং আদি পৰিস্থিতিৰ প্ৰতি ব্যৱস্থা লোৱাৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ অৱস্থান তেনেই চালুকীয়া পৰ্য্যায়তে আছে আৰু অনাগত দিনত এইবোৰে তীব্ৰ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিব।

ভাৰতৰ উষ্ণতা বৃদ্ধি লেহেমীয়া হোৱাটো বিভিন্ন প্ৰাকৃতিক, ভৌগোলিক আৰু বায়ুমণ্ডলীয় কাৰকৰ সংমিশ্ৰণ। বিষুৱৰেখাৰ ওচৰত অৱস্থিত ভাৰতৰ দৰে গ্ৰীষ্মপ্ৰধান অঞ্চলত উষ্ণতাৰ নাটকীয় বৃদ্ধিৰ ঘটনা কমকৈ পৰিলক্ষিত হয়। তদুপৰি আৰব সাগৰ আৰু বংগোপ সাগৰৰ কাষে কাষে বিশাল উপকূলৰেখাৰে সমৃদ্ধ ভাৰত এখন উপদ্বীপীয় ৰাষ্ট্ৰ। সাধাৰণতে জলভাগ স্থলভাগতকৈ লাহে লাহে গৰম হয়। সেয়ে জলভাগে বিশেষ উষ্ণতা বৃদ্ধি নকৰাকৈয়ে বৃহৎ পৰিমাণৰ তাপ শোষণ কৰিব পাৰে। সেয়ে ভাৰতৰ উপকূলবৰ্তী এলেকাসমূহৰ উষ্ণতা তুলনামূলকভাৱে সুস্থিৰ হৈ থাকে।

ঔদ্যোগিক নিৰ্গমন, যান-বাহনৰ প্ৰদূষণ আৰু জৈৱ-ইন্ধনৰ (bio-fuel) অত্যধিক ব্যৱহাৰৰ বাবে ভাৰতবৰ্ষৰ বায়ুমণ্ডলত এৰ'ছল কণিকাৰ ঘনত্ব অধিক। এই এৰ'ছলবোৰে বায়ুমণ্ডলৰ উষ্ণতা হ্ৰাস কৰে। 'গ্ল'বেল ডিমিং'ৰূপে (global dimming) পৰিচিত এই পৰিঘটনাই বায়ুমণ্ডলত এক শীতলীকৰণ প্ৰক্ৰিয়া সৃষ্টি কৰে। এৰ'ছল মানুহৰ স্বাস্থ্য আৰু পৰিৱেশৰ বাবে যথেষ্ট ক্ষতিকাৰক যদিও এৰ'ছলে অনাকাংক্ষিতভাৱে সেউজ গৃহ প্ৰভাৱৰ ফলত হোৱা উষ্ণতা বৃদ্ধিক সাময়িকভাৱে হ্ৰাস কৰি তোলে।


ইয়াৰ উপৰি ভাৰতৰ কৃষি ব্যৱস্থাত বৃহৎ পৰিসৰত জলসিঞ্চন পদ্ধতি ব্যৱহাৰ কৰা হয়। জলসিঞ্চনে বায়ুমণ্ডলত বাষ্পীভৱন বৃদ্ধি কৰি স্থানিকভাৱে শীতলতা সৃষ্টি কৰিব পাৰে। মৌচুমী জলবায়ুৰ প্ৰভাৱত বাৰিষা হোৱা ব্যাপক বৰষুণ আৰু ডাৱৰৰ উপস্থিতিয়ে উষ্ণতা নিয়ন্ত্ৰণ কৰাত সহায় কৰে। ফলত ভাৰতৰ বায়ুমণ্ডলত কমকৈ তাপ শোষিত হয়।

ভাৰতৰ লেহেমীয়া উষ্ণতা বৃদ্ধি আপাতদৃষ্টিত কম আতংকজনক যেন লাগিলেও ই জলবায়ু পৰিৱৰ্তনৰ ফলত হ'ব পৰা বিপদৰ মাত্ৰা হ্ৰাস নকৰে। ইয়াৰ বিপৰীতে ভাৰতৰ বিশাল জনসংখ্যা, কৃষিখণ্ডৰ ওপৰত অধিক নিৰ্ভৰশীলতা, দ্ৰুত আৰু নিয়ন্ত্ৰণহীন নগৰায়নে স্থানীয় পৰিৱেশক জলবায়ু পৰিৱৰ্তনৰ ফলত হ'ব পৰা বিপদৰ প্ৰতি অধিক সংবেদনশীলহে কৰি তুলিছে।

সামৰণিত ক'ব পাৰি যে ২০২৪ চনৰ অভিলেখ ভংগকাৰী উষ্ণতা বৃদ্ধিয়ে সমগ্ৰ বিশ্বৰ দেশসমূহৰ আভ্যন্তৰীণ বিফলতাক প্ৰতিফলিত নকৰিলেও এক সকীয়নি সংকেত প্ৰদান কৰিছে। একেদৰে ভাৰতৰ লেহেমীয়া উষ্ণতা বৃদ্ধিয়ে সাময়িকভাৱে সকাহ দিলেও ই আশ্বস্ত হ'বৰ বাবে পৰ্য্যাপ্ত নহয়। গতিকে বৈশ্বিক সহযোগিতা, প্ৰযুক্তিগত উদ্ভাৱন আৰু ৰাজনৈতিক সদিচ্ছাৰ জৰিয়তে ১.৫ ডিগ্ৰী ছেলছিয়াছৰ সীমা ভংগ কৰাটো এক সাংখ্যিক তথ্য হিচাপে নধৰি ভৱিষ্যৎ প্ৰজন্মৰ বাবে পৃথিৱী নামৰ গ্ৰহটোক সংৰক্ষণ কৰাটো অত্যন্ত জৰুৰী হৈ পৰিছে। ❖

# বিজ্ঞান জগতৰ ভোটাতৰা : জয়ন্ত বিষ্ণু নাৰ্লিকাৰ

■ ৰুণিমা শৰ্মা



ভাৰতবৰ্ষৰ বিজ্ঞান জগতৰ এক উজ্জ্বল নক্ষত্ৰ জয়ন্ত বিষ্ণু নাৰ্লিকাৰ। বিখ্যাত জ্যোতিৰ্বিজ্ঞানী, বিজ্ঞান লেখক এইগৰাকী ব্যক্তিৰ জন্ম হৈছিল ১৯৩৮ চনৰ ১৯ জুলাই তাৰিখে মহাৰাষ্ট্ৰৰ কোল্হাপুৰত। বেনাৰস হিন্দু বিশ্ববিদ্যালয় আৰু কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ পৰা তেওঁ উচ্চ শিক্ষা গ্ৰহণ কৰিছিল। কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত তেওঁ গণিত বিভাগৰ কৃতী ছাত্ৰ হিচাপে ৰেংলাৰ আৰু টাইছন পদক লাভ কৰিছিল। ১৯৬২ চনত তেওঁ কেম্ব্ৰিজত গৱেষণা কৰি থকা সময়ছোৱাত স্মিথ প্ৰাইজ (Smith's Prize) লাভ কৰে। ১৯৬৩ চনত তেওঁ পিএইচডি ডিগ্ৰী লাভ কৰে আৰু ১৯৬৪ চনত ক্ৰমে জ্যোতিৰ্বিদ্যা (astronomy) আৰু জ্যোতিঃপদাৰ্থবিজ্ঞানত (astrophysics) এমএ ডিগ্ৰী অৰ্জন কৰে। ১৯৭২ চনলৈ তেওঁ কিংছ কলেজত বেৰী ৰামছে ফেল' (Barry Ramsay fellow) হিচাপে কাম কৰিছিল। ১৯৬৬ চনত ফ্ৰেড হইলে (Fred Hoyle) কেম্ব্ৰিজত 'ইন্সটিটিউট অৱ থিয়ৰিটিকেল এষ্ট্ৰনমী' (Institute of Theoritical Astronomy) নামেৰে এক অনুষ্ঠান স্থাপন কৰে আৰু ১৯৬৬ চনৰ পৰা ১৯৭২ চনৰ সময়ছোৱা নাৰ্লিকাৰে প্ৰতিষ্ঠানটোৰ প্ৰতিষ্ঠাতা কৰ্মী হিচাপে কাম কৰে। ১৯৭২ চনত তেওঁ ভাৰতৰ মুম্বাইত অৱস্থিত টাটা মৌলিক গৱেষণা প্ৰতিষ্ঠানত (TIFR) অধ্যাপক হিচাপে যোগদান কৰে। ১৯৮৮ চনত পুনেত প্ৰতিষ্ঠিত জ্যোতিৰ্বিজ্ঞান আৰু জ্যোতিপদাৰ্থবিজ্ঞানৰ আন্তঃ বিশ্ববিদ্যালয় কেন্দ্ৰৰ নাৰ্লিকাৰ প্ৰতিষ্ঠাপক সঞ্চালক হয়। ১৯৯৪ চনৰ পৰা ১৯৯৭ চনলৈ তেওঁ আন্তৰ্জাতিক জ্যোতিৰ্বিজ্ঞান সংঘৰ ব্ৰহ্মাণ্ডতত্ত্ব (cosmology) আয়োগৰ সভাপতি হিচাপে কাৰ্য্যনিৰ্বাহ কৰে। অৱসৰৰ পাছতো তেওঁ এমেৰিটাছ অধ্যাপকৰূপে সেৱা আগ বঢ়ায়। ১৯৯৯ চনৰ পৰা ২০০৩ চনলৈ তেওঁ এক মহাকাশ গৱেষণা পৰীক্ষণৰ নেতৃত্ব প্ৰদান কৰে। এই পৰীক্ষণত বায়ুমণ্ডলৰ ঊৰ্ধ্বভাগৰ পৰা আণুবীক্ষণিক জীৱ সংগ্ৰহৰ কাম কৰা হৈছিল আৰু এই গৱেষণালব্ধ ফল অনুসৰি বহিৰ্বিশ্বত জীৱন থকাৰ সম্ভাৱনা ব্যক্ত কৰা হৈছিল। তদুপৰি নাৰ্লিকাৰে বিখ্যাত বিজ্ঞানী ফ্ৰেড হয়লৰ লগ লাগি মহানাদৰ বিপৰীতে আন এক তত্ত্ব উপস্থাপন কৰে। সেই তত্ত্ব অনুসৰি বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি হোৱা নাছিল। ই অনাদি কালৰে পৰা আছে কিন্তু ক্ৰম প্ৰসাৰণশীল। ইয়াৰ উপৰি জ্যোতিঃপদাৰ্থবিজ্ঞানৰ ক্ষেত্ৰখনত গৱেষণাৰ জৰিয়তে নাৰ্লিকাৰে বহুতো অৱদান আগ বঢ়াই থৈ গৈছে।

নাৰ্লিকাৰ এগৰাকী সুপ্ৰতিষ্ঠ বিজ্ঞান লেখকো। তেওঁৰ কেইখনমান বিখ্যাত গৱেষণা গ্ৰন্থ হ'ল— 'Current Issues in Cosmology', 'Fred Hoyle's Universe', 'An Introduction to Cosmology' ইত্যাদি।

বিজ্ঞান জগতলৈ নাৰ্লিকাৰৰ আন এক অনবদ্য অৱদান হ'ল তেওঁ বিজ্ঞান জনপ্ৰিয়কৰণৰ বাবে লোৱা পদক্ষেপসমূহ। নাৰ্লিকাৰে কেইবাখনো কল্পবিজ্ঞান (science fiction) বিষয়ত পুথি ৰচনা কৰিছিল। তেওঁৰ দ্বাৰা ৰচিত ধূমকেতু নামৰ কল্পবিজ্ঞান পুথিখনৰ ওপৰত ভিত্তি কৰি এখন চলচ্চিত্ৰও নিৰ্মিত হৈছিল। নাৰ্লিকাৰ আছিল এগৰাকী সুবক্তা। তেওঁৰ বিজ্ঞান সম্পৰ্কীয় বক্তৃতাবোৰে সাধাৰণ মানুহকো বিজ্ঞানৰ প্ৰতি আকৰ্ষিত কৰিছিল। ৰেডিঅ' আৰু টেলিভিছনৰ জৰিয়তে তেওঁৰ এনে বহু বক্তৃতা সম্প্ৰচাৰিত হৈছিল। নাৰ্লিকাৰে তেওঁৰ গ্ৰন্থসমূহত বিজ্ঞানৰ কঠিন বিষয়বোৰো অতি সৰলকৈ লিখি সাধাৰণ মানুহৰ বাবে বোধগম্য কৰি তুলিছিল। এক কথাত ক'বলৈ গ'লে তেওঁ বিভিন্ন প্ৰচেষ্টাৰ যোগেদি 'বিজ্ঞান'ক পৰীক্ষাগাৰৰ পৰা জনসাধাৰণৰ মাজলৈ লৈ আহিছিল।

## শ্ৰদ্ধাঞ্জলি

বিজ্ঞান জগতলৈ আগ বঢ়োৱা বৰঙণিৰ বাবে নাৰ্লিকাৰে ভালেমান ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বঁটা আৰু সন্মান লাভ কৰিছে। ১৯৬৫ চনত তেওঁক পদ্মভূষণ সন্মান প্ৰদান কৰা হৈছিল। ১৯৮১ চনত FIE প্ৰতিষ্ঠানৰ পৰা নাৰ্লিকাৰে 'ৰাষ্ট্ৰ ভূষণ' বঁটা লাভ কৰে। ২০০৪ চনত তেওঁ কৰা গৱেষণাৰ বাবে ভাৰত চৰকাৰে তেওঁক ভাৰতৰ দ্বিতীয় সৰ্বোচ্চ অসামৰিক সন্মান পদ্মবিভূষণেৰে সন্মানিত কৰে। আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত তেওঁ আগ বঢ়োৱা অৱদানৰ বাবে ১৯৯৬ চনত UNESCO (United Nation Education Scientific and Cultural Organisation)য়ে তেওঁক কলিংগ বঁটাৰে সন্মানিত কৰে। ২০১০ চনত মহাৰাষ্ট্ৰ চৰকাৰে তেওঁক মহাৰাষ্ট্ৰ ভূষণ বঁটা প্ৰদান কৰে। ১৯৯০ চনত ভাৰতীয় ৰাষ্ট্ৰীয় বিজ্ঞান অকাডেমিয়ে তেওঁক ইন্দিৰা গান্ধী বঁটা প্ৰদান কৰে। ২০১৪ চনত নাৰ্লিকাৰে মাৰাঠী ভাষাত লিখা আত্মজীৱনী 'Chaar Nagarantale Maze Vishwa'ৰ বাবে সাহিত্য অকাডেমি বঁটাও লাভ কৰে। ইয়াৰ উপৰি ভাটনগৰ বঁটা, এমপি বিৰলা বঁটা, ফ্ৰেন্স এষ্ট্ৰ'নমিকেল ছ'ছাইটিৰ (French Astronomical Society) প্ৰিন্স জুলেছ জনেছিন বঁটা আদি বহুকেইটা বঁটাৰেও তেওঁক সন্মানিত কৰা হয়।

প্ৰচুৰ প্ৰতিভাসম্পন্ন জ্যোতিপদাৰ্থবিদ জয়ন্ত বিষ্ণু নাৰ্লিকাৰৰ ২০ মে' তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। 'ক্ৰেমেমেকৰ সূত্ৰ', 'কোৱাণ্টাম ব্ৰহ্মাণ্ডতত্ত্ব' আৰু 'দূৰ ক্ৰিয়া' ইত্যাদি গৱেষণাৰ বিষয়সমূহৰ ক্ষেত্ৰত তেওঁ কৰা কাম-কাজৰ বাবে তেওঁ সদায় স্মৰণীয় হৈ থাকিব। প্ৰচুৰ প্ৰতিভাসম্পন্ন এইজন মহান জ্যোতিঃপদাৰ্থবিদক মাথোঁ ২৬ বছৰ বয়সতেই ভাৰত চৰকাৰে পদ্মভূষণ সন্মানেৰে সন্মানিত কৰিছিল। ❖

## বিজ্ঞান-বাৰ্তা

# ডাৱৰৰ বিচিত্ৰ কথা

■ কল্যাণী পাটগিৰি




ডাৱৰৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে আলোচনা কৰিবলৈ হ'লে আমি প্ৰথমতে জানিব লাগিব ডাৱৰ মানেনো কি? আমি সদায় দেখি থকা ডাৱৰবোৰনো ক'ত সৃষ্টি হয়? ক'ৰ পৰা আহে? বা ক'লৈ যায়?

প্ৰকৃততে ডাৱৰ বা মেঘ হৈছে বায়ুমণ্ডলত ঘনীভূত হৈ থকা অতি ক্ষুদ্ৰ ক্ষুদ্ৰ পানীৰ কণিকা আৰু বৰফৰ স্ফটিক বা বায়ুমণ্ডলত থকা অন্য কিছুমান পদাৰ্থৰ সমষ্টি।

পৃথিৱীপৃষ্ঠৰ পৰা উচ্চতা, গঠন, আকাৰ আৰু অৱয়বৰ ওপৰত ভিত্তি কৰি ডাৱৰক প্ৰধানতঃ তিনিটা ভাগত ভাগ কৰিব পাৰি, সেয়া হ'ল—উচ্চ উচ্চতাৰ ডাৱৰ, মধ্য উচ্চতাৰ ডাৱৰ আৰু নিম্ন উচ্চতাৰ ডাৱৰ।

**উচ্চ উচ্চতাৰ ডাৱৰ** : পৃথিৱীপৃষ্ঠৰ পৰা প্ৰায় ২০,০০০ ফুট বা তাৰ ওপৰত থকা ডাৱৰবিলাকক উচ্চ উচ্চতাৰ ডাৱৰ বুলি কোৱা হয়। এনে উচ্চতাত পোৱা ঠাণ্ডা পৰিবেশৰ কাৰণে এই ডাৱৰবোৰ সৰু সৰু বৰফৰ কণিকাৰে গঠিত হয় আৰু ই সাধাৰণতে পাতল আৰু বগা বৰণৰ হয়। উচ্চ উচ্চতাত থকা ডাৱৰবোৰৰ নাম চিৰো (cirro) উপসৰ্গৰে আৰম্ভ হয় আৰু ই প্ৰধানতঃ তিনি প্ৰকাৰৰ। সেইবোৰ হ'ল—

**চিৰাছ** (cirrus) : চিৰাছ ডাৱৰবোৰ সাধাৰণতে অকল বৰফৰ কণিকাৰে গঠিত হয়। ই খুব পাতল আৰু দেখাত চৰাইৰ পাখিৰ (feathery) দৰে।

**চিৰ'ষ্ট্ৰেটাছ** (cirrostratus) : চিৰ'ষ্ট্ৰেটাছ ডাৱৰবোৰ সাধাৰণতে চিৰাছতকৈ অলপ ডাঠ আৰু বিস্তৃত হয়। চিৰাছ ডাৱৰবোৰে অলপ গৰম পালেই চিৰ'ষ্ট্ৰেটাছলৈ ৰূপান্তৰিত হয়।

**চিৰ'কিউমুলাছ** (cirrocumulus) : চিৰ'কিউমুলাছ ডাৱৰবিলাক বিন্ধা থকা কিছুমান ডাৱৰৰ গোট। এইবোৰ শাৰী শাৰী ডাৱৰৰ টুকুৰাৰে বিস্তৃত অঞ্চল জুৰি সজ্জিত হৈ থাকে।

চিৰ'ষ্ট্ৰেটাছ আৰু চিৰ'কিমুলাছ ডাৱৰবোৰ চিৰাছৰ দৰে বৰফৰ কণিকাৰে গঠিত।

**মধ্য উচ্চতাৰ ডাৱৰ** : ভূপৃষ্ঠৰ পৰা প্ৰায় ৬,৫০০ ফুট আৰু ২০,০০০ ফুট উচ্চতাৰ মাজত গঠন হোৱা ডাৱৰক মধ্য উচ্চতাৰ ডাৱৰ বুলি কোৱা হয়। এই ডাৱৰবোৰ ভূপৃষ্ঠৰ পৰা উচ্চতা, বিভিন্ন ঋতু আৰু বায়ুমণ্ডলীয় উষ্ণতা ভেদে কেতিয়াবা জলীয় বাষ্পৰে, কেতিয়াবা বৰফৰ স্ফটিকেৰে গঠন হয়। মধ্য উচ্চতাৰ ডাৱৰবোৰ অল্ট' (alto) উপসৰ্গৰে আৰম্ভ হয় আৰু ই প্ৰধানতঃ দুই প্ৰকাৰৰ। সেয়া হ'ল—

**অল্ট'ষ্ট্ৰেটাছ** (altostratus) : ষ্ট্ৰেটাছ (stratus) শব্দটো আহিছে লেটিন ভাষাৰ ষ্ট্ৰেট' (strato) শব্দৰ পৰা, যাৰ অৰ্থ হ'ল তৰপ (layer)। অল্ট'ষ্ট্ৰেটাছ ডাৱৰবিলাক সাধাৰণতে সমান আৰু সুষম ডাৱৰৰ তৰপ আৰু ই ছাই বৰণীয়া হয়। অল্ট'ষ্ট্ৰেটাছ ডাৱৰৰ পৰা সাধাৰণতে বৰষুণ নহয় যদিও কেতিয়াবা ডাঠ অল্ট'ষ্ট্ৰেটাছ তৰপৰ পৰা পাতলীয়া বৰষুণ হোৱা দেখা যায়।

**অল্ট'কিউমুলাছ** (altocumulus) : কিউমুলাছ (cumulus) শব্দটো আহিছে লেটিন শব্দ কিউমুলোৰ (cumulo) পৰা, যাৰ অৰ্থ হ'ল সমষ্টি বা থুপ। অল্ট'কিউমুলাছ ডাৱৰবোৰ শাৰী শাৰীকৈ কিছুমান ডাৱৰৰ থুপেৰে সজ্জিত হৈ থাকে।

**নিম্ন উচ্চতাৰ ডাৱৰ** : নিম্ন উচ্চতাৰ ডাৱৰবোৰ সাধাৰণতে ভূপৃষ্ঠৰ পৰা ৬,৫০০ ফুট উচ্চতাৰ ভিতৰত গঠন হয়। নিম্ন উচ্চতাৰ ডাৱৰবোৰ জলীয় বাষ্প আৰু বায়ুমণ্ডলত থকা অন্য কণিকাৰ দ্বাৰা গঠিত হয়। কিন্তু ঠাণ্ডাৰ দিনত এই ডাৱৰবোৰ বৰফৰ কণিকাৰে গঠিত হয়। সাধাৰণতে এই নিম্ন উচ্চতাৰ ডাৱৰৰ পৰাই বৰষুণ হয়। নিম্ন উচ্চতাৰ ডাৱৰবোৰ কোনো উপসৰ্গৰে আৰম্ভ নহয় যদিও ইয়াৰ নামবোৰ ষ্ট্ৰেট' (strato) আৰু কিউমুলো (cumulo) শব্দৰ পৰা অহা আৰু ই প্ৰধানতঃ দুই প্ৰকাৰৰ—

১। ষ্ট্ৰেটাছ (stratus) আৰু ২। কিউমুলাছ (cumulus)।

ষ্ট্ৰেটাছ ডাৱৰবোৰ ভূপৃষ্ঠৰ সমান্তৰালকৈ আৰু কিউমুলাছ ডাৱৰবোৰ ভূপৃষ্ঠৰ উলম্ব দিশত গঠন হয়। ইয়াৰ উপৰি নিম্ন উচ্চতাত ষ্ট্ৰেট' কিউমুলাছ নামৰ আন এবিধ ডাৱৰ গঠন হয়। এই ধৰণৰ ডাৱৰবিধত ষ্ট্ৰেটাছ আৰু কিউমুলাছ—এই দুই ধৰণৰ ডাৱৰৰ গুণবোৰ দেখা যায়। ডাঠ আৰু ঘন ষ্ট্ৰেট'কিউমুলাছ ডাৱৰবোৰক আকৌ নিম্ব'ষ্ট্ৰেটাছ (nimbostratus) ডাৱৰ বুলিও জনা যায়। এই নিম্ব'ষ্ট্ৰেটাছ ডাৱৰৰ পৰা পৃথিৱীত ধাৰাসাৰ বৰষুণ, শিলাবৃষ্টি হয় আৰু ঠাণ্ডা ঠাইত বৰফ পৰাও দেখা যায়।

উল্লিখিত ডাৱৰৰ প্ৰকাৰৰ উপৰি আৰু কেইপ্ৰকাৰমান বিচিত্ৰ ধৰণৰ ডাৱৰ মাজে-সময়ে আকাশত দেখা যায়। তাৰে কেইটামান তলত উল্লেখ কৰা হ'ল—

**বাষ্পৰেখা বা কনট্ৰেইল** (contrail) : এইবিধ ডাৱৰ দীঘলীয়া আৰু ঠেক ৰেখাৰ দৰে হয় আৰু এনেকুৱা লাগে যেন জেট বিমানবোৰে এৰি থৈ যোৱা ধোঁৱাহে।


**প্ৰাচীৰ ডাৱৰ** (wall cloud) : প্ৰাচীৰ ডাৱৰবোৰ ভূপৃষ্ঠৰ একেবাৰে ওচৰত থাকে আৰু ইয়াক দেখাত এখন প্ৰাচীৰৰ দৰে লাগে। সাধাৰণতে প্ৰচণ্ড ধুমুহা-বৰষুণৰ সময়ত এনে ধৰণৰ ডাৱৰ সৃষ্টি হয় আৰু কেতিয়াবা ই আহিবলগীয়া ঘূৰ্ণী বতাহৰো সংকেত দিয়ে।

**কুঁৱলী** (fog) : আমি জাৰকালি দেখা পোৱা কুঁৱলীও একপ্ৰকাৰ ডাৱৰেই। কুঁৱলীবোৰ সাধাৰণতে নিশা গঠন হয় আৰু ৰাতিপুৱা সূৰ্য্যৰ পোহৰত নোহোৱা হয়। এইদৰে আকাশত দেখা পোৱা আৰু দেখিলে প্ৰায় একে যেন লগা এই শুকুলা ডাৱৰবোৰৰ সৃষ্টি আমাৰ ভূপৃষ্ঠৰ ওচৰে-পাঁজৰে হ'লে আমি তাক কুঁৱলী বুলি কওঁ। ❖

## *চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা*

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

# শংকৰদেৱৰ গুণমালা পুথি




শংকৰদেৱে ৰচনা কৰা 'গুণমালা' পুথিখনৰ নাম আমি বহুতেই জানো। মহাপুৰুষগৰাকীয়ে গুণমালা পুথিখন ৰচনা কৰাৰ আঁৰত এক আকৰ্ষণীয় কাহিনী আছে। চৰিত পুথিত উল্লেখ থকা অনুসৰি এশ বছৰ বয়সত শংকৰদেৱে পাটবাউসীৰ পৰা দ্বিতীয়বাৰৰ বাবে তীৰ্থযাত্ৰা কৰে। তীৰ্থযাত্ৰাৰ পৰা ঘূৰি অহাৰ পাছত ৰজা নৰনাৰায়ণৰ ওচৰত শংকৰদেৱৰ বিৰুদ্ধে অনেকে অভিযোগ কৰে। নৰনাৰায়ণে শংকৰদেৱক ৰাজসভালৈ মতাই আনে আৰু বিভিন্ন প্ৰান্তৰ পৰা অহা হিন্দু ধৰ্মৰ শাস্ত্ৰজ্ঞ পণ্ডিতসকলৰ মুখামুখি কৰোৱায়। পণ্ডিতসকলৰ প্ৰশ্নৰ উত্তৰ হিচাপে দিয়া শংকৰদেৱৰ ব্যাখ্যাই ৰজাক সন্তুষ্ট কৰে আৰু তেওঁৰ বিপক্ষে উঠা সকলো অভিযোগ ভিত্তিহীন বুলি প্ৰমাণিত হয়। ৰজা নৰনাৰায়ণে তেওঁৰ ৰাজসভাৰ সকলো পণ্ডিতকে ভাগৱতৰ সকলো প্ৰধান ঘটনাৰ সাৰমৰ্ম চমুকৈ বৰ্ণনা কৰি কম সময়ৰ ভিতৰতে পঢ়িব পৰাকৈ এখন পুথি ৰচনা কৰিবৰ বাবে আহ্বান জনায়। কিন্তু শংকৰদেৱৰ বাহিৰে কোনো এজন পণ্ডিতেই এই কাম সম্ভৱ কৰিব নোৱাৰিলে। শংকৰদেৱে একে ৰাতিৰ ভিতৰতে গুণমালা পুথিখন ৰচনা কৰি ৰজাৰ হাতত দিয়ে। শংকৰদেৱৰ এই কাৰ্য্যক 'ভুৰুকাত হাতী ভৰোৱা' বুলি কোৱা হয়।

অৱশ্যে এই পুথিখনৰ সন্দৰ্ভত 'বৰদোৱা গুৰুচৰিত'ৰ আধাৰত লক্ষ্মীনাথ বেজবৰুৱাই মত প্ৰকাশ কৰিছে যে শংকৰদেৱে বৰদোৱাত থকাৰ সময়তে (১৫১৬ খৃষ্টাব্দত) গুণমালাৰ দ্বিতীয় অধ্যায়ৰ পৰা ষষ্ঠ অধ্যায়লৈ মুঠ পাঁচটা অধ্যায় ৰচনা কৰিছিল। পাছত নৰনাৰায়ণৰ নিৰ্দেশ পাই 'গুণমালা'ৰ প্ৰথম অধ্যায়টো ৰচনা কৰি পুথিখন সম্পূৰ্ণ কৰে।

গুণমালা পুথিখনত ছটা অধ্যায় আছে। স্তৱকৰ সংখ্যা ৩৭৭টা। এই পুথি ৰচনা কৰোঁতে শংকৰদেৱে কীৰ্তন পুথিৰ ঘোষাৰ আৰ্হি গ্ৰহণ কৰিছে। 'গুণমালা'খন ছয় আখৰীয়া কুসুমমালা ছন্দত ৰচিত। ইয়াত চাৰিটা পৰ্ব আৰু দুটা চৰণেৰে একোটা স্তৱক বিন্যাস কৰা হৈছে। উদাহৰণস্বৰূপে—

"তুমি নিৰঞ্জন পাতক ভঞ্জন।
দানৱ গঞ্জন গোপীকা ৰঞ্জন।।"

শংকৰদেৱে ব্যক্তিগতভাৱে ঈশ্বৰৰ গুণাৱলী কম সময়ৰ ভিতৰতে স্মৰণ কৰাৰ অৰ্থে বা নাম-প্ৰসংগত গোৱাৰ উপযোগীকৈ এই পুথিখন ৰচনা কৰিছিল। *(সাৰথি বিশ্বকোষৰ সৌজন্যত)* ❖

# কলাগুৰুৰ সোঁৱৰণত



প্ৰতিবছৰে ২০ জুন তাৰিখে ৰাজ্যজুৰি পালন কৰা বিষ্ণুপ্ৰসাদ ৰাভা দিৱসৰ সৈতে আমি আটায়ে পৰিচিত। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য জনোৱাৰ উদ্দেশ্যে অসমবাসীয়ে এই দিৱস উদ্‌যাপন কৰে। অসমৰ সাংস্কৃতিক জগতখনলৈ অলেখ অৱদান আগ বঢ়োৱা বিষ্ণুপ্ৰসাদ ৰাভাৰ ১৯৬৯ চনৰ ২০ জুন তাৰিখে দেহাৱসান ঘটিছিল। তেওঁৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি প্ৰতিবছৰে ২০ জুন তাৰিখটো 'বিষ্ণু ৰাভা দিৱস' হিচাপে পালন কৰা হয়।

অসমৰ সাংস্কৃতিক-সামাজিক ক্ষেত্ৰখনলৈ বিষ্ণু ৰাভাৰ অৱদান বৰ গুৰুত্বপূৰ্ণ। তেওঁ অসমৰ সংগীত, সাহিত্য, নৃত্য, চিত্ৰশিল্প, অভিনয় আদি সকলো ক্ষেত্ৰলৈকে বলিষ্ঠ অৱদান আগ বঢ়াইছিল। তদুপৰি ভাৰতৰ স্বাধীনতা সংগ্ৰামতো তেওঁ সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। ১৯০৯ চনৰ ৩১ জানুৱাৰী তাৰিখে বৰ্তমানৰ বাংলাদেশৰ ঢাকা চহৰত জন্মগ্ৰহণ কৰা ৰাভাদেৱে ঢাকাতে স্কুলীয়া জীৱন আৰম্ভ কৰিছিল। বিষ্ণু ৰাভাই পৰৱৰ্তী সময়ত তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হয়। এই পৰীক্ষাত তেওঁ সেই সময়ৰ অবিভক্ত দৰং জিলাৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰি 'কুইন এমপ্ৰেছ' (Queen Empress) পদক লাভ কৰে। ইয়াৰ পাছৰ সময়ত তেওঁ কলিকতাত উচ্চ শিক্ষা গ্ৰহণ কৰে। বিষ্ণুপ্ৰসাদ ৰাভাই জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'জয়মতী' (১৯৩৫) কথাছবিৰ নৃত্য পৰিচালনাত সহযোগ কৰিছিল। এৰাবাটৰ সুৰ, প্ৰতিধ্বনি, চিৰাজ আদি চলচ্চিত্ৰত অভিনয় কৰিছিল। ফণী শৰ্মাৰ সৈতে যুটীয়াভাৱে তেওঁ চিৰাজ চলচ্চিত্ৰ পৰিচালনাও কৰিছিল। তেওঁ বহুতো গীত ৰচনা কৰিছিল, সুৰো আৰোপ কৰিছিল। তেওঁৰ সেই কালজয়ী গীতসমূহৰ স্বকীয় বিশেষত্বৰ বাবে গীতবোৰক বিষ্ণু ৰাভা সংগীত হিচাপে স্বীকৃতি দিয়া হৈছে। চিত্ৰকলাতো বিষ্ণু ৰাভাৰ বিশেষ দক্ষতা আছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ তথা মাধৱদেৱৰ চিত্ৰ অংকন কৰি তেওঁ ৰাইজৰ ভূয়সী প্ৰশংসা লাভ কৰিছিল। সেই সময়ৰ বাঁহী, আমাৰ প্ৰতিনিধি আদি আলোচনীৰ বেটুপাতো তেওঁ অংকন কৰিছিল। বিষ্ণু ৰাভা এগৰাকী নৃত্যশিল্পীও আছিল। ১৯৩৯ চনত কাশী হিন্দু বিশ্ববিদ্যালয়ৰ আমন্ত্ৰণ ক্ৰমে বাৰাণসীত 'তাণ্ডৱ নৃত্য' প্ৰদৰ্শন কৰি তেওঁ খ্যাতি লাভ কৰিছিল। তেওঁৰ নৃত্যত অভিভূত হৈ সেই সময়ৰ বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণে তেওঁক 'কলাগুৰু' উপাধি প্ৰদান কৰিছিল। অনেক প্ৰতিভাৰ আকৰ বিষ্ণু ৰাভাই গল্প, কবিতা, উপন্যাস, নাটক, প্ৰবন্ধ ৰচনাৰে সাহিত্য ক্ষেত্ৰলৈও অৱদান আগ বঢ়াইছিল। ❖

# *চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা*

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

### অসমীয়া ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচন ইত্যাদি

## অভাগাৰ কপালত চন্দন লেপি দিলেও নালাগে

অভাগা অৰ্থাৎ ভাগ্য বেয়া বুলি ভবা লোকসকল জীৱনত বিভিন্ন বিপৰ্য্যয়ৰ মুখামুখি হ'ব লাগে বুলি বিশ্বাস কৰা হয়। এনে দুৰ্ভগীয়া লোকক বিভিন্ন সুযোগ-সুবিধা দিলেও তেওঁলোকে সেই সুবিধা লাভৰ পৰা বঞ্চিত হ'বলগীয়া হয়।

হিন্দু ধৰ্মীয় বিশ্বাস মতে চন্দনৰ তিলকক সৌভাগ্যসূচক বা মাংগলিক চিন বুলি গণ্য কৰা হয়। সৌভাগ্যসূচক সেই চন্দন দুৰ্ভগীয়াজনৰ কপালত সম্পূৰ্ণৰূপে লেপি দিলেও লাগি নধৰে বুলি যোজনাফাকিত কোৱা হৈছে। ইয়াৰ অৰ্থ হ'ল দুৰ্দশাগ্ৰস্ত লোক সকলো ফালৰ পৰাই নিৰুপায়ত পৰে। কেতিয়াবা কিবা এক সুযোগ-সুবিধা বা আশাৰ কিৰণে দেখা দিলেও আন আনুষংগিক বিপৰ্য্যয়ৰ বাবে তেওঁলোকে তাক গ্ৰহণ কৰিব নোৱাৰে।

**প্ৰায়োগিক বাক্য** : মোৰ যে কেতিয়াবা কপাল ফুলিব, সেই আশা মিছা—কথাতে কয় নহয় অভাগাৰ কপালত চন্দন লেপি দিলেও নালাগে। ❖

## আম-কঁঠাল দুমাহ, মাত-বোল নাই ছমাহ

আম-কঁঠাল আদি বতৰৰ ফলবোৰ বেছিদিন নাথাকে। বছৰত দুমাহমানৰ বাবেহে এই ফলবোৰ উপলব্ধ হয়। কিন্তু সেই আম-কঁঠালৰ বাবে কাজিয়া লাগি কিছুমান মানুহে ছমাহলৈ মাত-বোল নকৰাকৈ থাকে। এই ফকৰাটোৰ জৰিয়তে সৰু বা ক্ষণস্থায়ী কথাৰ বাবে বিবাদত লিপ্ত হৈ দীৰ্ঘদিনলৈ সম্পৰ্কত বিঘিনি ঘটোৱা কাৰ্য্যক বুজোৱা হৈছে। সৰু সৰু কথাৰ বাবে মতানৈক্য হোৱাতকৈ সেইবোৰ সহজভাৱে লৈ সম্পৰ্ক ভালে ৰখা যুগুত বুলিহে যোজনাটোৰ জৰিয়তে ক'ব খোজা হৈছে।

**প্ৰায়োগিক বাক্য** : হেৰৌ ইমান সৰু-সুৰা কথাবোৰ লৈ বংশ-পৰিয়ালৰ মানুহবোৰৰ লগত কাজিয়া কৰিব লাগেনে ! জনা লোকে এনেয়ে নকয়—আম-কঁঠাল দুমাহ, মাত-বোল নাই ছমাহ। ❖

## শুৱলা ভাষা

শিক্ষাৰ্থীসকল, আমি সততে ভুল কৰি থকা কেইটামান ভুল বাক্যৰ শুধৰণি মনত ৰাখোঁ আহা :

**ভুল বাক্য** : শিক্ষাৰ্থীগৰাকীৰ বেয়া আচৰণ দেখি শিক্ষকগৰাকী **খঙত অগ্নিশৰ্মা** হ'ল।

**শুদ্ধ বাক্য** : শিক্ষাৰ্থীগৰাকীৰ বেয়া আচৰণ দেখি শিক্ষকগৰাকী **অগ্নিশৰ্মা** হ'ল।

**ভুল বাক্য** : সকলোৰে **জ্ঞাতাৰ্থে** জনোৱা হ'ল যে কাইলৈ বিদ্যালয় বন্ধ থাকিব।

**শুদ্ধ বাক্য** : সকলোৰে **জ্ঞানাৰ্থে** জনোৱা হ'ল যে কাইলৈ বিদ্যালয় বন্ধ থাকিব। ❖

# বিশ্ব পৰিবেশ দিৱস



সমগ্ৰ বিশ্বতে ৫ জুন দিনটো বিশ্ব পৰিবেশ দিৱস হিচাপে পালন কৰা হয়। পৰিবেশ সংৰক্ষণ আৰু সজাগতাৰ বাবে সমগ্ৰ বিশ্বকে উদ্বুদ্ধ কৰিবৰ বাবে এই দিৱসৰ আয়োজন কৰা হয়।

১৯৭২ চনৰ জুন মাহত আমেৰিকাৰ ষ্টকহ'মত (Stockholm) অনুষ্ঠিত হোৱা ৰাষ্ট্ৰসংঘৰ মানৱ পৰিবেশ সম্পৰ্কীয় সন্মিলনত এই দিৱস উদ্‌যাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। সেই একে বছৰতে ১৫ ডিচেম্বৰত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ৫ জুন দিনটো বিশ্ব পৰিবেশ দিৱস হিচাপে ঘোষণা কৰে। ১৯৭৪ চনত প্ৰথমবাৰৰ বাবে বিশ্ব পৰিবেশ দিৱস পালন কৰা হৈছিল।

পৰিবেশ দিৱস উদ্‌যাপন কৰাৰ মূল উদ্দেশ্য হৈছে মানুহক পৰিবেশৰ প্ৰতি সজাগ কৰোৱা, প্ৰাকৃতিক সম্পদৰ সঠিক ব্যৱহাৰৰ প্ৰতি আগ্ৰহী কৰোৱা তথা পৰিবেশ প্ৰদূষণ, বনাঞ্চল ধ্বংস আৰু জলবায়ু পৰিবৰ্তন আদিৰ বিষয়ে সচেতনতা বৃদ্ধি কৰা।

প্ৰতি বছৰে বিশ্বৰ এখন দেশে পৰিবেশ দিৱস উদ্‌যাপনৰ বাবে বিশেষ দায়িত্ব গ্ৰহণ কৰে। এই বছৰ এই দিৱসৰ আয়োজক দেশ হৈছে দক্ষিণ কোৰিয়া। দক্ষিণ কোৰিয়াৰ চেজু দ্বীপত এই দিৱস অনুষ্ঠিত কৰা হ'ব।

২০২৫ বৰ্ষৰ বিশ্ব পৰিবেশ দিৱসৰ মূল বিষয়বস্তু হৈছে প্লাষ্টিক প্ৰদূষণ ৰোধ কৰা (beat plastic pollution)। অৰ্থাৎ মূল লক্ষ্য হৈছে প্লাষ্টিক প্ৰদূষণৰ বিৰুদ্ধে একত্ৰিত প্ৰচেষ্টা গঢ়ি তোলা। এই বছৰৰ বিষয়বস্তুত চৰকাৰ, উদ্যোগ, সমাজ আৰু ব্যক্তিসকলক একত্ৰিত হ'বলৈ আৰু প্লাষ্টিকৰ পৰা হোৱা বিপদৰ বিৰুদ্ধে যুঁজিবলৈ ভাল বিকল্পৰ অন্বেষণ কৰিবলৈ আহ্বান জনোৱা হৈছে। প্লাষ্টিকৰ ব্যৱহাৰ স্বাস্থ্যৰ পক্ষেও ক্ষতিকাৰক। প্লাষ্টিকে প্ৰচুৰ পৰিমাণে সাগৰো প্ৰদূষিত কৰে। যাৰ বাবে পানীত থকা জীৱকুলৰ বাবে ই অত্যন্ত ক্ষতিকাৰক হিচাপে বিবেচিত হৈছে। এই বছৰৰ পৰিবেশ দিৱসৰ বিষয়বস্তুৱে প্লাষ্টিক প্ৰদূষণ ৰোধ কৰাৰ ক্ষেত্ৰত মানুহক অধিক সজাগ কৰিব বুলি আশা কৰা হৈছে। ❖

# ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ শাস্ত্ৰীয় নৃত্য



**কথক নৃত্য :** কথক নৃত্য হৈছে উত্তৰ ভাৰতৰ এক অন্যতম প্ৰধান শাস্ত্ৰীয় নৃত্যকলা। 'কথক' শব্দটো 'সংস্কৃত' ভাষাৰ পৰা আহিছে। 'কথক' মানে হৈছে কথাৰ বৰ্ণনা। এই নৃত্যত প্ৰধানকৈ শ্ৰীকৃষ্ণৰ বাল্যকালৰ ঘটনাসমূহৰ বিবৰণ উল্লেখ কৰা হয়। সেইকাৰণে এইবিধ নৃত্যক নটৱৰী নৃত্য বুলিও কোৱা হয়। প্ৰাচীন কালত বাচকৰ দ্বাৰা মন্দিৰত পৌৰাণিক কথাসমূহৰ ব্যাখ্যা কৰা হৈছিল। কথাৰ পাছত যেতিয়া ভক্তিমূলক গীত গোৱা হৈছিল, সেই গীতৰ তালে তালে নটসকলে নৃত্য পৰিবেশন কৰিছিল। পাছলৈ নটসকলেই নিজে গীত গাই নৃত্য পৰিবেশন কৰিবলৈ ল'লে। এই প্ৰকাৰ নৃত্যই কথক নৃত্য নাম পালে। তেতিয়াৰ পৰাই এইবিধ নৃত্যত ভগৱান শ্ৰীকৃষ্ণৰ বাল্যকালৰ ঘটনাসমূহ নৃত্য-নাট্যৰূপে পৰিবেশন কৰা হয়।

প্ৰাচীন কালত প্ৰধানতঃ মন্দিৰসমূহৰ ভিতৰতে সীমাবদ্ধ হৈ থকা এইবিধ নৃত্যশৈলীয়ে মোগলসকলৰ ৰাজত্বকালত ৰাজকীয় পৃষ্ঠপোষকতা লাভ কৰি আধ্যাত্মিক দিশৰ পৰা আহি মনোৰঞ্জনৰ আহিলা হৈ পৰে। উত্তৰ ভাৰতত জন্ম লাভ কৰা এইবিধ নৃত্যত হিন্দু আৰু মুছলমান উভয় সংস্কৃতিৰে প্ৰভাৱ পৰা দেখা যায়। 'কথক' নৃত্যত তিনিবিধ ঘৰানা (সংগীত-নৃত্যৰ পৰম্পৰা) সৰ্বাধিকভাৱে প্ৰচলিত। সেইকেইটা হ'ল—লক্ষ্ণৌ ঘৰানা, জয়পুৰ ঘৰানা আৰু বাৰাণসী ঘৰানা। প্ৰধানকৈ শ্ৰীকৃষ্ণৰ লীলা প্ৰকাশক এইবিধ নৃত্যত শৃংগাৰ ৰস আৰু লয়ৰ প্ৰাধান্য দেখিবলৈ পোৱা যায়। কথক নৃত্য মূলতঃ লয় প্ৰধান নৃত্য হ'লেও এই নৃত্যত দেহৰ ভংগিমা আৰু দৃঢ় পদ সঞ্চালনৰ প্ৰচুৰ অনুশীলনৰ প্ৰয়োজন হয়। কথক নৃত্যৰ লগত তবলা, মৃদংগ, সাৰেংগী আদি বাদ্য সংগত কৰা হয়। পুৰুষ নৃত্যশিল্পীসকলে পায়জামা, অংগবস্ত্ৰ আদি পৰিধান কৰাৰ বিপৰীতে মহিলা নৃত্যশিল্পীসকলে পৰিধান কৰে শাৰী, পায়জামা, উৰ্ণা, বিভিন্ন ধৰণৰ গহনা ইত্যাদি।

এইবিধ নৃত্যশৈলীৰ চৰ্চা যোড়শ শতিকাৰো আগৰে পৰা চলি আহিছে। ভাৰতৰ কেইগৰাকীমান প্ৰসিদ্ধ কথক নৃত্যশিল্পী হ'ল—কালামান্দালাম গোপী, কোট্টাক্কাল শিৱৰামণ, ৰামানকুট্টি নায়াৰ আদি। এইসকল বিখ্যাত শিল্পীৰ প্ৰচেষ্টাত এইবিধ নৃত্য ভাৰতৰ জনপ্ৰিয় শাস্ত্ৰীয় নৃত্য হিচাপে সৰ্বত্ৰে পৰিচিত হৈ পৰে। ❖

*(নট : আগৰ দিনত ৰজাঘৰ বা দেৱালয়ত নচা এক শ্ৰেণীৰ লোক।)*

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

| অসমীয়া | ইংৰাজী | অসমীয়া | ইংৰাজী |
|---|---|---|---|
| গছৰ শিপা | root | বেতন, দৰমহা | salary |
| ৰছী, জৰী | rope | প্ৰমুখ, প্ৰধান | salient, prime |
| কৰ্তব্য তালিকা | roster | অভিবাদন জনোৱা | salute |
| ঘূৰা, আৱৰ্তন কৰা | rotate | পবিত্ৰ | sacred |
| পচা | rotten | ত্যাগ কৰা | sacrifice |
| শাৰী, ব'ঠা মাৰা | row | বীৰত্বপূৰ্ণ সাধুকথা | saga |
| ৰাজকীয় | royal | সাধু, সন্ত | saint |
| অমাৰ্জিত, অশালীন | rude | আদিম বা বৰ্বৰ লোক | savage |
| ধ্বংস, পতন | ruin | মঞ্জুৰি, শাস্তিমূলক অৰ্থনৈতিক বৰ্জন | sanction |
| শাসক, মাপনী | ruler | বিচক্ষণতা, দূৰদৰ্শিতা | sagacity |
| গুম্ গুম্ শব্দ কৰা | rumble | অভয়াৰণ্য | sanctuary |
| উৰা-বাতৰি, গুজব | rumour | মোক্ষ | salvation |
| গ্ৰামীণ, গাঁৱলীয়া | rural | অনাময় ব্যৱস্থা | sanitation |
| মামৰে ধৰা | rusty | আঁচনি | scheme |
| পশ্চাদঘাতী কাৰ্য্য | sabotage | সুবিধা, অৱকাশ | scope ❖ |


*(উৎস : অসম চৰকাৰৰ ৰাজনৈতিক বিভাগে প্ৰকাশ কৰা প্ৰশাসনীয় পৰিভাষা)*

# মানসিক সামৰ্থ্য বিকাশ

■ ৰবীন্দ্ৰ বৰ্মন


**ভাগ-১**


1. কাষৰ চিত্ৰত বৃত্তটোৱে ব্যৱসায়ীসকলক, ত্ৰিভুজটোৱে শিক্ষিত ব্যক্তিসকলক আৰু আয়তটোৱে মাহিলি 10,000 টকাতকৈ অধিক উপাৰ্জন কৰা লোকসকলক বুজাইছে। মাহিলি 10,000 টকাতকৈ অধিক উপাৰ্জন কৰা শিক্ষিত ব্যৱসায়ীৰ সংখ্যা কিমান?






a) 7 b) 10 c) 3 d) 4

2. তলৰ কোনটো চিত্ৰই মেজ, চকী আৰু আচবাবৰ সম্পৰ্কটো শুদ্ধকৈ বুজায়?

a) 

b) 

c) 

d) 

3. তলৰ সংখ্যা শ্ৰেণীটোৰ ভুল সংখ্যাটো উলিওৱা।

49, 49, 50, 54, 60, 79, 104

a) 60 b) 49 c) 104 d) 54

4. (12, 72, 216) সংখ্যাৰ থুপটোৰ সদৃশ সংখ্যাৰ থুপ কোনটো?

a) (4, 24, 48) b) (7, 42, 252) c) (12, 60, 30) d) (5, 30, 90)

5. DEF : EFD : : FGH : ?

a) FHG b) HGF c) HFG d) GHF

6. AZB : CYD : : EXF : ?

a) GWH b) FGV c) TMR d) QSV

7. 7 : 24 : : ?

a) 30 : 100 b) 23 : 72 c) 19 : 58 d) 11 : 43

8. 12 : 140 : : 156 : ?

a) 1820 b) 1500 c) 1250 d) 1121

উত্তৰসমূহ : 1. a 2. b 3. a 4. d 5. d 6. a 7. b 8. a

## মানসিক সামৰ্থ্য বিকাশ

**ভাগ-২**

**নিৰ্দেশনা :** তলৰ প্ৰশ্নবোৰত একোটা শ্ৰেণী দিয়া আছে। খালী ঠাইত কি বহিব নিৰ্ণয় কৰিব লাগে, যাতে শ্ৰেণীটো সম্পূৰ্ণ হয়।

1. W, R, M, H, —

   a) B b) C c) D d) F

2. BF, CG, DH, —

   a) FI b) DI c) ES d) FI

3. AFK, BGL, CHM, —

   a) DJN b) EIN c) DIN d) DJO

4. T, O, J, —

   a) F b) E c) G d) D

5. AS, DV, GY, JB, —

   a) MF b) NE c) LE d) ME

6. BG, DI, FK, —

   a) HM b) IN c) GL d) JO

7. KPU, LQV, MRW, —

   a) LRX b) OTY c) OSY d) NSX

8. ABZ, CDY, EFX, —

   a) HIW b) GHV c) GHW d) HIU

9. 3, 20, 37, 54, —

   a) 70 b) 72 c) 71 d) 69

10. 3, 10, 31, 94, —

    a) 282 b) 283 c) 292 d) 281

11. 1, 22, 43, 64, —

    a) 85 b) 81 c) 78 d) 83

**উত্তৰ :** 1. b 2. a 3. c 4. b 5. d 6. a 7. d 8. c 9. c 10. b 11. a

## কুইজ

■ দীপাংকৰ কৌশিক

১। ২০২২ চনত গীতাঞ্জলি শ্ৰী আৰু ২০২৫ চনত বানু মুস্তাক। এই বিশিষ্ট বঁটাটো লাভ কৰা এই পৰ্য্যন্ত এই দুগৰাকীয়ে হৈছে ভাৰতীয় লেখিকা। বঁটাটোৰ নাম কি?

২। গোবিন কুমাৰ খাউণ্ডৰ 'বগী' হৈছে বীৰুবালা ৰাভাৰ জীৱনভিত্তিক উপন্যাস। তেওঁ লিখা 'উৰণীয়া মৌ' কাৰ জীৱনভিত্তিক উপন্যাস বাৰু?

৩। ১৯ বছৰ অনূৰ্ধ ভাৰতীয় পুৰুষ ক্ৰিকেট দলে এই পৰ্য্যন্ত ৫ বাৰ বিশ্বকাপ জয় কৰিছে। ২০০০ চনত প্ৰথমবাৰ চেম্পিয়ন হোৱাৰ সময়ত দলৰ অধিনায়ক আছিল মহম্মদ কাঈফ। ২০০৮ চনত দ্বিতীয়বাৰ জয়ী হোৱাৰ সময়ত ভাৰতীয় দলৰ অধিনায়ক কোন আছিল?

৪। চিচিটিভিৰ বিষয়ে আমি সকলোৱে জানো। ১৯৪২ চনত জাৰ্মানীত ইয়াৰ প্ৰথম ব্যৱহাৰ কৰা হৈছিল। উদ্ভাৱন কৰিছিল ৱাল্টাৰ ব্ৰুচে (Walter Bruce)। এই চিচিটিভিৰ (CCTV) সম্পূৰ্ণ ৰূপটো কি?

৫। নীলাঞ্জনা সুদেষ্ণা—পুলিৎঝাৰ বঁটা লাভ কৰা কোনগৰাকী সাহিত্যিকৰ প্ৰকৃত নাম?

৬। উইলিয়াম ছিডনী প'ৰ্টাৰ (William Sydney Porter) নামৰ আমেৰিকাৰ প্ৰসিদ্ধ লেখকগৰাকী জনপ্ৰিয় হৈ পৰিছিল তেওঁৰ ছদ্মনামেৰেহে। কি বাৰু নামটো?

৭। বি আই ফাৰ্ণাণ্ডেজলৈ ২০১২ চনত আগ বঢ়োৱা হৈছিল দ্ৰোণাচাৰ্য্য বঁটা। এই বঁটা লাভ কৰাৰ ক্ষেত্ৰত তেওঁৰ বিশেষত্বটো কি আছিল?

৮। ১৯৪০ৰ পৰা ১৯৪৫ চনলৈ প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত কোনগৰাকী ব্যক্তিয়ে ১৯৫৩ চনত সাহিত্যৰ ন'বেল বঁটা লাভ কৰিছিল?

৯। 'এ মেৰে ৱতন কে লোগো' দেশভক্তিমূলক এটা বিখ্যাত গীত। লতা মংগেশকাৰৰ কণ্ঠৰ এই গীতটো লিখিছিল কবি প্ৰদীপে। গীতটোৰ সুৰকাৰ কোন?

১০। ৰৈ ৰৈ বিনালে—জুবিন গাৰ্গে নিৰ্মাণ কৰি থকা এখন অসমীয়া চলচ্চিত্ৰ। এই চলচ্চিত্ৰখনৰ নামটো তেওঁৰে এটা গানৰ প্ৰথম শাৰী। এই গানটো কোনটো এলবামৰ?

১১। ভাৰতৰ ৰাষ্ট্ৰপতি ভৱনৰ অশোক হলৰ নতুন নাম হৈছে অশোক মণ্ডপ। দৰবাৰ হলৰ নতুন নামটো কি?


১২। চ'ত মাহৰ দ্বিতীয় সপ্তাহৰ প্ৰথম বুধবাৰে ঠেঙাল কছাৰীসকলে কি উৎসৱ পালন কৰে?

১৩। পদ্মশ্ৰী সন্মানপ্ৰাপক ৰবীন্দ্ৰ কুমাৰ সিনহাক কি নামেৰে জনা যায়?

১৪। 'পৰুৱা পোহনীয়া' নামৰ গ্ৰন্থখনৰ বাবে কোনগৰাকী অসমীয়াই চলিত বৰ্ষৰ ভাৰতীয় ভাষা পৰিষদৰ যুৱ পুৰস্কাৰ সন্মান লাভ কৰিছে?

**চিত্ৰ সংকেত**

১৫। সাহিত্যত ন'বেল বঁটা বিজয়ী এইগৰাকী গণিতজ্ঞ কোন বাৰু? ❖



## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ, মে', ২০২৫

১। ভাগ মিলখা ভাগ। (মিলখা সিঙৰ আত্মজীৱনী)

২। ৰাজফেঁটী । (King cobra)

৩। ইউছুফ পাঠান

৪। ভি এছ ৰমাদেৱী। এই পৰ্য্যন্ত এই পদত অধিষ্ঠিত একমাত্ৰ মহিলা

৫। কেথৰিন বিগলো। শ্ৰেষ্ঠ পৰিচালকৰ অস্কাৰ বঁটা লাভ কৰা প্ৰথমগৰাকী মহিলাৰূপে পৰিগণিত হৈছিল বিগলো।❖

# আন্তৰ্জাতিক যোগ দিৱস

■ অপৰ্ণা দেৱী



ৰাষ্ট্ৰসংঘ হৈছে আইন, সুৰক্ষা, অৰ্থনৈতিক উন্নয়ন, সামাজিক অগ্ৰগতি, মানৱ অধিকাৰ আৰু বিশ্বশান্তিৰ বাবে কাম কৰা এটা আন্তঃৰাষ্ট্ৰীয় সংগঠন। ৰাষ্ট্ৰসংঘৰ অংগসমূহৰ ভিতৰত সাধাৰণ পৰিষদ (General Assembly) এটা গুৰুত্বপূৰ্ণ অংগ। সেই সাধাৰণ পৰিষদৰ সভাত আমাৰ দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে প্ৰত্যেক বছৰৰ ২১ জুন তাৰিখটো আন্তৰ্জাতিক যোগ দিৱস হিচাপে পালন কৰাৰ বাবে প্ৰস্তাৱ আগ বঢ়ায়। ২০১৪ চনৰ ২৭ ছেপ্টেম্বৰৰ সাধাৰণ পৰিষদৰ সভাত নৰেন্দ্ৰ মোডীয়ে যোগৰ সাধনা বা যোগ যে ভাৰতীয় পৰম্পৰাৰ এটা অতি মূল্যবান উপহাৰ সেই কথা দোহৰাৰ লগতে যোগৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক দিশত থকা অৱদানৰ কথা অৱগত কৰাৰ লগে লগে বিশ্বৰ কেইবাখনো ৰাষ্ট্ৰৰ প্ৰতিনিধিয়ে সমৰ্থন আগ বঢ়ায়। ২০১৪ চনৰ ১১ ডিচেম্বৰ তাৰিখে ৰাষ্ট্ৰসংঘই ২১ জুন তাৰিখটো আন্তৰ্জাতিক যোগ দিৱস হিচাপে পালন কৰাৰ সিদ্ধান্ত ঘোষণা কৰে।

আন্তৰ্জাতিক যোগ দিৱসৰ প্ৰাথমিক উদ্দেশ্য বা লক্ষ্য হৈছে যোগৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক উপকাৰিতাৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰা। যোগাসনৰ দৈনিক অনুশীলনে যে চাপমুক্ত জীৱন আৰু স্বাস্থ্যসন্মত জীৱন নিৰ্বাহ কৰাত সহায় কৰে, যোগ দিৱসত সেই কথাত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। বহনক্ষম জীৱন (sustainable living), মননশীলতা (mindfulness) আৰু আভ্যন্তৰীণ শান্তিৰ (inner peace) আহিলা হিচাপে যোগক প্ৰসাৰিত কৰিব পাৰি। সাংস্কৃতিক ভাগ-বতৰা আৰু সুস্থ কাৰ্য্যকলাপৰ জৰিয়তে বিশ্বব্যাপী ঐক্যক উৎসাহিত কৰাটোও আন্তৰ্জাতিক যোগ দিৱসৰ এটা লক্ষ্য বা উদ্দেশ্য।

প্ৰত্যেক বছৰে আন্তৰ্জাতিক যোগ দিৱসত এটা নিৰ্দিষ্ট বিষয়বস্তু (theme) গ্ৰহণ কৰা হয়। ভাৰতৰ আয়ুস (Ayush) মন্ত্ৰালয়ে সাধাৰণতে সেই বিষয়বস্তু নিৰ্ধাৰণ কৰে। ২০১৫ চনত আন্তৰ্জাতিক যোগ দিৱসৰ বিষয়বস্তু আছিল সমন্বয় আৰু শান্তিৰ বাবে যোগ। পাছৰ বৰ্ষবিলাকত যোগ দিৱসৰ বিষয়বস্তুবোৰ আছিল এনে ধৰণৰ— ২০১৬ চন : যুৱক-যুৱতীসকলক যোগৰ সৈতে সংযোগ কৰা, ২০১৭ চন : স্বাস্থ্যৰ বাবে যোগাসন, ২০২০ চন : (ক'ভিড-১৯ মহামাৰীৰ মাজত) ঘৰতে যোগাসন আৰু পৰিয়ালৰ সৈতে যোগাসন, ২০২১ চন : সুস্থতাৰ বাবে যোগাসন, ২০২২ চন : মানৱতাৰ বাবে যোগ, ২০২৩ চন : বসুধৈৱ কুটুম্বকম (এখন পৃথিৱী, এটা পৰিয়াল), ২০২৪ চন : যোগ নিজৰ বাবে আৰু সমাজৰ বাবে।

২০২৫ চনৰ আন্তৰ্জাতিক যোগ দিৱসৰ বিষয়বস্তু হৈছে—'এখন পৃথিৱী, এক স্বাস্থ্যৰ বাবে যোগাসন।' ২০২৫ চনৰ ৩০ মাৰ্চ তাৰিখে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে তেওঁৰ মন কী বাত অনুষ্ঠানত ২০২৫ বৰ্ষৰ আন্তৰ্জাতিক যোগ দিৱসৰ বিষয়বস্তু ঘোষণা কৰে। বিশ্বৰ স্বাস্থ্য ইয়াৰ বাসিন্দাসকলৰ স্বাস্থ্যৰ সৈতে জড়িত। যোগাসনে ব্যক্তিগত আৰু বিশ্বব্যাপী মংগল অৰ্জনৰ পথ দেখুৱায়। বৰ্তমান যোগাসনক এক জীৱনশৈলী হিচাপে বিবেচনা কৰা হয়। ই হৈছে শাৰীৰিক ভংগিমা (আসন), উশাহ-নিশাহ নিয়ন্ত্ৰণ (প্ৰাণায়াম) আৰু ধ্যানক (ধ্যান) সামৰি লোৱা এক জীৱনশৈলী। ❖

# শেষ যাত্ৰা

■ ৰাগিনী শিৰম
নৱম শ্ৰেণী

কুঁৰলীৰ জাল ফালি ৰেলখন আগুৱাই আহিছিল। ষ্টেচনৰ বেৰত ওলমি থকা ঘড়ীটোৱে তেতিয়া নিশা ১১ বজাৰ সংকেত দিছিল। দিনত যাত্ৰীৰ কোলাহলত ব্যস্ত হৈ থকা ষ্টেচনটো নিশাৰ নিস্তব্ধতাত নিজম পৰিছে। জন-প্ৰাণীবিহীন ষ্টেচনটোত সেইখনেই আছিল শেষ ৰেল। এই ৰেলগাড়ীখনৰ অপেক্ষাত পুৱাৰে পৰা বৈ আছিল এগৰাকী বৃদ্ধাই। যাৰ দুনয়ন একমাত্ৰ পুত্ৰ সন্তানক চাবৰ বাবে ব্যাকুল হৈ পৰিছে। দিনটো এখনৰ পিছত এখনকৈ যাত্ৰীবাহী ৰেলবোৰ পাৰ হৈ গ'ল, কিন্তু কোনোখনতে তেওঁ বিচৰা মানুহজনৰ সন্ধেদ নাপালে। কিন্তু বৃদ্ধাৰ দুচকুত এতিয়াও আশাৰ ৰেঙনি। কিজানি আহি থকা এই শেষ ৰেলখনত তেওঁৰ পুতেক আহিছেই !

এনেতে মানুহগৰাকীয়ে ৰেল এখন অহাৰ শব্দ শুনা যেন পালে। তেওঁ আকৌ মন দি শুনিলে। নাই ৰেলৰ শব্দ নাই। বৃদ্ধাই ভাবিলে হয়তো তেওঁৰ শুনাত ভুল হৈছে। পুৱাৰ পৰা ৰেলৰ শব্দবোৰ শুনি থকাৰ বাবেই হয়তো তেওঁ এতিয়াও ৰেল অহা যেন অনুভৱ কৰিছিল। বৃদ্ধা পুনৰ ষ্টেচনৰ বেঞ্চখনত বহি পৰিল। তেওঁৰ লগত অহা গাড়ীৰ ড্ৰাইভাৰজনৰো হয়তো আমনি লাগিছিল। কিন্তু কি কৰিব? বেচেৰা মালিকৰ অনুগত ভৃত্য। কিন্তু এইদৰে হাড় কঁপোৱা শীতত তাৰ মালিকৰ বৃদ্ধ দেহাটো দেখি সহ্য নহ'ল। সি তেওঁৰ কাষলৈ আহি পিছদিনা আকৌ আহিব বুলি ক'লে। তেতিয়ালৈকে বৃদ্ধাই বুজি উঠিছিল যে অপেক্ষা কৰি আৰু লাভ নাই। বৃদ্ধা ঘৰলৈ বুলি আগবাঢ়িল।

পুৱাৰ কুঁৰলীৰ মাজত বেলিটোৱে লুকা-ভাকু খেলি আছিল। নিজৰ লগত সদায় লৈ ফুৰা ঘড়ীটোলৈ চাই বৃদ্ধা পুনৰ ষ্টেচনলৈ যাবলৈ সাজু হ'ল। সদায় পঢ়াৰ দৰে তেওঁ ব্যস্ততাৰ মাজতেই হকাৰ ল'ৰাটোৱে দি যোৱা বাতৰিকাকতখনৰ ওপৰত চকু ফুৰালে। ইতিমধ্যে ড্ৰাইভাৰজনেও গাড়ীখন উলিয়াই মালিকৰ ওচৰত ৰ'লহি। সি মন কৰিলে দুদিন আগৰ পৰাই বৃদ্ধাগৰাকীৰ চকুত সি ব্যাকুলতাই আগুৰি থকা দেখিছিল। কিন্তু এতিয়া সেই ব্যাকুলতাৰ বিন্দু মাত্ৰাও সি দেখা নাপালে। সেই আশাৰে ভৰা উদীপ্ত দুচকুত তেতিয়া জিলিকি উঠিছিল মাথোঁ অশ্ৰুৰ টোপাল। সি এই নীৰৱ ভাষাক পঢ়িব বিচাৰিও ব্যৰ্থ হ'ল। বৃদ্ধাই ক'লে এতিয়া আৰু ষ্টেচনলৈ যোৱাৰ প্ৰয়োজন নাই। নিশাৰ শেষ যাত্ৰীবাহী ৰেলখন লাইনচ্যুত হৈ কাষৰ দ খাৱৈত বাগৰি পৰিল। বহুতো যাত্ৰী নিহত হৈছে। বৃদ্ধাই নাজানে তাৰ মাজত তেওঁৰ পুত্ৰ আছে নে নাই। কিন্তু তেওঁৰ এনে লাগিল কিহবাই যেন তেওঁৰ আশাবাদী মনটো হেঁচা মাৰি ধৰিছে। অসহায়ভাৱে তেওঁ শূন্যতাত কিবা এটা বিচাৰি ফুৰিছে, য'ত তেওঁৰ চেনেহৰ পুত্ৰৰ প্ৰতিচ্ছবি আৰু শ শ শোকাতুৰ হৃদয়ৰ কান্দোন ভাহি উঠিছে। ❖

## চুড'কুৰ শুদ্ধ উত্তৰ দিয়া শিক্ষাৰ্থীৰ নাম, মে', ২০২৫

ময়ূৰী তালুকদাৰ (সপ্তম ক), পল ভৰালী (সপ্তম গ), যামিল উদ্দিন আহমেদ (অষ্টম ঘ), অহিৰণ অন্তৰীপ হাঁলৈ (অষ্টম খ), বৰষা শৰ্মা (পঞ্চম ঘ), হৃষীকেষ ৰাভা (সপ্তম ঘ), অংশুমান কুমাৰ (সপ্তম ঘ), মনশ্ৰী কলিতা (পঞ্চম ঘ), শুভম শৰ্মা (সপ্তম ঘ), প্ৰিঞ্চ কলিতা (ষষ্ঠ ঘ)। ❖

# আলহামব্ৰা দুৰ্গ

■ লিয়ন দাস
ষষ্ঠ শ্ৰেণী



আলহামব্ৰা (Alhambra) হৈছে স্পেইনৰ গ্ৰানাডা (Granada) চহৰত অৱস্থিত এটা বিখ্যাত ঐতিহাসিক স্থাপত্য। নাছৰিড (Nasrid) ৰাজবংশৰ ৰজা মোহাম্মদ ইবন আল-আহমাৰ আৰু তেওঁৰ উত্তৰ পুৰুষসকলে ১৩ শতিকাত এই দুৰ্গ নিৰ্মাণ কৰিছিল। আলহামব্ৰা নামটো আৰবী 'আল-হামৰ' শব্দৰ পৰা অহা। ইয়াৰ অৰ্থ 'ৰঙা দুৰ্গ'। এই নামটোৰ মূল কাৰণ হ'ল এই দুৰ্গটো নিৰ্মাণ কৰিবলৈ ব্যৱহাৰ কৰা ৰঙা বালি আৰু ইটা। ইয়াৰ পৰা গ্ৰানাডা চহৰ আৰু ডাৰো (Darro) নদীৰ সৌন্দৰ্য্য উপভোগ কৰিব পাৰি।

আলহামব্ৰা কেৱল ৰাজপ্ৰাসাদেই নাছিল, ই আছিল এটা দুৰ্গ, ৰজা আৰু সৈন্যসকলৰ বাসস্থান। আলহামব্ৰা হৈছে মুছলিম স্থাপত্য কৌশল, বিজ্ঞান আৰু শিল্পৰ এক অমূল্য নিদৰ্শন। ১৪৯২ চনত খৃষ্টান ৰজাসকলে গ্ৰানাডা চহৰখন অধিকাৰ কৰে আৰু আলহামব্ৰা খৃষ্টান ৰাজসভাৰ অংশ হৈ পৰে। তাৰ পাছত ইয়াত খৃষ্টান স্থাপত্যৰ কিছু প্ৰভাৱ পৰে।

বিজ্ঞানৰ দৃষ্টিকোণৰ পৰা আলহামব্ৰা এক বিস্ময়কৰ স্থল। ইয়াৰ জল ব্যৱস্থাপনা প্ৰণালী অতি উন্নত। এই দুৰ্গটো চবিকা পাহাৰৰ ওপৰত অৱস্থিত। ইয়াত পানী নাই। কিন্তু এই পাহাৰৰ ওচৰেদি বৈ যোৱা ডাৰো নদীৰ পানীৰে কোনো বৈদ্যুতিক যন্ত্ৰ ব্যৱহাৰ নকৰাকৈয়ে উৎকৃষ্ট স্থাপত্য কৌশল ব্যৱহাৰ কৰি দুৰ্গটোৰ পানীৰ অভাৱ পূৰণ কৰা হৈছিল। প্ৰাসাদৰ ভিতৰত ফোৱাৰা, জলাশয় আৰু সুঁতিৰ জৰিয়তে পানী চলাচল কৰোৱা হয়। ইয়াতে পানীৰে চলা এটা ঘড়ীও আছে। এই পানীৰ ব্যৱস্থাবোৰে কেৱল সৌন্দৰ্য্য বৃদ্ধিতেই সহায় কৰা নাই, বৰং শীতল পৰিবেশ বজাই ৰখাতো সহায় কৰিছে।

আলহামব্ৰাৰ আন এটা বৈশিষ্ট্য হ'ল ইয়াৰ জ্যামিতিক অলংকৰণ। ইছলামীয় শিল্পত প্ৰাণীৰ ছবি আঁকাটো নিষেধ আছিল। সেইবাবে শিল্পীসকলে জ্যামিতিৰ নমুনাৰ জৰিয়তে কলাৰ সৃষ্টি কৰিছিল। আলহামব্ৰাৰ দেৱালবোৰত বহুতো নিখুঁত জ্যামিতিক নক্সা দেখিবলৈ পোৱা যায়। এই নক্সাবোৰ অতি মনোমোহা। এই সকলোবোৰ গণিতীয় দক্ষতাৰ প্ৰমাণ।

পোহৰ আৰু ছাঁৰ ব্যৱহাৰো আলহামব্ৰাৰ বৈজ্ঞানিক দক্ষতাৰ এক উৎকৃষ্ট উদাহৰণ। ঘৰৰ দুৱাৰ তথা খিৰিকীবোৰ এনেভাৱে নিৰ্মাণ কৰা হৈছে যাতে প্ৰাকৃতিক ৰশ্মি ভিতৰত সোমাই চৌদিশ আলোকিত কৰে আৰু বতাহৰ সোঁতো সঠিকভাৱে চলাচল কৰিব পাৰে। ইয়াৰ ফলস্বৰূপে গ্ৰীষ্মকালত ঠাণ্ডা আৰু শীতকালত গৰম অনুভৱ হয়। আলহামব্ৰা হৈছে ইতিহাস আৰু বিজ্ঞানৰ এক অভূতপূৰ্ব সমন্বয়। ইয়াত ইছলামীয় সভ্যতাৰ উন্নত বিজ্ঞান, গণিত, স্থাপত্য আৰু কলাৰ সমাহাৰ দেখা যায়। আলহামব্ৰা কেৱল সোণালী অতীতৰ এক অংশ নহয়, ই হৈছে বিজ্ঞান, স্থাপত্য আৰু সংস্কৃতিৰ দলিল। এই প্ৰাসাদটো ১৯৮৪ চনত ইউনেস্ক'ৰ বিশ্ব ঐতিহ্যৰ তালিকাত অন্তৰ্ভুক্ত হয়। ❖

# পেহেলগাম



■ ৰশ্মিনন্দা কলিতা
পঞ্চম শ্ৰেণী

পেহেলগাম—সঁচাকৈয়ে যেন এক ভূস্বৰ্গ। যোৱা মাহৰ পৰা চৰ্চিত হৈ থকা এই শব্দটোৱে মোক আকৰ্ষিত কৰিলে। আগতে কেতিয়াও নাম নুশুনা, নেদেখা ঠাইডোখৰৰ মনোমোহা প্ৰাকৃতিক সৌন্দৰ্য্য বাতৰি কাকত আৰু টেলিভিছনৰ পৰ্দাত দেখি দেখি ময়ো অভিভূত হৈ পৰিছোঁ। ‘ভেড়াৰখীয়াৰ গাঁও’ নামেৰে খ্যাত পেহেলগামৰ নৈসৰ্গিক প্ৰাকৃতিক সৌন্দৰ্য্যই পৰ্য্যটকক আকৰ্ষণ কৰে। পেহেলগাম ভাৰতীয় কেন্দ্ৰীয়শাসিত অঞ্চল জম্মু-কাশ্মীৰৰ অনন্তনাগ জিলাত অৱস্থিত। ই কাশ্মীৰ উপত্যকাৰ ঝিলাম নদীৰ পূব দিশত বিস্তৃত লিদ্দে উপত্যকাৰ উচ্চ উচ্চতাত অৱস্থিত। লিডাৰ নদীৰ দুটা ধাৰা—পূব আৰু পশ্চিম লিডাৰ পেহেলগামৰ ওচৰত সংযুক্ত হৈ সংকীৰ্ণ উপত্যকাটোৰ মাজেৰে আগ বাঢ়ি যায়। এই উপত্যকাটো দুটা ভাগত বিভক্ত—এটা উত্তৰ-পূবে অমৰনাথলৈ আৰু আনটো উত্তৰ-পশ্চিমে আৰুলৈ। অনন্তনাগ জিলাৰ সদৰৰ পৰা ২০ কিল'মিটাৰ দূৰত অৱস্থিত এই চহৰখন জুলাই-আগষ্ট মাহত অনুষ্ঠিত হোৱা অমৰনাথ মন্দিৰৰ বাৰ্ষিক তীৰ্থযাত্ৰাৰ আৰম্ভণী স্থান। পেহেলগামত বিভিন্ন প্ৰকাৰৰ পশু-পক্ষীও দেখা যায়, ইয়াৰ ভিতৰত হিমালয়ী পশু-পক্ষী বিশেষভাৱে উল্লেখযোগ্য। তদুপৰি বৈসাৰণ ঘাঁহনি আৰু শ্যুটিঙৰ স্থানসমূহো পৰ্য্যটকৰ অন্যতম আকৰ্ষণৰ থলী।

পৈশাচিক বৰ্বৰতাৰে নিৰস্ত্ৰ পৰ্য্যটকক লক্ষ্য কৰি যোৱা ২২ এপ্ৰিলত পেহেলগামত সন্ত্ৰাসবাদীয়ে চলোৱা নৰসংহাৰৰ ঘটনাই বিশ্বজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰাকৃতিক সৌন্দৰ্য্যেৰে ভৰপূৰ মিনি ছুইজাৰলেণ্ড খ্যাত পেহেলগামত সন্ত্ৰাসবাদীয়ে পৰ্য্যটকসকলৰ ধৰ্ম সুধি হত্যা কৰা বুলি প্ৰকাশ পাইছে। কেইবছৰমানৰ পৰা অঞ্চলটোত সন্ত্ৰাসবাদী কাৰ্য্যকলাপ হ্ৰাস পোৱাত পৰ্য্যটকৰ সংখ্যা বৃদ্ধি পাইছিল। কিন্তু সৌন্দৰ্য্য উপভোগ কৰিবলৈ যোৱা পৰ্য্যটকক হঠাতে আক্ৰমণৰ লক্ষ্য কৰি ল'লে সন্ত্ৰাসবাদীয়ে। ফলত প্ৰাণ হেৰুৱালে ২৬ গৰাকীকৈ হিন্দু ব্যক্তিয়ে। ইয়াৰ মাজতে পৰ্য্যটকৰ ওপৰতে নিৰ্ভৰশীল পেহেলগামৰ মুছলমান বাসিন্দাসকলে পৰ্য্যটকসকলক উদ্ধাৰৰ চেষ্টা চলায়। তেওঁলোকৰ তৎপৰতাৰ বাবে বহু পৰ্য্যটকৰ প্ৰাণৰক্ষা পৰে। পৰ্য্যটকৰ ওপৰত নিৰ্ভৰশীল পেহেলগামবাসীয়ে অতি আগ্ৰহেৰে বাট চাই থাকে বছৰটোৰ শেষৰ শীতকালীন সময়ছোৱালৈ। কাৰণ বছৰটোৰ অন্তিমটো শীতৰ আমেজ ল'বলৈ উপত্যকাটোত ভিৰ কৰে দেশ-বিদেশৰ বহু পৰ্য্যটকে। এনে পৰ্য্যটকক সহায় কৰিবলৈ আহি প্ৰাণ হেৰুৱালে ছৈয়দ আদিল হুছেইনে। যি সময়ত কাশ্মীৰত সন্ত্ৰাসবাদীৰ আক্ৰমণ লৈ দেশত বহু লোক দ্বিধা-শংকাত দিন কটাইছে, সেই সময়তে আদিলৰ আত্মত্যাগে প্ৰকৃত মানুহৰ দায়িত্ব সোঁৱৰাই থৈ গ'ল। একেদৰে ইছাদ আহমেদে ঘটনাস্থলীৰ পৰা সন্ত্ৰাসবাদীৰ আক্ৰমণৰ সময়ত আহতসকলক কান্ধত তুলি ঘোঁৰাত উঠাই নি সহায় কৰাৰ ঘটনাই প্ৰতিফলিত কৰিছে সাধাৰণ মানুহৰ মাজত থকা মানৱীয়তাৰ কথা। কাশ্মীৰৰ এই নাৰকীয় কাণ্ডৰ পাছত সমগ্ৰ দেশজুৰি পাকিস্তানৰ বিৰুদ্ধে অব্যাহত থকা তীব্ৰ নিন্দা-প্ৰতিবাদত সকলো লোকে অংশগ্ৰহণ কৰিছে।

সন্ত্ৰাসবাদৰ বিৰুদ্ধে আমি সকলোৱে একেলগে থিয় দিব লাগে। সন্ত্ৰাসবাদীয়ে যাতে হিংসাত্মক কাৰ্য্য সংঘটিত কৰিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। শেষত আশা কৰোঁ যে সন্ত্ৰাসবাদীৰ আক্ৰমণত স্তব্ধ হৈ পৰা পেহেলগামত কোনো মানুহেই যেন পুনৰ আক্ৰমণৰ বলি হ'বলগীয়া নহয় আৰু পৰ্য্যটকৰ সোঁতেৰে যেন আগৰ সৰ্বাংগ সুন্দৰ পেহেলগাম হৈ পৰে। ❖

# ফল আৰু স্বাস্থ্য

■ বাণীস্নিগ্ধা হালৈ
অষ্টম শ্ৰেণী



প্ৰকৃতিয়ে আমাক বিভিন্ন ধৰণৰ উপাদান দিছে। বিভিন্ন প্ৰকাৰৰ ফল-মূলসমূহ মানুহৰ বাবে প্ৰকৃতিৰ এক অনুপম উপহাৰস্বৰূপ। আহাৰবিদসকলে ফল-মূলক পূৰ্ণ আহাৰৰ মৰ্য্যাদা দিছে। ফল-মূলে দেহৰ ৰোগ-প্ৰতিৰোধ ক্ষমতাও বঢ়াই তোলে। দেহৰ প্ৰয়োজনীয় পৰিপুষ্টিৰ বাবে বতৰৰ বিভিন্ন প্ৰকাৰৰ ফল-মূল খাব লাগে। ইয়াৰ পৰা অত্যাৱশ্যকীয় পোষক উপাদান, খাদ্যপ্ৰাণ, খনিজ লৱণ আদিবোৰ পোৱা যায়। অৰ্থাৎ বিভিন্ন প্ৰকাৰৰ ফল-মূল গ্ৰহণ কৰি মানুহ অনায়াসে জীয়াই থাকিব পাৰে। আগৰ দিনত ঋষি-মুনিসকলে ফল-মূল খায়েই জীয়াই থাকিছিল। ফল-মূলত থকা বিভিন্ন আম্লিক উপাদানবোৰে জিভা, দাঁত, মুখগহ্বৰ পৰিষ্কাৰ আৰু নিৰোগী কৰি ৰাখে। ফল-মূল নিয়মিতভাৱে খালে চৰ্বী নিয়ন্ত্ৰিত হয় আৰু এচিডিটি বা অম্লপিত্ত ৰোগো নিয়ন্ত্ৰিত হয়। ইয়াত থকা আঁহজাতীয় উপাদানবোৰে পেট পৰিষ্কাৰ কৰি ৰাখে।

আঙুৰ, ডালিম আদিৰ ৰস জ্বৰৰ সুপথ্য। দেহে নিষ্কাসন কৰিবলৈ অসমৰ্থ হোৱা উপাদানবোৰো ফল-মূলে নিজৰ অদ্ভুত শক্তিৰে মল-মূত্ৰৰে দেহৰ বাহিৰ কৰি দিয়ে। টাইফয়ড জ্বৰত ফলৰ ৰস উপকাৰী। আঙুৰ অজীৰ্ণ ৰোগৰ বাবে আৰু নেমু, সুমথিৰা আদি বাতৰোগ, হৃদপিণ্ডৰ ৰোগৰ বাবে উপকাৰী। আপেলত পৰ্য্যাপ্ত পৰিমাণে ফছফৰাছ পোৱা যায়, এয়া মস্তিষ্ক আৰু স্নায়ৱিক ৰোগৰ বাবে অতি প্ৰয়োজনীয়। স্মৃতিশক্তিৰ দুৰ্বলতা, খিংখিঙীয়া স্বভাৱ, দৃষ্টি দুৰ্বলতা, শাৰীৰিক দুৰ্বলতা আদিতো আপেল উপকাৰী। শ্বাসৰোগ বা দুৰ্বল হাঁওফাঁওৰ লোকৰ বাবে আঙুৰ উপকাৰী। বিভিন্ন প্ৰকাৰৰ বাতৰোগ, মেলেৰিয়া ৰোগত নেমু বৰ গুণকাৰী। ইনফ্লুৱেঞ্জা, যক্ষ্মা ৰোগ, হৃদপিণ্ডৰ দুৰ্বলতা আদিত সুমথিৰাৰ ৰস উপযোগী।

ফল-মূল সদায় ভোজনৰ আৰম্ভণিতে খাব লাগে। যিবিলাক লোকৰ পাচন শক্তি দুৰ্বল, তেওঁলোকে ফল-মূল ভোজনৰ লগত একেলগে গ্ৰহণ কৰিব নালাগে। বতৰৰ সকলো ফল-মূলেই দেহৰ বাবে উপকাৰী। সেয়ে আমি আপেল-আঙুৰৰ বাহিৰেও থলুৱাভাৱে পোৱা বতৰৰ বিভিন্ন ফল-মূলসমূহ পৰিমিত ৰূপত গ্ৰহণ কৰিব লাগে, যাতে স্বাস্থ্য ভাল হৈ থাকে। ❖

## তোমালোকৰ বাবে প্ৰশ্ন, জুন, ২০২৫

১। ‘মাই টেল অৰ ফোৰ চিটীজ : এন অট’বায়’গ্ৰাফী’—কোনগৰাকী প্ৰখ্যাত ভাৰতীয়ৰ আত্মজীৱনী?

২। ‘পাৰঘাট’ চলচ্চিত্ৰখনেৰে অভিনয় জীৱন আৰম্ভ কৰা কোনগৰাকী অভিনেত্ৰীলৈ ২০০২ চনত বিষ্ণু ৰাভা বঁটা আগ বঢ়োৱা হৈছিল?

৩। ইণ্ডিয়ান প্ৰিমিয়াৰ লীগত সৰ্বাধিক ৰাণ সংগ্ৰহ কৰা বেটাৰজনক প্ৰদান কৰা হয় অৰেঞ্জ কেপ। এই বঁটা লাভ কৰা প্ৰথমজন ভাৰতীয় কোন বাৰু?

৪। বিশ্বৰ কোনখন দেশৰ ৰাজধানী চহৰখনৰ নামটোৰ অৰ্থ হৈছে—under the hill?

৫। ২০১৯ চনৰ পৰা ৩০ মে’ৰ দিনটো তেজপুৰৰ অসমীয়া ভাষা উন্নতি সাধিনী সভাই কোনগৰাকী ব্যক্তিৰ স্মৃতিত বাণিজ্য দিৱস হিচাপে পালন কৰি আহিছে? ❖

# অৰ্কিডৰ সান্নিধ্যৰ কিছু ৰোমাঞ্চকৰ পল

■ অনিত্য দত্ত
সপ্তম শ্ৰেণী

বিহুৰ বন্ধত মই, মা, দেউতা আৰু পূজা বাইদেউ যোৰহাটলৈ গৈছিলোঁ। আমি যোৰহাটলৈ বহুবাৰ গৈছোঁ, কিন্তু এবাৰো কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু অৰ্কিড উদ্যানলৈ যোৱা নাই। সেইবাবে আমি ঠিক কৰিলোঁ উভতি আহোঁতে আমি কাজিৰঙাৰ অৰ্কিড উদ্যানত সোমাম। কথামতে কাম। আমি আটায়ে গুৱাহাটীলৈ উভতি আহোঁতে অৰ্কিড উদ্যানলৈ গ'লোঁ। যাত্ৰাপথত ভিৰ নাছিল যদিও কাজিৰঙাৰ মাজেৰে অহাৰ ফলত গাড়ীয়ে বেগ ল'ব নোৱৰা হ'ল। প্ৰায় ৫ কিল'মিটাৰ পথ আমি ২০-৩৫ কিল'মিটাৰ প্ৰতি ঘণ্টা বেগতে আহি আছিলোঁ। অৰ্কিড উদ্যানত এঘণ্টামান সময় অতিবাহিত কৰিলোঁ। তাত আমি বিবিধ ধৰণৰ অৰ্কিড দেখিলোঁ। উদ্যানখনত প্ৰবেশ কৰিয়েই মনটো ভাল লাগি গ'ল। কেউফালে সুন্দৰভাৱে সজোৱা অৰ্কিডবোৰ দেখি অভিভূত হ'লোঁ। আমি তাত বিদেশী পৰ্য্যটক দুজনমানকো দেখিলোঁ। অৰ্কিডৰ বাহিৰেও তাত আমাৰ অসমীয়া পৰম্পৰাৰ বিবিধ সামগ্ৰী, যেনে—বস্ত্ৰ, আ-অলংকাৰ, সঁজুলি আদি সংৰক্ষিত দুটা যাদুঘৰ অৰ্থাৎ মিউজিয়াম আছে। প্ৰথমটি যাদুঘৰত সোমায়েই আমি মুখা, কৃষিকাৰ্য্যৰ সঁজুলি, ঘৰৰ আৰ্হি ইত্যাদি দেখিলোঁ। তাত অলপ সময় অতিবাহিত কৰি দ্বিতীয়টি যাদুঘৰত




সোমালোঁ। দ্বিতীয় যাদুঘৰটো অন্য যাদুঘৰতকৈ বেলেগ। তাত এজন কৰ্মচাৰীয়ে টকা, পেঁপা, সুতুলি, ঢোল আদি বিভিন্ন বাদ্যযন্ত্ৰ বজাই দেখুৱাইছিল। সেই বাদ্যযন্ত্ৰৰ শব্দ শুনি আমি সতেজ মন এটাৰে বাহিৰলৈ আহিলোঁ। উদ্যানখনত এখন মঞ্চও আছে। সেই মঞ্চত বিভিন্ন ধৰণৰ অনুষ্ঠানৰ লগতে বিহুগীত পৰিবেশন কৰা হয়। আমি তাত কেইবাটাও বিহুৰ দল দেখা পালোঁ। তাত খোৱা-বোৱাৰ ব্যৱস্থা আছে। থলুৱা খাদ্যৰ লগতে ফাষ্টফুডো পোৱা যায়। উদ্যানখনত বহুমুখ বুলি তিনিখন আইনাযুক্ত এটা তিনিকোণীয়া বাকচ সদৃশ সঁজুলি আছে। সেয়া চাই মোৰ মনটো ভাল লাগি গ'ল। উদ্যানখনৰ এঠাইত এটা পুখুৰী আছে। তাত নাও বোৱাৰ ব্যৱস্থা আছে। অৱশ্যে সময়ৰ প্ৰতি লক্ষ্য কৰি আমি 'ব'টিং' নকৰিলোঁ।

ভ্ৰমণো আচলতে শিক্ষাৰ ভিতৰতে পৰে। ভ্ৰমণৰ পৰা আহৰণ কৰা জ্ঞান আৰু পাঠ্যপুথিৰ জ্ঞান সমপৰ্য্যায়ৰ। প্ৰথমে আমি সকলোৱে ওচৰৰ ঠাইৰ বিষয়ে জানিব লাগে। ভ্ৰমণৰ উপযুক্ত সময় বন্ধৰ দিনবোৰ। ভ্ৰমণ আৰু পঢ়া দুয়োটা মিলাই চলিব লাগে। অৰ্কিড উদ্যানৰ এই অমূল্য তথ্য মোৰ বাবে দৰকাৰী। অৰ্কিড উদ্যানৰ সেই চমু ভ্ৰমণৰ আনন্দই এতিয়াও মন-প্ৰাণ সতেজ কৰি তোলে। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ দিওঁতাসকল, মে', ২০২৫

পাৰ্থ প্ৰতীম বৈশ্য (ষষ্ঠ গ), জিয়ান ফুকন ঠাকুৰীয়া (ষষ্ঠ গ), হৃষীকেশ ৰাভা (সপ্তম ঘ)। ❖

# পখিলা

■ বৈষ্ণৱী কাশ্যপ
ষষ্ঠ শ্ৰেণী

ৰংচঙীয়া পখিলা
ৰঙা, নীলা পখিলা
বৰ মৰম লাগে তোমাক।
ঘৰলৈ আনি পুহিবলৈ
মন যায় তোমাক।
ধৰিবলৈ গ'লে উৰি
যোৱা তুমি
চুলেও ভয় খোৱা তুমি
ইমান ভয় নাখাবা
মৰমৰ পখিলী
নামাৰোঁ নহয় তোমাক মই
মৰমৰ পখিলী। ❖



# কাজিয়া

■ হৃষীকেশ ৰাভা
সপ্তম শ্ৰেণী

এদিনাখন চাৰি বন্ধুৰ
মাজত লাগিল এখন যুদ্ধ,
কোনোৰে নাজানে কোন আছিল
এই কাজিয়াত শুদ্ধ।
খগেনে ক'লে মই শুদ্ধ,
শুভমে ক'লে মই,
এই কাজিয়াখনতো
ভাই বৰ গম্ভীৰ হয়।
অংশুৱে বোলে "ইমান কৈছে,
মোৰ লাগিছে ভয়,"
ঋতুৱে বোলে "অ' ভাই,
ইহঁতে বৰ কথা কয়।"
ছাৰে দেখিলে এই চাৰিটাই
কৈ আছে কথা,
সেই মুহূৰ্ততে লাগিল এটা
বৰ ডাঙৰ লেঠা।
ছাৰে চাৰিওটাক বাহিৰতেই
কাণত ধৰাই থ'লে,
ভিতৰত থকা শিক্ষাৰ্থীসকলে
বৰ মজা পালে। ❖

# সৰুতেই ভাল

■ দেৱাংগনা বৰঠাকুৰ
ষষ্ঠ শ্ৰেণী

মোৰ আজিকালি মনত পৰে
সৰুকালৰ সেই দিনবোৰলৈ
যেতিয়া সকলোৱে মোক
কৰিছিল মৰম, লৈছিল কোলাত
খোজ কাঢ়িলে, দৌৰিলে
কৈছিল বাঃ বাঃ বুলি
কোনেও পিছে মোক আজিকালি
নকয় সৰু ছোৱালী বুলি।
সকলোৱে কয় কেৱল এটাই কথা
হ'লা তুমি এতিয়া ডাঙৰ
লাগিব পঢ়িব, লাগিব লিখিব
ডাঙৰ মানুহ হ'ব লাগিব।
ডাঙৰ হৈনো কি লাভ?
নকৰে কোনেও মোক
আগৰ দৰে আদৰ
সেয়েহে সৰুতেই ভাল। ❖

# বাতৰি কাকতৰ ইতিহাস

■ নিভা ৰাণী ৰায়


HICKY's
BENGAL GAZETTE;
OR THE ORIGINAL
Calcutta General Advertiser.

পুৰাই চাইকেলৰ টিলিঙাটো বজাই হকাৰজনে পদূলিমুখত দি থৈ যোৱা বাতৰি কাকতখনৰ প্ৰচলননো কেতিয়াৰ পৰা হৈছিল? কোনে, কেতিয়া, ক'ত, কিয় আৰু কেনেকৈ বাতৰি কাকতৰ আৰম্ভণি কৰিছিল? কাগজত মুদ্ৰিত কাকতখনৰ পৰা আজিৰ কাকতৰ ই-সংস্কৰণ অথবা ডিজিটেল ৰূপলৈকে বাতৰি কাকতে এক দীঘলীয়া পৰিক্ৰমা অতিক্ৰম কৰি আহিছে। আজিৰ সময়ত আমি পুৰাই যিখন বাতৰি কাকতত চকু ফুৰাবলৈ পাইছোঁ, তাৰ ইতিহাস ক'বলৈ গ'লে আঢ়ৈ সহস্ৰাধিক বছৰৰো অধিক প্ৰাচীন। বাতৰি কাকত ঠিক নহয়, বাতৰি প্ৰচাৰৰ ধাৰণাটোৰ উদ্ভৱ হৈছিল সম্ৰাট জুলিয়াছ ছিজাৰৰ দিনত ৰোমান সাম্ৰাজ্যত। খৃষ্টপূৰ্ব ষষ্ঠ শতিকাৰ প্ৰায় মাজভাগত। দৈনন্দিন ঘটনাৰ প্ৰচাৰৰ উদ্দেশ্যে প্ৰাচীন ৰোমৰ ৰাজতন্ত্ৰত কিছুমান ঘোষণা পত্ৰ প্ৰকাশ কৰা হৈছিল। সেইবোৰৰ নাম আছিল এক্টা ডিউৰ্ণা (acta diurna)। যাৰ অৰ্থ--দিনটোৰ ঘটনাবোৰ। সেই ঘোষণা পত্ৰবোৰ ধাতু বা শিলত খোদাই কৰি জনসমাগম থকা এলেকাত প্ৰজাৰ চকুত পৰাকৈ আঁৰি দিয়া হৈছিল বা স্থাপন কৰা হৈছিল। যুদ্ধৰ সংক্ষিপ্ত বা-বাতৰি, অগ্নিকাণ্ড বা আন কোনো দুৰ্য্যোগ, বিষয়াক দায়িত্বভাৰ অৰ্পণ আদি খবৰ সৰ্বসাধাৰণক জনাবলৈ ধাতুপত্ৰ বা শিলালিপিত খোদিত এক্টা ডিউৰ্ণা তৈয়াৰ কৰা হৈছিল। ৰাজবিষয়াই খবৰবোৰ সংগ্ৰহ কৰি খোদাইৰ ব্যৱস্থা কৰিছিল। খৃষ্টপূৰ্ব ৫৯ত কিছুমান এক্টা ছিনাটাছ (acta senatus) প্ৰচাৰ কৰা হৈছিল। সেইসমূহ ছিনেটত (senet) অৰ্থাৎ ৰাজসভাত হোৱা দিনটোৰ কাৰ্য্যবিধি সম্পৰ্কীয় বাতৰি প্ৰচাৰৰ উদ্দেশ্যে কৰা হৈছিল। ছিনেটৰ আলোচনা আৰু সিদ্ধান্তসমূহ অন্তৰ্ভুক্ত কৰা এই কাৰ্য্যবিৰৰণীসমূহ ৰাজ্যিক আৰ্কাইভ আৰু ৰাজহুৱা পুথিভঁৰালত ৰখা হৈছিল যদিও সম্ৰাট অগাষ্টাছে (Augustus) ইয়াৰ বহুল প্ৰচাৰৰ ওপৰত বাধা আৰোপ কৰিছিল। আনহাতে ৰাজবিষয়াসকলেও ৰাজকীয় কাৰ্য্যপন্থাৰ বিষয়ে প্ৰজাক বিতংকৈ জনোৱা কথাটোত আপত্তি কৰাত এক্টা ছিনেটাছ নামৰ সংবাদ পত্ৰসমূহ বন্ধ কৰা হৈছিল।

চীনত অষ্টম শতিকাৰ আশে-পাশে কাইয়ুয়ান ঝা বাও (Kaiyuan Za Bao) নামৰ এখন ৰাজকীয় দৈনিক বাতৰি কাকতৰ অস্তিত্ব পোৱা যায়। মুছলমান শাসনৰ সময়ত ভাৰতত বাতৰি কাকতৰ প্ৰচলন আছিল। অৱশ্যে সেই সময়ত বাতৰি কাকত ছপা হোৱা নাছিল, সকলো ৰাজনৈতিক বাতৰি হাতে লিখি দেশৰ ৰাজকীয় বিষয়ালৈ প্ৰেৰণ কৰা হৈছিল। ১৫ শতিকাত ইউৰোপত ছপাশাল ব্যৱহাৰ হোৱাৰ তথ্য পোৱা যায়। অৱশ্যে চীনাসকলে তাৰো আগতেই ছপা ব্যৱস্থা আৱিষ্কাৰ কৰে। ষোড়শ শতিকাত আজি আমি পঢ়িবলৈ পোৱাৰ দৰে বাতৰি কাকতৰ জন্ম হোৱা নাছিল যদিও ছপা বাতৰিৰ প্ৰাৰম্ভিক ৰূপৰ উত্থান ঘটিছিল। ইয়াৰ ভিতৰত ইটালীৰ আভিভি (avivi), জাৰ্মানীৰ জেইটুংগেন (Zeitungen) নামৰ হাতেৰে লিখা বাতৰি কাকত আদিৰ নাম উল্লেখ কৰিব পাৰি। এইবোৰ সংবাদ পত্ৰত ৰাজনৈতিক, সামৰিক আৰু অৰ্থনৈতিক পৰিঘটনাৰ বাতৰি প্ৰচাৰ কৰা হৈছিল। ১৫১৩ চনত The True Encounter of the Battle of Flodden Field নামৰ নিউজবুকত সৰ্বপ্ৰথম যুদ্ধৰ কাহিনী প্ৰকাশ কৰা হৈছিল। ১৭ শতিকাৰ আৰম্ভণিতে প্ৰথম ছপা বাতৰি কাকত প্ৰকাশ পাইছিল আৰু ১৬০৫ চনত জোহান কেৰ'লাছে (Johann Carolus) ষ্ট্ৰাছবাৰ্গত (Strassburg) এখন সাপ্তাহিক বাতৰি কাকত প্ৰকাশ কৰিছিল। হাতে লিখা বাতৰি কাকতসমূহ সেই সময়ত বাতৰি প্ৰচাৰৰ প্ৰধান মাধ্যম আছিল।

১৭ শতিকাৰ আৰম্ভণিতে প্ৰথম ছপা বাতৰি

কাকতৰ প্ৰচলন হ'বলৈ আৰম্ভ কৰে যদিও হাতেৰে লিখা বাতৰি কাকত সেই সময়তো জনপ্ৰিয় হৈ আছিল। চীনত কাগজৰ উদ্ভাৱনৰ পাছত, হাতেৰে লিখা সংবাদ পত্ৰৰ ব্যৱহাৰ আৰম্ভ হৈছিল। ইয়াৰ উপৰি ইউৰোপত প্ৰথমে হাতেৰে লিখা সংবাদ পত্ৰ ব্যৱহাৰ কৰা হৈছিল।



১৬০৯ চনৰ ১৫ জানুৱাৰীত জাৰ্মানীৰ উলফেনবুটেলত Aviso Relation Oder Zeitung নামেৰে ওলোৱা বাতৰি কাকতখন নিয়মিতভাৱে প্ৰকাশ পোৱা প্ৰথম জাৰ্মান কাকত বুলি গণ্য কৰা হয়। এভিচ' (Aviso) মানে হৈছে ঘোষণা বা বাৰ্তা। কাকতখনৰ সম্পাদক আৰু প্ৰকাশক আছিল জুলিয়াছ এডলফ ভন ছনে। ১৬০৫ চনত প্ৰকাশ পোৱা সাপ্তাহিক কাকতখনৰ পাছত এভিচ'ক বিশ্বৰ দ্বিতীয়খন বাতৰি কাকত বুলি গণ্য কৰা হয়।

সময়ৰ লগে লগে ছপা প্ৰযুক্তিয়ে সংবাদ পত্ৰৰ ব্যৱহাৰ আৰু কাৰ্য্যকাৰিতা  বৃদ্ধিত সহায় কৰিবলৈ আৰম্ভ কৰে। ছপা ব্যৱস্থা আৱিষ্কাৰ হোৱাৰ পাছৰে পৰা সংবাদ পত্ৰৰ প্ৰকাশন সহজ হৈ পৰিছিল । ইউৰোপত প্ৰথম ছপা সংবাদ পত্ৰৰ প্ৰকাশৰ পাছত ইয়াৰ ব্যৱহাৰ বৃদ্ধি পাবলৈ ধৰে। ভিন ভিন ভাষাৰ সংবাদ পত্ৰ প্ৰকাশ হ'বলৈ লয়। ইউৰোপৰ পাছত, বিশ্বৰ বিভিন্ন দেশত সংবাদ পত্ৰৰ ব্যৱহাৰ  ক্ৰমান্বয়ে বৃদ্ধি পাবলৈ ধৰে।

## ভাৰতীয় সংবাদ পত্ৰৰ ইতিহাস

ৰোমান সাম্ৰাজ্যৰ শিলালিপি বা ধাতুৰ লিপিৰ দৰেই সম্ৰাট অশোকৰ দিনত ভাৰততো শিলালিপিৰ জৰিয়তে বাৰ্তা প্ৰচাৰৰ ব্যৱস্থা আছিল। সেইবোৰকো ভাৰতীয় সাংবাদিকতাৰ ইতিহাসত প্ৰাচীন সংবাদসেৱাৰ প্ৰতীক বা আৰ্হি বুলি বিজ্ঞজনে ক'ব খোজে। আনহাতে মোগল সাম্ৰাজ্যৰ সময়ছোৱাত সংবাদ সংগ্ৰহ আৰু প্ৰচাৰৰ ব্যৱস্থাৰ সূত্ৰপাত হয়। মোগল ৰাজত্বৰ কালছোৱাত আৰম্ভ হোৱা বাতৰি সংগ্ৰহৰ ব্যৱস্থাটোক ভাৰতীয় সাংবাদিকতাৰ আৰম্ভণি বুলি ক'লেও ভুল নহ'ব।

ইউৰোপত ছপাশাল আৱিষ্কাৰ হোৱাৰ এশ বছৰৰো অধিক কালৰ পাছতহে ভাৰতলৈ প্ৰথম ছপাশালৰ আমদানি হৈছিল। পৰ্তুগীজ ধৰ্ম প্ৰচাৰকসকলে ধৰ্মপুথি আৰু সৰু সৰু পত্ৰিকা ছপাবলৈ ভাৰতলৈ ছপাযন্ত্ৰ আনিছিল। বৃটিছসকলে কলিকতা আৰু মাদ্ৰাজত প্ৰেছিডেন্সী (presidency) স্থাপন কৰি শাসন চলাবলৈ আৰম্ভ কৰাৰ বহু পাছত সৰু সৰু সংবাদ পত্ৰিকা উলিওৱা হৈছিল। বৃটিছসকলে ভাৰতৰ বিভিন্ন প্ৰান্তত থকা তেওঁলোকৰ নিজৰ মানুহখিনিৰ মাজত যোগাযোগৰ মাধ্যম হিচাপে বিশেষকৈ এই পত্ৰিকাসমূহ প্ৰকাশ কৰিছিল।

মুছলিম ৰাজত্বকালত মধ্যযুগীয় ভাৰতত বাতৰি কাকতৰ প্ৰচলন আছিল। অৱশ্যে তেতিয়া বাতৰি কাকত ছপা হোৱা নাছিল, সকলো ৰাজনৈতিক বাতৰি হাতে লিখা আৰু দেশৰ প্ৰধান ৰাজকীয় বিষয়াসকললৈহে প্ৰেৰণ কৰা হৈছিল। বিভিন্ন প্ৰদেশৰ পৰা সকলো খবৰ সংগ্ৰহ কৰি সম্ৰাটলৈ প্ৰেৰণ কৰা হৈছিল।

তেনে খবৰ সংগ্ৰহৰ বাবে ৰাজসভাত এটা সুকীয়া বিভাগ আছিল। প্ৰাচীন পাৰ্চী গ্ৰন্থ কানুন-ই-জণ্ডত উল্লেখ আছে যে ১৫২৬ খৃষ্টাব্দত পানীপতৰ প্ৰথম যুদ্ধৰ সময়ত বাবৰ শ্বাহে নিজৰ শিবিৰত বহি বাতৰি কাকত পঢ়ি থকাৰ সময়ত হিন্দু ৰজাসকলে আহি যুদ্ধবিৰতিৰ প্ৰস্তাৱ আগ বঢ়াইছিল। আবুল ফজলে তেওঁৰ আইন-ই-আকবৰী গ্ৰন্থত লিখিছে যে সম্ৰাট আকবৰৰ সময়ত চৰকাৰী গেজেটৰ দৰে এখন ৰাজকীয় কাকত প্ৰতিমাহে প্ৰকাশ পাইছিল।

সম্ৰাট ঔৰংজেৱৰ অসুস্থতাৰ খবৰৰ উপৰি ঔৰংগাবাদ নামৰ ঠাইত তেওঁৰ মৃত্যু ঘটাৰ খবৰৰ সবিশেষ দিল্লীৰ পাৰ্চী কাকত 'পয়ঘম-ই-হিন্দ'ত (Paigham-e-Hind) প্ৰকাশ পাইছিল।

তাৰ পাছত ১৭৮০ চনত ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিষয়া জেমছ আগষ্টাছ হিকীয়ে (James Augustus Hicky) বেংগল গেজেট (Bengal Gazette) ওৰফে দ্য কেলকাটা জেনেৰেল এডভাৰটিফাৰ (The

Calcutta General Advertifer) নামৰ এখন কাকত প্ৰকাশ কৰে। ১৭৮৫ চনত ৰিচাৰ্ড জনছনে ইংৰাজী ভাষাত 'মাদ্ৰাছ কুৰিয়াৰ' (Madras Courier) নামৰ এখন কাকত প্ৰকাশ কৰে। এইখন আছিল বৃটিছ ইণ্ডিয়াৰ অধীনস্থ মাদ্ৰাজ প্ৰেছিডেন্সীৰ পৰা প্ৰকাশিত প্ৰথমখন বাতৰি কাকত। ১৭৯৫ চনত আৰ উইলিয়ামৰ 'মাদ্ৰাছ গেজেট' আৰু ১৭৯৬ চনত হামফ্ৰেৰ 'ইণ্ডিয়া হেৰাল্ড' (India Herald) নামৰ কাকত দুখন প্ৰকাশ পায়।

১৮ শতিকাৰ শেষৰ ফালে আৰু ১৯ শতিকাৰ একেবাৰে আৰম্ভণিতে বিশেষ উল্লেখযোগ্য সংবাদ পত্ৰই জন্ম লাভ কৰা নাছিল। ১৮১১ চনত কলিকতাৰ একাংশ ব্যৱসায়ীয়ে 'কলকাতা ক্ৰনিকল' (Kolkata Chronicle) নামেৰে এখন কাকত আৰম্ভ কৰে। এই কাকতখনৰ সম্পাদক আছিল জেমছ ছিল্ক বাকিংহাম। তেৱেঁই ভাৰতত সাংবাদিকতাৰ এক নতুন পন্থা প্ৰবৰ্তন কৰা বুলি ক'ব পাৰি। কেৱল শাসকীয় বা চৰকাৰী পক্ষৰ বা-বাতৰিৰ পৰিবৰ্তে সৰ্বসাধাৰণ ৰাইজৰ খবৰো কাকতত প্ৰকাশ কৰিবলৈ লৈছিল। স্থানীয় লোকৰ সমস্যা আৰু তেওঁলোকৰ জীৱন ধাৰণ আদিৰ খবৰ তেতিয়াৰ পৰা কাকতত প্ৰকাশ পাবলৈ লয়। ১৮১৭ চনত শিক্ষক তথা সংস্কাৰক গংগা কিশোৰ ভট্টাচাৰ্য্যই বেংগল গেজেট নামেৰে প্ৰথমখন ভাৰতীয় বাতৰি কাকত উলিয়ায়। এই কাকতখন আছিল সাপ্তাহিক।

ৰাজা ৰামমোহন ৰায়ে বাতৰি কাকতৰ জৰিয়তে সমাজ সংস্কাৰমূলক পদক্ষেপ লোৱাৰ উদ্দেশ্যে ১৮২১ চনত বাংলা কাকত 'সম্বাদ কৌমুদী' উলিয়ায় আৰু ১৮২২ চনত পাৰ্চী কাকত 'মিৰাত-উল-আকবৰ' আৰম্ভ কৰে।

১৮৩৮ চনৰ ৩ নৱেম্বৰত এতিয়াৰ টাইমছ অৱ ইণ্ডিয়া (Times of India) কাকতখন 'দ্য বম্বে টাইমছ এণ্ড জাৰ্নেল অৱ কমাৰ্চ' (The Bombay Times and Journal of Commerce) নামেৰে প্ৰকাশ পায়। ১৮৬১ চনত ৰবাৰ্ট নাইটে বৰ্তমানৰ 'দ্য টাইমছ অৱ ইণ্ডিয়া' কাকতখনৰ প্ৰথম সংস্কৰণ প্ৰকাশ কৰে।

### অসমৰ সংবাদ পত্ৰৰ ইতিহাস

অসমৰ সংবাদ পত্ৰৰ ইতিহাসো ভাৰতৰ পশ্চিমবংগ, মাদ্ৰাজ আদিকে ধৰি অন্যান্য ৰাজ্যসমূহৰ সমসাময়িকভাৱেই আৰম্ভ হৈছিল। ১৮৪৬ চনত শিৱসাগৰত বেপ্টিষ্ট মিছনেৰী প্ৰেছৰ (baptist missionary press) পৰা প্ৰকাশ পায় অসমৰ প্ৰথমখন সংবাদ পত্ৰিকা 'অৰুনোদই'। অৰুনোদইৰ জৰিয়তে অসমৰ বাতৰি কাকতৰ ভেটি স্থাপন হোৱা বুলি ক'ব পাৰি। অৰুনোদই প্ৰকাশৰ আঢ়ৈ দশকৰ পাছত, ১৮৭১ চনত আসাম বিলাসিনী নামৰ এখন মাহেকীয়া পত্ৰিকা প্ৰকাশ পায়। আউনীআটী সত্ৰৰ পৰা শ্ৰীধৰ ওজাই প্ৰকাশ কৰা আসাম বিলাসিনীৰ সম্পাদক আছিল শ্ৰী শ্ৰী দত্তদেৱ গোস্বামী। ১৯৩০ চনৰ ২৮ অক্টৰবৰত সেই সময়ৰ অগ্ৰণী ব্যৱসায়ী শিৱপ্ৰসাদ বৰুৱাৰ পৃষ্ঠপোষকতাত 'সাদিনীয়া বাতৰি' নামৰ কাকত এখনৰ জন্ম হয়। কাকতখনৰ সম্পাদক আছিল শিৱপ্ৰসাদ বৰুৱা নিজেই। সাদিনীয়া বাতৰিৰ জন্মৰ দুবছৰমান পাছত বৰুৱাই কাকতখন দৈনিক কাকত হিচাপে উলিওৱাৰ সিদ্ধান্ত লয়। সেই সিদ্ধান্ত মৰ্মে ১৯৩৫ চনৰ ২০ জুলাইত যোৰহাটৰ মিঃ মফজল হুছেইনৰ সম্পাদনাত অসমৰ প্ৰথমখন দৈনিক বাতৰি কাকত 'দৈনিক বাতৰি' প্ৰকাশিত হৈছিল।

তিনি সহস্ৰাধিক বছৰৰো অধিক দীঘলীয়া ইতিহাস অতিক্ৰম কৰি সমগ্ৰ বিশ্বতে বৰ্তমান বাতৰি কাকতৰ আমূল পৰিবৰ্তন ঘটিছে। তথ্য-প্ৰযুক্তিৰ উদ্ভাৱন আৰু বিকাশৰ মাজেৰে বাতৰি কাকতেও বিবৰ্তনৰ নানা পৰিক্ৰমা পাৰ হৈ আহিছে। ছপাযন্ত্ৰ আৱিষ্কাৰৰ পাছত প্ৰকাশ পোৱা সংবাদ পত্ৰিকাৰ পৰা আজিৰ বাতৰি কাকতৰ ডিজিটেল সংস্কৰণলৈকে কত যে ৰূপ সলালে বাতৰি কাকতে। একেদৰে অৰুনোদই প্ৰকাশৰ পৰা আজিলৈকে অসমৰ বাতৰি কাকতৰ প্ৰায় ১৮০ বছৰীয়া ইতিহাসত অসমীয়া বাতৰি কাকতেও পাৰ কৰি আহিছে পৰিবৰ্তনৰ সুদীৰ্ঘ পৰিক্ৰমা। ছপাই হওক বা ডিজিটেল, বাতৰি কাকত কিন্তু আজিও মানুহৰ বাবে খবৰ সংগ্ৰহৰ এক গুৰুত্বপূৰ্ণ মাধ্যম। প্ৰযুক্তিয়ে মানৱ জাতিক যোগাযোগৰ যিমানেই মাধ্যম দান নিদিয়ক কিয়, মানৱ জাতিৰ গণমাধ্যমৰ ইতিহাসৰ এক অপৰিহাৰ্য্য তথা তাৎপৰ্য্যপূৰ্ণ অংগ হিচাপে জন্ম লোৱা বাতৰি কাকতৰ গুৰুত্ব সুদূৰ ভৱিষ্যতেও যে থাকিব, সেয়া ধ্ৰুৱ। ❖

# কাছ'ৱাৰী চৰাই

■ চেহনাজ আখতাৰ আহমেদ

আকৰ্ষণীয় দেহৰ গঠন, ৰং-বিৰঙৰ পাখি; শুৱলা মাত আদিৰ বাবে চৰাই সকলোৰে প্ৰিয়। পৃথিৱীৰ এই মনোমোহা চৰাইসমূহৰ ভিতৰত এক ব্যতিক্ৰমী চৰাই হ'ল কাছ'ৱাৰী চৰাই (cassowary bird)। উৰিব নোৱৰা এই কাছ'ৱাৰী চৰাইবিধ উত্তৰ-পূব অষ্ট্ৰেলিয়া আৰু নিউগিনিত প্ৰধানকৈ পোৱা যায়। ইহঁতৰ ডিঙিৰ অংশ ৰঙা। মুখমণ্ডলৰ দুয়োকাষ নীলা, ক'লা পাখি আৰু মূৰৰ ওপৰত থকা মুকুটসদৃশ অংশৰ বাবে ইহঁত দেখাত অতি আকৰ্ষণীয়। কাছ'ৱাৰীৰ আটাইকেইটা প্ৰজাতিৰ ভিতৰত দক্ষিণ কাছ'ৱাৰী প্ৰজাতিটো পৃথিৱীত পোৱা চৰাইৰ ভিতৰত তৃতীয় উচ্চতম আৰু ওজনৰ বাবে দ্বিতীয় স্থানত আছে। উটপক্ষী আৰু ইমু চৰাইতকৈ আকাৰত সামান্য সৰু এই চৰাইবিধ কিন্তু পৃথিৱীৰ আটাইতকৈ বিপদজনক চৰাই হিচাপে পৰিচিত। সাধাৰণতে ইহঁতে মানুহক এনেই আঘাত নকৰে। কিন্তু যদি মানুহে ইহঁতক প্ৰৰোচিত কৰে, তেন্তে ইহঁতে মাৰাত্মক আঘাত কৰিব পাৰে।



শুনিবলৈ আচৰিত যেন লাগিলেও বিশ্বৰ বিপজ্জনক চৰাইটো কিন্তু লাজকুৰীয়া স্বভাৱৰ আৰু ইহঁতে গভীৰ অৰণ্যত অকলশৰীয়াকৈ থাকিবলৈ ভাল পায়। যদি সিহঁতে ওচৰত মানুহ থকা বুলি গম পায় তেন্তে সিহঁতে তৎক্ষণাৎ সেই ঠাইৰ পৰা আঁতৰি যায়। মাইকী কাছ'ৱাৰীবোৰ মতা কাছ'ৱাৰী চৰাইতকৈ আকাৰত ডাঙৰ আৰু উজ্জ্বল বৰণৰ। প্ৰাপ্তবয়স্ক দক্ষিণ কাছ'ৱাৰীবোৰ ১.৫-১.৮ মিটাৰ পৰ্য্যন্ত ওখ হয়। আনহাতে মাইকী কাছ'ৱাৰীবোৰ ২ মিটাৰ পৰ্য্যন্ত ওখ আৰু প্ৰায় ৫৮.৫ কিল'গ্ৰাম ওজনৰ হয়। কোনো কোনো ক্ষেত্ৰত দক্ষিণ কাছ'ৱাৰী প্ৰজাতিটোৰ মাইকী কাছ'ৱাৰী একোটাৰ ওজন প্ৰায় ৮৫ কিল'গ্ৰাম পৰ্য্যন্ত হয়গৈ। ইহঁতৰ ঠোঁট মজবুত, জোঙা আৰু চোকা। ইহঁতৰ পাখিযুক্ত নেজ নাই। ইহঁতৰ গোটেই শৰীৰটো চুটি চুটি পাখিৰে ঢকা। ইহঁতৰ ঠেং তিনিটা আঙুলিযুক্ত আৰু জোঙা নখযুক্ত। ইহঁতৰ ঠেং শক্তিশালী আৰু ইহঁতে প্ৰায় ৫০ কিমি./ঘণ্টা বেগেৰে দৌৰিব পাৰে আৰু ইহঁতে ৪ ফুট ১১ ইঞ্চিমানলৈ জঁপিয়াব পাৰে। ইহঁতে অতি ভালদৰে সাঁতুৰিবও পাৰে। ইহঁতে ঠেঙৰ আঙুলি আক্ৰমণৰ বাবে ব্যৱহাৰ কৰে। মানুহৰ শ্ৰৱণ ক্ষমতাৰ নিম্ন সীমাত থকাৰ বাবে মানুহে ইহঁতৰ মাত শুনা নাপায়। চৰাইবিধৰ জীৱনকাল প্ৰায় ১৮ৰ পৰা ২০ বছৰ।

কাছ'ৱাৰী চৰায়ে অকলশৰীয়াকৈ থাকিবলৈ ভাল পায় যদিও প্ৰজনন তথা কণী পৰাৰ সময়ত আৰু খাদ্য খোৱাৰ সময়ত এই চৰাইবিধক একেলগে থকা দেখিবলৈ পোৱা যায়। মাইকী কাছ'ৱাৰী চৰায়ে এবাৰত ৩ৰ পৰা ৮টালৈ কণী পাৰে। ইহঁতৰ কণীবোৰৰ বৰণ উজ্জ্বল সেউজীয়া বা পাতল সেউজীয়া বৰণৰ হয়। আচৰিত কথা এয়ে যে অন্য জীৱৰ দৰে মাইকী কাছ'ৱাৰী চৰাইবোৰে নিজৰ কণী আৰু পোৱালিৰ চোৱা-চিতা নকৰে। বৰঞ্চ এই ক্ষেত্ৰত মতা কাছ'ৱাৰী চৰাইবোৰে কণীবোৰ ৫০-৫২ দিনলৈ উমনি দিয়ে আৰু কণীৰ পৰা পোৱালি হোৱাৰ পাছত ৯ মাহলৈ পোৱালিবোৰ চোৱা-চিতা কৰে। ইহঁতে মাটিত পৰি থকা ফলবোৰ গোটে গোটে খায় আৰু গুটিবোৰ বৰ্জ্য পদাৰ্থ হিচাপে মাটিত ত্যাগ কৰে। এই কাৰ্য্যই গুটিৰ বিস্তাৰণত সহায় কৰে।

কাছ'ৱাৰী হৈছে এক অসাধাৰণ প্ৰজাতি। বাসস্থান ধ্বংস, জলবায়ু পৰিৱৰ্তন আৰু মানৱ সংঘাতৰ ভাবুকিৰ সন্মুখীন হোৱা এই প্ৰজাতিটোৰ সংৰক্ষণৰ বাবে জনসাধাৰণৰ সজাগতাৰ প্ৰয়োজন। ❖

## চুড'কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

### চুড'কু ২২১ (সমাধান)

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 9 | 5 | 1 | 6 | 8 | 3 | 2 | 4 | 7 |
| 4 | 2 | 3 | 9 | 5 | 7 | 6 | 1 | 8 |
| 6 | 7 | 8 | 2 | 1 | 4 | 3 | 9 | 5 |
| 7 | 9 | 6 | 1 | 3 | 8 | 5 | 2 | 4 |
| 8 | 3 | 5 | 4 | 2 | 6 | 1 | 7 | 9 |
| 2 | 1 | 4 | 7 | 9 | 5 | 8 | 3 | 6 |
| 1 | 8 | 9 | 5 | 4 | 2 | 7 | 6 | 3 |
| 3 | 6 | 2 | 8 | 7 | 9 | 4 | 5 | 1 |
| 5 | 4 | 7 | 3 | 6 | 1 | 9 | 8 | 2 |

### চুড'কু ২২২

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 3 | | | | | | 6 | | |
| | | | 4 | | 1 | | | |
| | | | | | 7 | | | 5 |
| | | | | 8 | | | 2 | |
| | | 7 | | | | | | |
| | | | | 6 | | 3 | 8 | |
| 8 | | | | 2 | | | | |
| | | 4 | | | | | | 7 |
| | | | | | 5 | | | |

## তোমালোকে জানানে?

# ছেণ্ট পিটাৰছ বেছিলিকা



ৰোম (Rome) মহানগৰীৰ ভিতৰতে ভেটিকান (Vetican) হ'ল এক ক্ষুদ্ৰ স্বাধীন ৰাষ্ট্ৰ। ৰোমান কেথলিকসকলৰ প্ৰধান ধৰ্মগুৰু পোপে ইয়াত বাস কৰে আৰু তেওঁৱেই ভেটিকান প্ৰশাসনৰো মুৰব্বী। ভেটিকানৰ আটাইতকৈ প্ৰখ্যাত গীৰ্জা হ'ল ছেণ্ট পিটাৰছ বেছিলিকা (Saint Peter's Basilica)। এই গীৰ্জাৰ স্থানত আগতে আন এটা গীৰ্জা আছিল। জনশ্ৰুতিমতে প্ৰথম পোপ ছেণ্ট পিটাৰছৰ (মৃত্যু ৬৭ খৃষ্টাব্দ) সমাধিৰ স্থান তাতেই আছিল। ১৫০৬ চনত পোপ দ্বিতীয় জুলিয়াছে ছেণ্ট পিটাৰছ বেছিলিকাৰ কাম আৰম্ভ কৰে আৰু ১৬১৫ চনত ইয়াৰ নিৰ্মাণ সম্পূৰ্ণ হয়। পবিত্ৰ 'ক্ৰুছ'ৰ (Cross) আকৃতিত ইয়াৰ আৰ্হি তৈয়াৰ কৰা হৈছে। গীৰ্জাটোৰ ওপৰত আছে এটা ডাঙৰ গম্বুজ। প্ৰথম নিৰ্মাণৰ পাছৰ পৰ্য্যায়তো নানা সময়ত স্থপতিবিদ, ভাস্কৰ, চিত্ৰশিল্পীসকলৰ নতুন নতুন কামৰ জৰিয়তে ই বৰ্তমানৰ ৰূপ পাইছেহি। ইটালীৰ প্ৰসিদ্ধ চিত্ৰকৰ ৰাফেলে (Raphael) এই গীৰ্জাৰ অন্তৰ্ভাগৰ অলংকৰণৰ ভালেখিনি কাম কৰিছিল। গীৰ্জাটোৰ ভিতৰৰ অংশও সুন্দৰ চিত্ৰ আৰু ভাস্কৰ্য্যকৃতিৰে সুশোভিত কৰা হৈছে। ইয়াতে আছে ইটালীৰ চিত্ৰশিল্পী মাইকেল এঞ্জেলোৰ (Michelangelo) প্ৰসিদ্ধ শিল্পকৰ্ম 'পিয়েটা' (pieta)। বিশ্বৰ বৃহত্তম গীৰ্জা ছেণ্ট পিটাৰছ বেছিলিকাৰ দৈৰ্ঘ্য ২১৮.৭ মিটাৰ (৭১৭ ফুট ৬ ইঞ্চি) প্ৰস্থ ১৫০ মিটাৰ (৪৯০ ফুট) আৰু উচ্চতা ১৩৬.৫৭ মিটাৰ (৪৪৮.১ ফুট)। উল্লেখযোগ্য, মাজত খুঁটা নোহোৱাকৈ নিৰ্মাণ কৰা ছেণ্ট পিটাৰছ বেছিলিকা বিশ্বৰ এনে ধৰণৰ প্ৰথম সৌধ। (দ্বিতীয়— কৰ্ণাটকৰ গোল গম্বুজ)। গীৰ্জাটোৰ মাটিকালি ২৩,০০০ বৰ্গমিটাৰ (২,৪৭,৫৭২ বৰ্গ ফুট)। ❖

*উৎস : শান্তনু কৌশিক বৰুৱাৰ 'জ্ঞানাঞ্জন'।*

## Did You Know

# Queen among insects

**Swadesh Gogoi**

In the world of insects, a "queen" is a special female that plays a vital role in her colony or group. You might have heard about queen bees before, but there are also queen ants, termites, and some other insects like wasps.



The queen is usually the largest female in the colony whose main job is to lay eggs. For example, in a beehive, the queen bee can lay thousands of eggs every day. Her bigger and longer body helps her lay many eggs. This is very important because the eggs will grow into new bees, helping the colony grow and survive.

When a queen is born, she often has to go through a special process. In a beehive for instance, the worker bees will feed a special food called royal jelly to certain larvae to help them develop into a queen. Once she hatches, her first task is to make sure she is the only queen in the hive. She does this by finding and getting rid of any other queens. She also releases special chemicals called pheromones that help keep the colony together and maintain order. If the queen bee becomes older or sick, the worker bees will start the process of raising a new queen to take her place. This way, the hive can survive and continue to function smoothly.

In some insect colonies, like ants and termites, the queen also has a unique role. In these colonies, the queen can live for many years, and she may have a king, which is a male that helps her. Together, they work to keep the colony strong.

Queens are important because they help maintain the population of their species. Without a queen, the colony would struggle to survive. The worker insects are usually female but they do not lay eggs. Their job is to take care of the queen, gather food, and protect the colony. So, the queen is like the heart of the colony, making sure everything runs smoothly and that there are always new insects to keep the colony alive. ❖

## কুইজৰ উত্তৰসমূহ

১। আন্তঃৰাষ্ট্ৰীয় বুকাৰ বঁটা ২। ড° ভূপেন হাজৰিকা ৩। বিৰাট কোহলি ৪। Closed Circuit Television ৫। ঝুম্পা লাহিড়ী ৬। অ' হেনৰী ৭। তেওঁ হৈছে দ্ৰোণাচাৰ্য্য বঁটা লাভ কৰা প্ৰথমজন বিদেশী প্ৰশিক্ষক। তেওঁ কিউবাৰ বক্সিং প্ৰশিক্ষক। ৮। ছাৰ উইনষ্টন চাৰ্চিল (Sir Winston Churchill)। বৃটেইনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ৯। চি ৰামচন্দ্ৰ ১০। শব্দ ১১। গণতন্ত্ৰ মণ্ডপ ১২। তৰা চিৰা বিহু ১৩। ভাৰতৰ ডলফিন মানৱ ১৪। পাপৰি বৰ্মন ১৫। বাৰ্ট্ৰাণ্ড ৰাছেল (Bertrand Russell) ❖

## Stories from World Classics

# Frankenstein

**■ Neha Bora**

*(continued from May Issue)*




The Creature later confronts Victor and demands that Victor creates a female companion like himself, arguing that as a living being, he has a right for happiness. The Creature promises that he and his mate will vanish into the South American wilderness and will never to reappear. But Victor falls in a dilemma. Should Victor refuse? But when the Creature threatens to kill Victor's remaining friends and loved ones and not stop until he completely ruins him, only then fearing for his family, Victor reluctantly agrees. The Creature says he will watch him over Victor's progress.

Henry accompanies Victor to England, but they separate, at Victor's insistence, at Perth, in Scotland. Travelling to Orkney to build the second creature, Victor suspects that the Creature is following him. As he works on the new creature, he is plagued by premonitions of disasters.

He fears that the female will hate the Creature - or worse still - be even more evil than he is. Even more worrying to him is the idea that creating the second creature might lead to the creation of a race of beings just as strong as the monster who could plague humanity. He tears apart the unfinished female creature after he sees the Creature watching through a window and smiling. The Creature immediately bursts through the door to confront Victor and demands he repair his destruction and resume work, but Victor refuses. The Creature leaves, but gives a final threat: "I will be with you on your wedding night." Victor interprets this as a threat upon his life, believing that the Creature will kill him after he finally becomes happy.

Victor sails out to sea to dispose of his instruments, and falls asleep in the boat. He awakens some time later, unable to return to shore due to a change in the wind, unfortunately he falls unconscious, drifting to Ireland. When Victor awakens, he is arrested for murder. Victor is acquitted when eyewitness testimony confirms that he was in Orkney at the time the murder took place. However, when shown the murder victim, Victor is horrified to see it was Henry, whom the Creature has strangled. Victor suffers another mental breakdown and after recovering, he returns home with his father, who has restored to Elizabeth some of her father's fortune. His father does not know of the cause behind the murders of William and Henry, but senses a curse and begs Victor to honour his mother's last wish that Victor marry Elizabeth.

In Geneva, Victor is about to marry Elizabeth and prepares to fight the Creature to the death, arming himself with pistols and a dagger. The night following their wedding, Victor asks Elizabeth to stay in her room while he looks for "the fiend". ❖

*Contd.*

## শিক্ষাৰ্থীয়ে অঁকা ছবি



প্ৰতীক্ষা শৰ্মা, অষ্টম ক



পলি বৰ্মন, নৱম ঘ



হৰজিৎ ৰায়, ষষ্ঠ গ



ভৃদীক বড়ো, চতুৰ্থ খ



নিখিলেশ তালুকদাৰ, চতুৰ্থ ঘ



দৰ্শালী দত্ত, চতুৰ্থ ঘ



ৰিতিশা শৰ্মা, চতুৰ্থ খ

# অসমৰ বিভিন্ন মঠ-মন্দিৰ, দৌল-দেৱালয়



টিলিঙা মন্দিৰ (তিনিচুকীয়া)



মহামৃত্যুঞ্জয় মন্দিৰ (নগাঁও)




ঢেকীয়াখোৱা নামঘৰ (যোৰহাট)



শুক্ৰেশ্বৰ দেৱালয় (গুৱাহাটী)



বিল্বেশ্বৰ দেৱালয় (বেলশৰ, নলবাৰী)



ভুবনেশ্বৰী মন্দিৰ (গুৱাহাটী)